# যোহনে লিখা শুভবাৰ্ত্তা

### মৰ্ত্যলৈ যীচুৰ আগমন

**১** ১সৃষ্টিৰ আদিতে বাক্য[a] আছিল। বাক্য ঈশ্বৰৰ সহিত
আছিল আৰু সেই বাক্যই ঈশ্বৰ আছিল। ২তেওঁ
আদিতে ঈশ্বৰৰ সৈতে আছিল। ৩তেওঁৰ দ্বাৰাই সকলো সৃষ্টি
হ'ল আৰু সমুদায় সৃষ্টিৰ কোনো এটাও তেওঁৰ বিনে নহল।
৪তেওঁতেই জীৱন আছিল; যি জীৱনে জগতৰ মানৱলৈ
পোহৰ আনিলে। ৫সেই পোহৰ[b] আন্ধাৰত প্ৰকাশিত হ'ল
কিন্তু আন্ধাৰে তেওঁক পৰাজয়[c] কৰিব নোৱাৰিলে।
৬ঈশ্বৰে পঠোৱা যোহন নামৰ এজন ব্যক্তি আছিল।
৭তেওঁ সেই পোহৰৰ সাক্ষ্য দিবলৈ আহিছিল যাতে তেওঁৰ
দ্বাৰাই সকলো লোকে যেন বিশ্বাস কৰে। ৮যোহন নিজে
সেই পোহৰ নাছিল, কিন্তু তেওঁ সেই পোহৰৰ সাক্ষ্য দিবলৈ
আহিছিল। ৯প্ৰকৃত পোহৰ এই জগতলৈ আহি আছিল। এই
প্ৰকৃত পোহৰেই প্ৰত্যেক লোককে পোহৰ দিয়ে।
১০ইতিমধ্যেই বাক্য এই জগতত আছিল। তেওঁৰ দ্বাৰাই
জগত সৃষ্টি হ'ল। কিন্তু জগতৰ লোক সমূহে তেওঁক চিনি
নেপালে। ১১তেওঁ নিজ স্থানলৈ আহিছিল। কিন্তু তেওঁৰ
নিজ লোক সমুহে তেওঁক গ্ৰহন নকৰিলে। ১২কিন্তু যি
সকলোৱে তেওঁক গ্ৰহন আৰু যিসকলে তেওঁত বিশ্বাস
কৰিলে; তেওঁলোকক, তেওঁ ঈশ্বৰৰ সন্তান হবলৈ অধিকাৰ
দিলে। ১৩যি দৰে সন্তান জন্ম হয় তেনেদৰে তেওঁলোক
ঈশ্বৰৰ সন্তান হোৱা নাছিল। মানুহৰ বা মাংসৰ ইচ্ছা
অনুযায়ী তেওঁলোকৰ জন্ম হোৱা নাছিল। বৰং তেওঁলোক
স্বয়ং ঈশ্বৰৰ পৰা[d] জন্ম পাইছিল।
১৪সেই বাক্যই মানৱ ৰূপ ধাৰন কৰিলে আৰু আমাৰ
মাজত বসবাস কৰিলে। পিতৃ ঈশ্বৰৰ একমাত্ৰ পুত্ৰৰ যি
উপযুক্ত মহিমা,[e] আমি তেওঁৰ সেই মহিমা দেখিলো। সেই
বাক্য অনুগ্ৰহ আৰু সত্যতাৰে পৰিপূৰ্ণ আছিল। ১৫যোহনে
তেওঁৰ বিষয়ে উচ্চস্বৰে সাক্ষ্য দি কলে, "এৰেঁই সেইজনা
যিজনাৰ বিষয়ে মই কৈছিলো, 'যিজন মোৰ পাচত আহি
আছে, তেওঁ মোতকৈয়ো মহান, যিহেতু মোৰ জন্মৰ
পূৰ্ব্বেও তেওঁ আছিল।'"
১৬সেই বাক্য অনুগ্ৰহ আৰু সত্যতাৰে পৰিপূৰ্ণ আছিল।
তেওঁৰ পৰাই আমি সকলোৱে আৰ্শীব্বাদৰ ওপৰি
আৰ্শীব্বাদ[f] পালো। ১৭মোচিৰ যোগে বিধান দিয়া হৈছিল
কিন্তু অনুগ্ৰহ আৰু সত্যতা যীচু খ্ৰীষ্টৰ যোগেদি আহিল।
১৮ঈশ্বৰক কোনেও কেতিয়াও দেখা নাই, কিন্তু তেওঁৰ
একমাত্ৰ পুত্ৰইহে, ঈশ্বৰক আমাৰ আগত প্ৰকাশ কৰিলে।
তেওঁ নিজেই ঈশ্বৰ[g] আৰু তেওঁৰ পিতৃৰ অতি মৰমৰ।

### যীচুৰ বিষয়ে যোহনৰ সাক্ষ্য

*(মথি ৩:১–১২; মাৰ্ক ১:১–৮; লূক ৩:১–৯, ১৫–১৭)*

১৯জেৰুচালেমৰ যিহুদী নেতা সকলে পুৰোহিত আৰু
লেবীয়া সকলক "আপুনি নো কোন?" বুলি সুধিবলৈ
যোহনৰ গুৰিলৈ পঠিয়ালত, যোহনে এই সত্যতা জনালে।
২০যোহনে মুকলিকৈ স্বীকাৰ কৰি ক'লে, "মই খ্ৰীষ্ট নহওঁ।"
২১তেওঁলোকে পুনৰায় সুধিলে, "তেন্তে আপুনিনো
কোন? আপুনি এলিয়ানে?"
যোহনে উত্তৰ দিলে, "মই এলিয়াও নহও।"
তেওঁলোকে কলে, "আপুনি তেন্তে সেই ভাববাদী[h]
জনানে?"
যোহনে উত্তৰ দিলে, "নহওঁ।"
২২তেতিয়া তেওঁলোকে পুনৰায় তেওঁক সুধিলে, "আপুনি
কোন? আমাক বুজাই কওক যাতে আমাক পঠোৱা সকলক
আমি উত্তৰ দিব পাৰো। আপুনি আপোনাৰ নিজৰ বিষয়ে
কি কয়?"
২৩যোহনে, যিচয়া ভাৱবাদীয়ে কোৱা এই কথাৰে উত্তৰ
দিলে:

"মৰুপ্ৰান্তত ৰিঙিওৱা সেই মাত ময়েই;
প্ৰভুৰ নিমিত্তে পথ প্ৰস্তুত কৰা।" *যিচয়া ৪০:৩*

২৪ফৰীচী সকলে পঠিওৱা যিহুদীয় লোকসকলে যোহনক
সুধিলে, ২৫"আপুনি যদি খ্ৰীষ্ট নহয়, এলিয়াও নহয়, এনেকি
সেই ভাৱবাদীও নহয় তেন্তে আপুনি কিয় বাপ্তিস্ম দিয়ে?"
২৬যোহনে উত্তৰত তেওঁলোকক ক'লে, "মই পানীত হে

[a] **১:১ বাক্য** গ্ৰীক ভাষাত "লোগোস" অৰ্থ-যি কোনো ধৰনৰ যোগাযোগ। ইয়াক 'বাৰ্তা বা বাণী বুলিও' অনুবাদ কৰিব পাৰি। ইয়াত বাক্য খ্ৰীষ্টক বুজায় যেনে ধৰনে ঈশ্বৰে জগতক নিজৰ বিষয়ে জনালে। ইয়াৰ লগত ১০, ১৪ আৰু ১৬ পদ মিলাই চাওক।
[b] **১:৫ পোহৰ** ইয়াত খ্ৰীষ্টক বুজায়, সেই বাক্য, যি বাক্যই এই জগতলৈ ঈশ্বৰ বিষয়ক জ্ঞান দান কৰিলে। ইয়াৰ লগত ৭ পদটি মিলাই চাওঁক।
[c] **১:৫ পৰাজয়** অথবা "বুজিব নোৱাৰিলে।"
[d] **১:১৩ ঈশ্বৰৰ পৰা** ঈশ্বৰৰ পৰা মানে ঈশ্বৰৰ আত্মাৰ পৰা।
[e] **১:১৪ মহিমা** ঈশ্বৰ গুণ বুজায়।
[f] **১:১৬ আৰ্শীব্বাদৰ ওপৰি আৰ্শীব্বাদ** আক্ষৰিকভাবে অনুগ্ৰহৰ ওপৰি অনুগ্ৰহ।
[g] **১:১৮** তেওঁৰ একমাত্ৰ … নিজেই ঈশ্বৰ পুৰনি গ্ৰীক লিপিত থকা "এজনা আৰু একমাত্ৰ ঈশ্বৰ" যিটো আন পাঠসমূহৰ সৰ্বোত্তম ব্যাখ্যা। অন্য লিপিত "এজন আৰু একমাত্ৰ পুত্ৰ" আছে।
[h] **১:২১ ভাববাদী** শাস্ত্ৰত ঈশ্বৰে মুচাৰ আন এজন ভাৱবাদী পঠোৱাৰ কথা উল্লেখ আছে। লোকসমুহে হয়তু সেই ভাৱবাদী জনাৰ কথাকে সুধিছিল। দ্বি. বি. ১৮:১৫–১৯ আৰু ২৪ পদ।

বাপ্তিস্ম দিওঁ। কিন্তু আপোনালোকৰ মাজত এজনা আছে,
যি জনাক আপোনালোকে নাজানে। ২৭মোৰ পাছত আহিব
লগাজনা তেৱেঁই। মই তেওঁৰ পাদুকাৰ বান্ধ খুলিবৰো যোগ্য
নহওঁ।”
২৮এই সকলো ঘটিছিল যৰ্দন নৈৰ পাৰত অৱস্থিত
বৈথনীয়া নামৰ নগৰত। যোহনে সেই ঠাইতে লোকসমূহক
বাপ্তিস্ম দি আছিল।

### ঈশ্বৰৰ মেৰ পোৱালি যীচু

২৯পাছদিনাখন যোহনে যীচুক তেওঁৰ ওচৰলৈ অহা দেখি
ক’লে, “ঈশ্বৰৰ মেৰ পোৱালি লৈ চোৱা তেৱেঁই জগতৰ
পাপ মোচন কৰে। ৩০এঁৱেঁই সেই জনা মই যিজনাৰ
বিষয়ে কৈছিলো, ‘মোৰ পাছত এজনা আহি আছে, তেওঁ
মোতকৈও মহান, কাৰণ মোৰ পূৰ্ব্বেও তেওঁ আছিল।’
৩১মই নিজেও তেওঁক জনা নাছিলো; কিন্তু ইস্ৰায়েলৰ
লোকসকলে তেওঁক খ্ৰীষ্ট বুলি যেন চিনি পায় এই হেতুকে
মই আহি বাপ্তিস্ম দি আছিলো।”
৩২–৩৪তাৰ পাছত যোহনে এই সাক্ষ্য দিলে, “খ্ৰীষ্ট কোন
জন ময়ো আগেয়ে জনা নাছিলো। কিন্তু পানীত বাপ্তিস্ম
দিবলৈ যি জনাই মোক পঠালে, তেৱেঁই মোক ক’লে,
‘তুমি দেখিবা, আত্মা নামি আহিছে আৰু এজনাৰ ওপৰত
স্থিতি লৈছে। তেৱেঁই পবিত্ৰ আত্মাত বাপ্তিস্ম দিব।’ মই
দেখিলো যে আকাশৰ পৰা আত্মা কপৌৰ নিছিনাকৈ নামি
আহিল; আৰু যীচুৰ ওপৰত স্থিতি ললে। সেয়েহে মই
প্ৰতিজনকে সাক্ষ্য দিওঁ যে, ‘যীচুৱেই ঈশ্বৰৰ পুত্ৰ।’[a]”

### যীচুৰ প্ৰথম শিষ্য সকল

৩৫তাৰ পাছদিনা যোহন তেওঁৰ দুজন শিষ্যৰ সৈতে পুনৰ
সেই ঠাইলৈ আহিছিল। ৩৬সেই ঠাইৰ কাষেদি যীচুক গৈ
থকা দেখি যোহনে ক’লে, “ঈশ্বৰৰ মেৰ পোৱালিক চোঁৱা।”
৩৭শিষ্য দুজনে তেওঁৰ এই কথা শুনিলে আৰু তেওঁলোক
যীচুৰ অনুসৰন কৰিলে। ৩৮যীচুৱে পাছলৈ ঘূৰি চাই শিষ্য
দুজনে এওঁৰ অনুসৰন কৰা দেখি সুধিলে, “তোমালোকক
কি লাগে?”
তেওঁলোকে ক’লে, “ৰব্বি~আপুনি ক’ত থাকে?”
(“ৰব্বি” অৰ্থাৎ “গুৰু”।)
৩৯যীচুৱে উত্তৰ দিলে, “আহি চোৱাঁহি।” সেই দুজনে
তেওঁৰ লগত গৈ তেওঁৰ থকা ঠাই দেখিলে; আৰু সেই
দিনা তেওঁৰ লগত থাকিলে। তেতিয়া আবেলি চাৰি মান
বাজিছি’ল।
৪০তেওঁলোকৰ এজন চিমোন পিতৰৰ ভায়েক আন্দ্ৰীয়
আছিল। ৪১ইয়াৰ পাছত আন্দ্ৰীয়ই ততালিকে তেওঁৰ
ককায়েক চিমোনক লগ ধৰি ক’লে, “আমি মচীহক (অৰ্থাৎ
“খ্ৰীষ্টক”) পালো।”
৪২তেতিয়া আন্দ্ৰীয়ই চিমোনক যীচুৰ গুৰিলৈ আনিলে।
যীচুৱে তেওঁলৈ চাই ক’লে, “তুমি যোহনৰ পুতেক
চিমোন। তোমাক কেফাচ বুলি মতা যাব।” (এই নামৰ অৰ্থ
“পিতৰ।”[b])
৪৩পাছদিনা যীচুৱে গালীল প্ৰদেশলৈ যাবলৈ স্থিৰ কৰিলে।
তেওঁ ফিলিপক লগ পালে আৰু তেওঁক ক’লে, “মোৰ
পাছে পাছে আহাঁ।” ৪৪ফিলিপ আছিল আন্দ্ৰীয় আৰু পিতৰৰ
বাসভূমি বৈৎচৈদা নগৰৰ লোক। ৪৫পাছত ফিলিপে
নথনেলক লগ পাই ক’লে, “যি জনাৰ বিষয়ে মোচিয়ে
বিধান-শাস্ত্ৰত আৰু ভাৱবাদী সকলেও লিখিছিল, আমি সেই
জনাক পালোঁ। তেওঁ যোচেফৰ পুত্ৰ নাচৰত নিবাসী যীচু।”
৪৬নথনেলে তেওঁক ক’লে, “নাচৰতৰ পৰা কোনো
উত্তম বস্তু ওলাব পাৰে জানো?”
ফিলিপে উত্তৰ দিলে, “আহি নিজে চোৱাঁহি।”
৪৭যীচুৱে নথনেলক তেওঁৰ ফালে অহা দেখি তেওঁৰ
বিষয়ে ক’লে, “চোৱা এজন প্ৰকৃত ইস্ৰায়েলীয়, যাক
তোমালোকে বিশ্বাস কৰিব পাৰা।”[c]
৪৮নথনেলে তেওঁক সুধিলে, “আপুনি কেনেদৰে মোৰ
বিষয়ে জানিলে।”
যীচুৱে উত্তৰ দিলে, “ফিলিপে তোমাক মোৰ বিষয়ে
কোৱাৰ আগেয়ে, মই তোমাক ডিমৰু গছৰ তলত
দেখিছিলো।”
৪৯নথনেলে তেওঁক ক’লে, “ৰব্বি[d] আপুনি ঈশ্বৰৰ পুত্ৰ,
আপুনি ইস্ৰায়েলৰ ৰজা।”
৫০উত্তৰত যীচুৱে তেওঁক ক’লে, “মই তোমাক ডিমৰু
গছৰ তলতে দেখা পাইছিলো বুলি কোৱাৰ কাৰণে তুমি
মোক বিশ্বাস কৰিছানে? তুমি ইয়াতকৈয়ো অনেক মহৎ
কৰ্ম্ম দেখিবা।” ৫১তেওঁ আৰু ক’লে, “মই তোমাক
সচাঁকৈয়ে কৈছো যে তোমালোকে স্বৰ্গ মুকলি হোৱা
দেখিবা আৰু ঈশ্বৰৰ দূত সকল মানৱ পুত্ৰৰ ওপৰত উঠা
নমা কৰা দেখিবা।”[e]

### কান্না নগৰৰ বিবাহ

২ ১তৃতীয় দিনা গালীলৰ কান্না নগৰত এখন বিয়া আছিল।
যীচুৰ মাতৃও তাতে উপস্থিত আছিল। ২সেই বিয়ালৈ
যীচু আৰু তেওঁৰ শিষ্য সকলকো নিমন্ত্ৰণ কৰা হৈছিল।
৩যেতিয়া দ্ৰাক্ষাৰস[f] শেষ হ’ল যীচুৰ মাতৃয়ে তেওঁক কলে,
“তেওঁলোকৰ দ্ৰাক্ষাৰস শেষ হ’ল।”

[a] **১:৩২–৩৪ যীচু ঈশ্বৰৰ পুত্ৰ** বেচিভাগ গ্ৰীক লিপিত এই শব্দ আছে কিন্তু কিছু প্ৰাচীন লিপিত তেওঁ ঈশ্বৰৰ মনোনীত জন বুলি আছে।

[b] **১:৪২ পিতৰ** গ্ৰীক নাম “পিতৰ” আৰু ইব্ৰী নাম “কেফাচ” অৰ্থ “শিল”।

[c] **১:৪৭ যাক তোমালোকে বিশ্বাস কৰিব পাৰা** আক্ষৰিকভাবে “যি জনত কোনো অসত্য নাই।” পুৰনি নিয়মত ইস্ৰায়েলৰ আন নাম, যাকোব, ইয়াৰ অৰ্থ “মিছলীয়া” অথবা “কপটতা” যাৰে তেওঁক জনা যায়। (আদি: ২৭:৩৫, ৩৬)

[d] **১:৪৯ ৰব্বি** গুৰু, মহাশয় নহয়।

[e] **১:৫১** উদ্ধৃত আদি পুস্তক ২৮:১২

[f] **২:৩ দ্ৰাক্ষাৰস** আঙুৰৰ ৰসেৰে প্ৰস্তুত কৰা পাৰম্পৰিক লঘু পেয় দ্ৰব্য। অধিক মাত্ৰাত পান কৰিলে নিচাও হব পাৰে।

৪যীচুৱে তেওঁক কলে, "হে নাৰী,[a] আপুনি এইটো মোক
কিয় কৈছে? মোৰ কাম কৰাৰ সময় এতিয়াও অহা নাই।"
৫তেতিয়া যীচুৰ মাকে চাকৰইঁতক ক'লে, "এওঁ
তোমালোকক যিহকে কয়, তাকে কৰিবা।"
৬সেই ঠাইত আঁশীৰ পৰা এশ বিশ লিটাৰ পানী ধৰা
ছটা শিলৰ মঠীয়া আছিল। এনেবোৰ মঠীয়া যিহুদী সকলে
আনুষ্ঠানিক ভাৱে ধোৱলৈ ব্যৱহাৰ কৰিছিল।[b]
৭যীচুৱে চাকৰইঁতক ক'লে, "এই মঠীয়া কেইটা পানীৰে
পূৰ কৰা।" তেওঁলোকে সেইবোৰ কাণলৈকে পূৰ কৰিলে।
৮তেতিয়া যীচুৱে তেওঁলোকক ক'লে, "এতিয়া ইয়াৰ
পৰা কিছু লৈ ভোজৰ বিষয়াৰ ওচৰলৈ নিয়া।"
তেওঁলোকে তাকেই কৰিলে। ৯ভোজৰ বিষয়াই,
দ্ৰাক্ষাৰসলৈ পৰিবৰ্ত্তিত হোৱা সেই পানী চাকি চালে; কিন্তু
সেইয়া কৰ পৰা আহিল তাক তেওঁ নাজানিলে। (কিন্তু পানী
ভৰোৱা চাকৰ কেইজনে জানিছিল।) তেতিয়া ভোজৰ
বিষয়াই দৰাক মাতি ক'লে, ১০"প্ৰত্যেকে প্ৰথমতে উত্তম
দ্ৰাক্ষাৰস দিয়ে, আৰু অতিথিসকলে যথেষ্ট পৰিমানে পান
কৰাৰ পাছত নৰম বিধ দিয়ে। কিন্তু আপুনি এতিয়ালৈকেও
উত্তম দ্ৰাক্ষাৰসেই দিলে।"
১১এইয়া আছিল যীচুৰ প্ৰথম অলৌকিক চিন। গালীলৰ
কান্না নগৰত তেওঁ এই আলৌকিক কৰ্ম্ম কৰিছিল। এই দৰে
তেওঁ নিজ মহিমা প্ৰকাশ কৰিলে আৰু তেওঁৰ শিষ্য সকলে
তেওঁত বিশ্বাস কৰিলে।
১২ইয়াৰ পাছত যীচুৱে তেওঁৰ মাক, ভায়েক সকল আৰু
শিষ্য সকলৰ সৈতে কফৰনাহুমলৈ গ'ল আৰু কিছু দিন
তেওঁলোকে তাতে থাকিল।

## মন্দিৰত যীচু

*(মথি ২১:১২–১৩; মাৰ্ক ১১:১৫–১৭; লূক ১৯:৪৫–৪৬)*

১৩যিহূদীসকলৰ নিস্তাৰপৰ্ব্ব ওচৰ চাপিলত যীচুৱে
জেৰুচালেমলৈ যাত্ৰা কৰিলে। ১৪তেওঁ, মন্দিৰৰ প্ৰাঙ্গনত
কিছু লোকক গৰু, মেৰ-ছাগ আৰু পাৰ চৰাই বেচি থকা
আৰু ধন বিনিময় কৰা লোকসকলক এখন এখন মেজলৈ
বহি থকা দেখিলে। ১৫সেয়েহে যীচুৱে জৰী এডালেৰে চাবুক
প্ৰস্তুত কৰি, মেৰ-ছাগ গৰু আদিয়ে সৈতে, সকলো ব্যক্তিকে
মন্দিৰৰ প্ৰাঙ্গনৰ পৰা খেদি পঠিয়ালে। তেওঁ ধন বিনিময় কৰা
সকলৰ মুদ্ৰাসমূহ চতিয়াই দি, মেজবোৰ লুটিয়াই পেলালে।
১৬তেওঁ পাৰ চৰাই বেচোতা সকলক ক'লে, "এই সকলো
বোৰ ইয়াৰ পৰা এতিয়াই লৈ যোৱা। মোৰ পিতৃৰ গৃহক
তোমালোকে বেহা-বেপাৰৰ ঠাই নকৰিবা।"
১৭যেতিয়া এই সকলো ঘটিল, তেতিয়া শাস্ত্ৰত কোৱা এই
কথা শিষ্য সকলৰ মনত পৰিল:

"তোমাৰ গৃহৰ প্ৰতি মোৰ যি হাবিয়াহ; সেয়ে মোক
গ্ৰাহ কৰিব।" *গীতমালা ৬৯:৯*

১৮ইয়াৰ প্ৰত্যুত্তৰত যিহুদী নেতা সকলে তেওঁক ক'লে,
"এই সকলো কৰাৰ যে আপোনাৰ অধিকাৰ আছে তাৰ
প্ৰমান স্বৰূপে আপুনি আমাক কি অলৌকিক চিন দেখুৱাব
খোজে?"
১৯যীচুৱে ক'লে, "তোমালোকে এই মন্দিৰ ভাঙি দিয়া
আৰু মই তিনি দিনৰ ভিতৰত পুনৰায় সাজিম।"
২০যিহুদীসকলে ক'লে, "এই মন্দিৰ নিৰ্ম্মান কৰোতে
ছয়-চল্লিশ বছৰ লাগিছিল আৰু আপুনি ইয়াক তিনি দিনৰ
ভিতৰতে পুনৰ সাজিব পাৰিবনে?"
২১কিন্তু যীচুৱে যি মন্দিৰৰ বিষয়ে কৈছিল সেয়া তেওঁৰ
শৰীৰৰ কথাহে কৈছিল। ২২যীচু মৃত্যুৰ পৰা পুনৰুত্থিত হলত
তেওঁ কোৱা এই সকলো কথা শিষ্য সকলৰ মনত পৰিল
আৰু তেওঁলোকে যীচুৰ বাক্যত বিশ্বাস কৰিলে।

## যীচুৱে মানুহৰ মনৰ ভাৱ জানে

২৩নিস্তাৰ পৰ্ব্বৰ কাৰনে যীচু জেৰুচালেমতে থাকিল। তেওঁ
কৰা অলৌকিক চিনবোৰ দেখি অনেকে তেওঁত বিশ্বাস
কৰিলে। ২৪কিন্তু যীচুৱে তেওঁলোকৰ ওপৰত কোনো
ধৰণৰ আস্থা নাৰাখিলে। কাৰণ তেওঁ সকলো লোকৰ
স্বভাৱ ভালদৰে জানিছিল। ২৫যীচুৰ কোনো লোকৰ বিষয়ে
কাৰোবাৰ জৰিয়তে জনাৰ প্ৰয়োজন নাছিল, কাৰণ মানুহৰ
অন্তৰত কি আছে তাক তেওঁ আগেয়ে জানিছিল।

## যীচু আৰু নিকদিম

৩ ১ফৰীচী সকলৰ মাজত নিকদীম নামে এজন যিহুদী
নেতা আছিল। ২এবাৰ ৰাতি তেওঁ যীচুৰ ওচৰলৈ গৈ
তেওঁক ক'লে, "হে গুৰু আমি জানো যে আপুনি এজন
ঈশ্বৰে পঠোৱা শিক্ষক। কাৰণ আপুনি যি সকলো অলৌকিক
কৰ্ম্ম কৰিছে, ঈশ্বৰ সঙ্গী নহলে, তেনে কৰ্ম্ম কোনেও কৰিব
নোৱাৰে।"
৩ইয়াৰ প্ৰত্যুত্তৰত যীচুৱে তেওঁলোকক ক'লে, "মই
তোমাক এটি সত্য কথা কওঁ প্ৰত্যেকেই পুনৰ জন্ম গ্ৰহন
কৰিব লাগিব। নতুনকৈ জন্ম[c] নাপালে, কোনেও ঈশ্বৰৰ
ৰাজ্যত প্ৰৱেশ কৰিব নোৱাৰে।"
৪নিকদীমে তেওঁক ক'লে, "মানুহ বয়স প্ৰাপ্ত হলে,
কেনেকৈ তেওঁৰ পুনৰ জন্ম হব পাৰে? তেওঁ মাতৃৰ গৰ্ভত
প্ৰৱেশ কৰি, দ্বিতীয়বাৰৰ বাবে জন্ম লবনেকি?"

[a] **২:৪ নাৰী** লিখকে "নাৰী" শব্দটি ব্যৱহাৰ কৰিছে। কোনো মহিলাক সম্মানপূৰ্ব্বক ভাৱে সম্বোধন (তেওঁলোকে) এইদৰে কৰিছিল। সেয়েহে ইয়াত (অসমীয়াত) নাৰী শব্দটি ব্যৱহাৰ কৰা হৈছে।

[b] **২:৬ এনেবোৰ মঠীয়া … কৰিছিল** আনুষ্ঠানিক ভাৱে হাত ধোৱা-যিহুদী সকলৰ ধৰ্মীয় ৰীতিমতে খোৱাৰ আগত হাত ধোৱা পৰম্পৰাগত প্ৰথা আছিল, মন্দিৰত আৰাধনা কৰাৰ আগতে আৰু আন আন বিশেষ সময়ত। (২০ বা ৩০ গেলন প্ৰায় ৮০ ৰ পৰা ১২০ লিটাৰ হয়।)

[c] **৩:৩ নতুন জন্ম** ৭ পদত এনেদৰে অনুবাদ কৰিব পাৰি "ওপৰৰ পৰা হোৱা জন্ম।"

৫যীচুৱে উত্তৰ দিলে, “মই তোমাক সচাঁকৈয়ে কৈছো,
প্ৰত্যেকে জল আৰু আত্মাৰ পৰা জন্ম লব লাগিব। জল
আৰু আত্মাত জন্ম নাপালে কোনেও ঈশ্বৰৰ ৰাজ্যত প্ৰবেশ
কৰিব নোৱাৰে। ৬মানৱ পিতৃ-মাতৃৰ পৰা পোৱা জীৱন মাত্ৰ
শাৰীৰিক জীৱন হে। কিন্তু আত্মাৰ পৰা যি নতুন জীৱন পাবা
সেয়া হৈছে আধ্যাত্মিক জীৱন। ৭‘তোমালোক সকলোৱে
পুনৰ জন্ম হোৱা নিতান্ত প্ৰয়োজন’ বুলি কোৱা কথাত
তুমি আচৰিত নহবা। ৮বায়ুয়ে যি দিশলৈ ইচ্ছা কৰে সেই
দিশলৈ বয়, তুমি মাত্ৰ তাৰ শব্দ শুনিবলৈ পোৱা; কিন্তু ই
কৰপৰা আহে আৰু কলৈ যায়, তাক তুমি নাজানা। সেই
দৰে আত্মাত জন্ম লাভ কৰা প্ৰতিজন ব্যক্তিৰে তেনে হয়।”
৯নিকদীমে সুধিলে “এইয়া কেনেকৈ সম্ভৱ?”
১০যীচুৱে উত্তৰ দিলে “তুমি ইস্ৰায়েলৰ এজন অধ্যাপক
হৈয়ো এইবোৰ কথা নাজানানে? ১১মই সঁচাকৈয়ে কৈছো,
আমি যি জানো, তাকেহে কওঁ, আৰু যি দেখিলো তাৰে
সাক্ষ্য দিওঁ, তথাপি তোমালোকে আমাৰ সাক্ষ্য গ্ৰহন
নকৰা। ১২মই তোমালোকক পাৰ্থিৱ বিষয়ৰ কথা ক’লে,
তোমালোকে বিশ্বাস নকৰা। যদিহে মই স্বৰ্গৰ বিষয়ে কওঁ
তেতিয়া তোমালোকে কেনেকৈ বিশ্বাস কৰিবা? ১৩স্বৰ্গৰ
পৰা নামি অহা মানৱ পুত্ৰৰ বাহিৰে, কোনেও কেতিয়াও
স্বৰ্গলৈ উঠা নাই।
১৪“মোচিয়ে, মৰু প্ৰান্তত যেনেকৈ সাপ এডাল তুলিছিল[a]
সেই দৰে মানৱপুত্ৰকো ওপৰলৈ তোলা হ’ব। ১৫যাতে
তেওঁত বিশ্বাস কৰা প্ৰত্যেকে অনন্ত জীৱন পায়।”[b]
১৬কাৰণ ঈশ্বৰে জগতক ইমান প্ৰেম কৰিলে যে, তেওঁৰ
একমাত্ৰ পুত্ৰক দান দিলে, যাতে যিজনেই তেওঁক বিশ্বাস
কৰে, তেওঁ বিনষ্ট নহয় কিন্তু অনন্ত জীৱন পায়। ১৭কাৰণ
জগতক বিচাৰ কৰিবলৈ ঈশ্বৰে তেওঁৰ পুত্ৰক পঠোৱা নাছিল,
বৰং জগতে তেওঁৰ দ্বাৰায় যেন মুক্তি পায় এই নিমিত্তেহে
ঈশ্বৰে তেওঁক পঠাইছিল। ১৮ঈশ্বৰৰ পুত্ৰত বিশ্বাস কৰা
জনৰ সোধ-বিচাৰ কৰা নহয়। কিন্তু ঈশ্বৰৰ পুত্ৰত বিশ্বাস
নকৰা জনকহে দোষী সাব্যস্ত কৰা হয় কাৰণ তেওঁ ঈশ্বৰৰ
একমাত্ৰ পুত্ৰক বিশ্বাস নকৰিলে। ১৯আৰু এয়ে বিচাৰৰ
ভিত্তি: জগতলৈ পোহৰ আহিছিল, কিন্তু পোহৰৰ পৰিৱৰ্তে
মানুহে আন্ধাৰকহে প্ৰেম কৰিলে। কাৰণ তেওঁলোকৰ কৰ্ম্ম
মন্দ আছিল। ২০মন্দ কৰ্ম্ম কৰা লোকসকলে পোহৰক ঘৃণা
কৰিছিল তেওঁলোকে পোহৰলৈ আহিব বিচৰা নাছিল।
কিয়নো তেওঁলোকে ভয় খাইছিল যে পোহৰে তেওঁলোকে
কৰা মন্দ কৰ্ম্ম সকলোৰে আগত প্ৰকাশ কৰি দিব। ২১কিন্তু
যি কোনোৱে সত্যক অনুসৰন কৰেপোহৰলৈ আহে,
তেতিয়া তেওঁলোকৰ কৰ্ম্ম যে ঈশ্বৰৰ যোগেদিহে হৈছে,
ইয়াক পোহৰে স্পষ্টকৈ দেখুৱাই।

### যীচু আৰু যোহন বাপ্তাইজক

২২ইয়াৰ পাচত যীচু, তেওঁৰ শিষ্য সকলৰ সৈতে যিহুদীয়াত
কিছু কাল থাকি বাপ্তিস্ম দি আছিল। ২৩যোহনেও চালীমৰ
ওচৰত থকা ঐনোন নামৰ ঠাইত বাপ্তিস্ম দি আছিল, কাৰণ
তাত প্ৰচুৰ পানী আছিল আৰু লোক সমুহেও তালৈ বাপ্তিস্ম
লবলৈ আহিছিল। ২৪তেতিয়ালৈকে যোহনক বন্দীশালত
থোৱা নাছিল।
২৫সেই সময়ত যিহুদী সকলৰ ৰীতি অনুহাৰে শুচি কৰা
সম্পৰ্কত যোহনৰ কেইজনমান শিষ্যৰে সৈতে এজন
যিহুদীলোকৰ তৰ্ক-বিতৰ্ক লাগিল। ২৬তেওঁলোকে যোহনৰ
গুৰিলৈ আহি ক’লে, “হে গুৰু, আপোনাৰ মনত আছেনে,
যি জন ব্যক্তি আপোনাৰ লগত যৰ্দনৰ সিপাৰে আছিল যাৰ
বিষয়ে আপুনি সাক্ষ্য দিছিল, এতিয়া তেওঁ বাপ্তিস্ম দিছে
আৰু সকলো মানুহ তেওঁৰ ওচৰলৈ গৈছে।”
২৭ইয়াৰ উত্তৰত যোহনে ক’লে, “ঈশ্বৰে নিদিয়ালৈকে
কোনেও একো লাভ কৰিব নোৱাৰে। ২৮মই তোমালোকক
যে কৈছিলো, ‘মই মচীহ নহওঁ, কিন্তু তেওঁৰ বাবে বাট
প্ৰস্তুত কৰিবলৈ পঠোৱা জন হে, এই কথাৰ তোমালোক
সকলোৱেই মোৰ সাক্ষী।’ ২৯তেওঁ এতিয়া ইয়াত উপস্হিত,
মই অতি আনন্দিত। বিবাহত দৰাৰ সখিয়েকে দৰাৰ কাষত
থাকি, তেওঁৰ বাবে সকলো যুগুত কৰি দিয়ে। কিন্তু কন্যা
বন্ধুসকলৰ বাবে নহয় তেওঁ দৰাৰ বাবেহে হয়, বন্ধুৱে দৰাই
যি বিচাৰে সেই সকলো কৰিবলৈ সুখী হয়। ৩০তেঁওৰ
প্ৰাধান্যতা দিনে দিনে বাঢি যাওক আৰু মোৰ প্ৰাধান্য কম
হওক।[c]

### স্বৰ্গৰ পৰা অহা জন

৩১“স্বৰ্গৰ পৰা নামি অহাজন সৰ্ব্বশ্ৰেষ্ট। যিজন পৃথিৱীৰ পৰা
হয় তেওঁ পাৰ্থিৱ, আৰু তেওঁ পৃথিৱীৰ কথাহে কয়। কিন্তু
স্বৰ্গৰ পৰা নমা জন সকলোৰে ওপৰত। ৩২তেওঁ যি দেখিছে
আৰু শুনিছে তাৰে সাক্ষ্য দিয়ে; তথাপি কোনেও তেওঁৰ
বাক্য গ্ৰহন কৰিবলৈ ইচ্ছুক নহয়। ৩৩কিন্তু যিসকলে তেওঁৰ
সাক্ষ্য গ্ৰহন কৰে, তাৰ দ্বাৰাই ঈশ্বৰ যে সত্য, ইয়াক প্ৰমাণিত
কৰে ৩৪যি জনক ঈশ্বৰে পঠাইছে, তেওঁ ঈশ্বৰৰ বাক্য
কয়, কাৰণ ঈশ্বৰে তেওঁক পবিত্ৰ আত্মাৰে পৰিপূৰ্ন কৰে।
৩৫পিতৃয়ে তেওঁৰ পুত্ৰক মৰম কৰে আৰু সকলোৰে ওপৰত
অধিকাৰ প্ৰদান কৰিছে। ৩৬যি কোনোৱে পুত্ৰক বিশ্বাস কৰিব
তেওঁ অনন্ত জীৱন পাব। কিন্তু যি সকলে পুত্ৰক মানি নচলে
তেওঁলোকে সেই জীৱন নাপায় আৰু তেওঁলোকে ঈশ্বৰৰ
ক্ৰোধৰ পৰা কেতিয়াও সাৰিব নোৱাৰে।”

[a] **৩:১৪ মোচিয়ে … তোলিছিল** যেতিয়া সৰ্পৰ দংশনত ঈশ্বৰৰ মানুহবিলাক মৃত্যু হৈ আছিল, তেতিয়া ঈশ্বৰে মোচিক এডাল পিতলৰ সাপ এডাৰ লাখুটিৰ ওপৰত থিয় কৰিবলৈ কলে যাতে তেওঁলোকে তালৈ দৃষ্টি কৰি সুস্থতা পায়। গণনা ২১:৪–৯

[b] **৩:১৫** কিছুমান পণ্ডিতে ভাবে যে নিকদীমে সৈত্যে হোৱা যীচুৰ কথোপকথন ২১ পদলৈকে অব্যাহত আছে।

[c] **৩:৩০** কিছুমান পণ্ডিত ভাবে যে যোহন বাপ্তাইজকৰ কথা ৩০ পদতেই শেষ হৈছে বাকী ৩১–৩৬ পদসমূহ লিখকৰ মন্তব্য।

### যীচু আৰু এগৰাকী চমৰীয়া মহিলাৰ কথোপকথন

4 ১ফৰীচী সকলে শুনিলে যে যীচুৱে যোহনতকৈ
অধিক শিষ্য গোটাইছে আৰু বাপ্তিস্ম দিছে। ২(যদিও
প্ৰকৃততে যীচুৱে নিজে কাকো বাপ্তিস্ম দিয়া নাছিল বৰং
তেওঁৰ শিষ্য সকলেহে দিছিল), ৩যেতিয়া যীচুৱে তেওঁৰ
বিষয়ে কি কোৱা হৈছে শুনিলে তেওঁ যিহুদীয়া এৰি গালীল
প্ৰদেশলৈ পুনৰ উভতি গল। ৪গালীললৈ যাওঁতে এইবাৰ
তেওঁ চমৰীয়া প্ৰদেশহৈ যাত্ৰা কৰিলে।
৫যীচু আহি তেওঁ চমৰীয়াত চুখৰ নামৰ এখন নগৰত
উপস্থিত হলহি। এই নগৰ যাকোবে,[a] তেওঁৰ পুত্ৰ যোচেফক
দিয়া মাটি ডোখৰৰ ওচৰত আছিল। ৬সেই ঠাইতে যাকোবৰ
নাদ আছিল। যীচুৱে আহি সেই নাদৰ দাঁতিতে বহিল;
কিয়নো যাত্ৰা কৰি তেওঁ ভাগৰি পৰিছিল। তেতিয়া প্ৰায় ভৰ
দুপৰীয়া আছিল। ৭সেই সময়ত এগৰাকী চমৰীয়া মহিলা[b]
পানী তুলিবলৈ আহিল। যীচুৱে তেওঁক কলে, “অনুগ্ৰহ কৰি
মোক অলপ পানী খাবলৈ দিয়া।” ৮(সেই সময়ত যীচুৰ
শিষ্যসকলে খোৱা-বস্তু কিনিবলৈ নগৰলৈ গৈছিল।)
৯মহিলা গৰাকীয়ে উত্তৰ দিলে, “আপুনি যিহূদী হয়ো
মোৰ হাতে পানী খাব খুজিছে নে?” আপুনি এগৰাকী
যিহুদী আৰু মই এগৰাকী চমৰীয়া তিৰোতা (যিহূদীসকলে
চমৰীয়ালোকৰ সৈতে কোনোধৰনৰ লেন-দেন নকৰিছিল।)
১০যীচুৱে উত্তৰ দিলে, “তুমি যদি জনাহেঁতেন, ঈশ্বৰে
তোমাক কি দিব বিচাৰে আৰু তোমাক পানী খোজা জন
কোন, তেনেহলে তুমি তেওঁক খুজিলাহেঁতেন আৰু তেওঁ
তোমাক জীৱনদায়ক পানী[c] দিলেহেঁতেন।”
১১মহিলা গৰাকীৱে ক’লে, “হে মহাশয় পানী তুলিবলৈ
আপোনাৰ কোনো পাত্ৰ নাই, আৰু নাদো দ, এনেতে সেই
জীৱন দায়ক পানী আপুনি কেনেকৈ পাব? ১২আপুনি আমাৰ
পূৰ্ব্বপুৰুষ যাকোৱতকৈ মহান নেকি? যিজনে আমাক
এই নাদ দি গৈছে! তেওঁৰ সন্তান সকলৰ লগত তেওঁৰ
জন্তুবোৰেও এই নাদৰ পৰা পানী খাইছিল।”
১৩যীচুৱে তেওঁক উত্তৰ দিলে, “যি কোনোৱে এই পানী
খায় তেওঁৰ আকৌ পিয়াহ লাগিব; ১৪কিন্তু মই যি পানী দিম,
তাক যি কোনোৱে খায়, তেওঁলোকৰ কেতিয়াও পিয়াহ
নালাগিব; বৰং সেই পানী তেওঁলোকৰ অন্তৰত বৈ থকা
ভুমুক স্বৰূপ হ’ব, যাৰ দ্বাৰাই তেওঁ অনন্ত জীৱন লাভ কৰিব।”
১৫মহিলা গৰাকীয়ে যীচুক ক’লে, “হে মহাশয় অনুগ্ৰহ
কৰি মোক সেই জীৱনময় পানী দিয়ক যাতে মোৰ কেতিয়াও
পিয়াহ নালাগে, আৰু মই পানী তুলিবলৈ আহিব লগা নহয়।”
১৬যীচুৱে তাইক ক’লে, “যোৱা তোমাৰ স্বামীক মাতি
লৈ আহা।”
১৭মানুহগৰাকীয়ে উত্তৰ দি ক’লে, “মোৰ স্বামী নাই।”
যীচুৱে কলে, “মোৰ স্বামী নাই বুলি তুমি ঠিকেই ক’লা;
১৮কাৰণ তোমাৰ পাঁচজন স্বামী আছিল, আৰু বৰ্ত্তমান তুমি
যি জনৰ লগত আছা, তেওঁ আচলতে তোমাৰ স্বামী নহয়।”
১৯মহিলা গৰাকীয়ে যীচুক কলে, “মহাশয়, (মই) দেখিছো,
আপুনি এজন ভাৱবাদী! ২০আমাৰ পূৰ্ব্বপুৰুষ সকলে এই
পৰ্ব্বতত উপাসনা কৰিছিল। কিন্তু আপোনালোকে, যিহূদী
সকলে কয়, ‘ঈশ্বৰৰ উপাসনা কৰা স্থল জেৰুচালেম হে।”
২১যীচুৱে তেওঁক ক’লে, “হে নাৰী, মোত বিশ্বাস কৰা,
এনে সময় আহিছে যেতিয়া তোমালোকে এই পৰ্ব্বতত
নতুবা জেৰুচালেমতো পিতৃ ঈশ্বৰৰ উপাসনা নকৰিবা।
২২তোমালোকে চমৰীয়া সকলে দৰাচলতে যিহক
উপাসনা কৰা তাক তোমালোকে নাজানা। আমি যিহূদী
সকলে যাৰ উপাসনা কৰে তাক আমি জানো; কাৰণ
যিহূদীসকলৰ যোগেদিয়েএই জগতলৈ পৰিত্ৰাণৰ পথ
আহিল। ২৩কিন্তু এটা সময় আহিছে, আনকি এতিয়াৰ
পৰাই হৈছে, যেতিয়া প্ৰকৃত ভকত সকলে আত্মাৰে আৰু
সত্যেৰে পিতৃ-পৰমেশ্বৰৰ আৰাধনা কৰিব। কাৰণ পিতৃ-
পৰমেশ্বৰে তেনেকোৱা ভকত সকলকহে বিচাৰে। ২৪ঈশ্বৰ
আত্মা, গতিকে তেওঁৰ উপাসনা কৰা সকলে আত্মাৰে আৰু
সত্যেৰে উপাসনা কৰা উচিত।”
২৫মানুহ গৰাকীয়ে ক’লে, “মচীহ (যিজনক খ্ৰীষ্ট বোলা
হয়) তেওঁ যে আহিব মই জানো। তেওঁ আহিলে, আমাক
সকলো কথা জনাব।”
২৬যীচুৱে তাইক ক’লে, “তোমাৰ সৈতে কথা-বাৰ্তা
হোৱা জন “ময়েই” আহিব লগা সেই মচীহ।”
২৭এনেতে তেওঁৰ শিষ্যসকলে ঘূৰি আহি, তেওঁক
এগৰাকী মহিলাৰ লগত কথা-বাৰ্ত্তা হোৱা দেখি আচৰিত
হল, যদিও কোনেও তেওঁক প্ৰশ্ন নকৰিলে, “আপুনি কি
বিচাৰিছে নতুবা কিয় তেওঁৰে সৈতে আপুনি কথা-বাৰ্ত্তা
হৈছে।”
২৮মহিলা গৰাকীয়ে তেওঁৰ কলহ তাতে এৰি থৈ, নগৰলৈ
গৈ লোসকলক ক’লে, ২৯“ইয়াত এজন মানুহ আছে, যি
জনে মই মোৰ জীৱনত কৰা সকলো কৰ্ম্মৰ বিষয়ে ক’লে।
আপোনালোকে আহি তেওঁক চাওঁকহি; হয়তু তেঁৱেই
মচীহ হব পাৰে?” ৩০তেতিয়া লোক সমূহে নগৰৰ পৰা
ওলাই যীচুক চাবলৈ আহিল।
৩১যেতিয়া মহিলা গৰাকী নগৰলৈ গৈছিল সেই সময়ত
যীচুৰ শিষ্যসকলে তেওঁক মিনতি কৰি ক’লে, “হে গুৰু
আপুনি কিছু আহাৰ কৰক।”
৩২যীচুৱে তেওঁলোকক ক’লে, “মোৰ খাবলৈ এনে
আহাৰ আছে যাৰ বিষয়ে তোমালোকে একো নাজানা।”

[a] *৪:৫* **যাকোবে** ইস্ৰায়েল সকলৰ আদি পিতৃ পোন্ধৰশ বছৰৰ আগতে এই মাটি ভোকৰ তেওঁৰ পুত্ৰ যোচেফক দিছিল। পুৰনি নিয়মত আদিপুস্তক ৩৩:১৯ আৰু যিহোচুৱা ২৪:৩২ উল্লেখ আছে।

[b] *৪:৭* **চমৰীয়া মহিলাসকল** নতুন নিয়মৰ সময়ত চমৰীয়াত বাস কৰা সকল যিহুদীয়াৰ যিহুদী সকলৰ অংশ যি সকলে মোচীৰ ব্যৱস্থা মানি চলিছিল। কিন্তু যিহুদীয়াৰ যিহুদী সকলে তেওঁলোকক ইস্ৰায়েলৰ প্ৰকৃত বংশধৰ বুলি কেতিয়াও গ্ৰহণ কৰা নাছিল।

[c] *৪:১০* **জীৱনদায়ক পানী** মহিলা গৰাকীয়ে যীচুক ভুল বুজিছিল যে যীচুৱে সাধাৰন পানীৰ কথাহে কৈছে বুলি যেনেকৈ কোনোৱা সোঁত বা নিজৰাৰ পানী। কিন্তু যীচুৱে পানীক প্ৰতীক আকাষে ব্যৱহাৰ কৰি পৱিত্ৰ আত্মাৰ কথা কৈছিল যিয়ে মানুহক অনন্ত জীৱন দিয়ে। যোহন ৩:৫, ৭; ৩৭–৩৯

৩৩এই কথা শুনি তেওঁৰ শিষ্যসকলে ইজনে সিজনক প্ৰশ্ন কৰি ক'লে, "কোনোবাই তেওঁক খোৱা বস্তু আনি দিয়া নাইতো?"

৩৪যীচুৱে তেওঁলোকক ক'লে, "মোক পঠোৱা জনাৰ ইচ্ছা পূৰ্ন কৰা আৰু তেওঁ দিয়া কৰ্ম্ম সিদ্ধ কৰাই হ'ল মোৰ আহাৰ। ৩৫শস্য ৰোৱাৰ পাচত, তোমালোকে প্ৰায়ে কোৱা 'আৰু চাৰিমাহ, তাৰ পাছত শস্য চপোৱা সময়।' মই তোমালোকক কওঁ, চকু তুলি পথাৰলৈ চোঁৱা, শস্য পকি দাবৰ উপযোগী হৈ আছে। ৩৬যি জনে শস্য দায় তেওঁ মজুৰি পায়, আৰু অনন্ত জীৱনলৈ বিশ্বাস কৰা মানুহৰূপী শস্য চপায়। সেয়েহে এতিয়া শস্য ৰোওঁতা আৰু দাওঁতা উভয়ে একেলগে আনন্দ লাভ কৰে ৩৭'এজনে ৰোঁৱে, আনজনে দায়' এই উক্তি সত্য।' ৩৮মই তোমালোকক এনে শস্য দাবলৈ পঠাইছো যিহতে তোমালোকে শ্ৰম কৰা নাই। আনে শ্ৰম কৰিলে আৰু তোমালোকে তেওঁলোকৰ শ্ৰমৰ ফল লাভ কৰিছা।"

৩৯তিৰোতা গৰাকীৰ সাক্ষ্য, অৰ্থাৎ মই কৰা সকলো কৰ্ম্মৰ কথা তেওঁ মোক ক'লে, "এই কথা শুনি সেই নগৰৰ বহুতো চমৰীয়া লোকে যীচুক বিশ্বাস কৰিলে।" ৪০চমৰীয়া লোক সকলে তেওঁৰ ওচৰলৈ আহি, যীচুক তেওঁলোকৰ লগত থাকিবলৈ অনুৰুধ কৰিলে। সেয়েহে যীচু তাত দুদিন থাকিল। ৪১তেওঁৰ উপদেশ শুনি আৰু বহুলোকে তেওঁত বিশ্বাস কৰিলে।

৪২পাছত তেওঁলোকে তিৰোতা গৰাকীক ক'লে, "প্ৰথমতে তোমাৰ কথাৰ বাবে আমি তেওঁত বিশ্বাস কৰিছিলো, কিন্তু (এতিয়া) আমি নিজেই তেওঁৰ শিক্ষা শুনিবলৈ পালো আৰু আমি জানিলো যে সচাঁকৈয়ে এওঁ জগতৰ ত্ৰাণকৰ্ত্তা।"

## যীচুৱে এজন ৰাজকৰ্ম্মচাৰীৰ পুতেকক সুস্থ কৰা

*(মথি ৮:৫–১৩; লূক ৭:১–১০)*

৪৩দুদিনৰ পাছত তেওঁ চিখৰ নগৰ এৰি গালীললৈ গ'ল। ৪৪(কাৰণ যীচুৱে নিজেই কৈছিল, ভাৱবাদীয়ে নিজ দেশত সন্মান নাপায়।) ৪৫গালীল প্ৰদেশ পালত লোসকলে যীচুক আদৰিলে; কাৰণ তেওঁলোকে নিস্তাৰ পৰ্ব্বৰ সময়ত তেওঁ জেৰুচালেমত কৰা সকলো কৰ্ম্ম দেখিছিল (যিহেতু পৰ্ব্বৰ সময়ত তেওঁলোকে তালৈ গৈছিল)।

৪৬পাছে যীচুৱে পুনৰ গালীলৰ কান্না নগৰলৈ গ'ল, যত তেওঁ পানীক দ্ৰাক্ষাৰসলৈ ৰূপান্তৰীত কৰিছিল। সেই সময়ত কফৰনাহূম নগৰত এজন ৰাজ-কৰ্ম্মচাৰীৰ পুতেক নৰিয়াত পৰি আছিল। ৪৭যেতিয়া ৰাজ-কৰ্ম্মচাৰী জনে শুনিলে যে যীচু যিৰুচালেম এৰি গালীললৈ আহিল, তেওঁ যীচুৰ ওচৰলৈ আহি মিনতি কৰিলে যাতে তেওঁ কফৰনাহূমলৈ আহি, তেওঁৰ লৰাটিক সুস্থ কৰে। কাৰণ তেওঁৰ লৰাটি মৃত প্ৰায় অৱস্থাত আছিল। ৪৮যীচুৱে ক'লে, "তোমালোকে অলৌকিক্ চিন আৰু বিস্ময় জনক কৰ্ম্ম নেদেখালৈকে, মোত বিশ্বাস নকৰা।"

৪৯ৰাজ-কৰ্ম্মচাৰী জনে তেওঁক ক'লে, "হে মহাশয় লৰাটি নমৰোতেই মোৰ ঘৰলৈ আহক।"

৫০যীচুৱে উত্তৰ দিলে, "ঘৰলৈ যোৱা, তোমাৰ লৰাটি বাচিব।"

মানুহজনে যীচুৱে কোৱা কথাত বিশ্বাস কৰি নিজ ঘৰলৈ উভতি আহিল। ৫১তেওঁ ঘৰলৈ গৈ থাকোতেই তেওঁৰ দাস সকলে আহি বাটতে তেওঁক লগ কৰি জনালে যে লৰাটি বাচিল।"

৫২তেওঁ, দাস সকলক সুধিলে, "লৰাটি কেতিয়াৰ পৰা ভাললৈ আহিল?"

তেওঁলোকে কলে, "যোৱা কালি পাচবেলা প্ৰায় এটামান বজাত জ্বৰ এৰিলে।"

৫৩তেতিয়া দেউতাকৰ মনত পৰিল যে ঠিক তেনে সময়তে যীচুৱে কলে, "তোমাৰ লৰাটি বাচিব।" ইয়াৰ বাবে তেওঁ, তেওঁৰ পৰিয়াল স'হ যীচুত বিশ্বাস কৰিলে।

৫৪যিৰুচালেমৰ পৰা গালীললৈ অহাৰ পাছত এইয়া আছিল তেওঁৰ দ্বিতীয় অলৌকিক্ কৰ্ম্ম।

## পুখুৰীৰ পাৰত যীচুৱে এজন লোকক সুস্থ কৰা

৫ ১পাচত যিহূদী সকলৰ এটি বিষেশ পৰ্ব্বৰ কাৰণে যীচু জেৰুচালেমলৈ গ'ল। ২জেৰুচালেমত মেৰ-ছাগ দুৱাৰৰ কাষত পাঁচটা চালিঘৰে সৈত্যে এটা পুখুৰী আছিল। ইয়াক আৰামীয়া ভাষাত বৈথেচদা[a] বোলা হৈছিল। ৩সেই চালি ঘৰবোৰত অনেক কণা, খোৰা, জঠৰ আদিৰোগী পৰি আছিল।[b] ৪[c] ৫সেই ঠাইত আঠত্ৰিশ বছৰ ৰোগত ভোগীথকা এজন মানুহ আছিল। ৬যীচুৱে তেওঁক তাত পৰি থকা দেখিলে আৰু বহু দিনৰ পৰা ৰোগত ভোগী থকা জানি, তেওঁক সুধিলে, "তুমি সুস্থ হ'বলৈ ইচ্ছা কৰা নেকি?"

৭ৰোগীজনে উত্তৰ দিলে, "হে মহাশয়, যেতিয়া পানীৰ খলকনি উঠে, মোক পুখুৰীলৈ নমাই দিবলৈ মোৰ কোনো নাই। মই যাওঁতে যাওঁতেই আনে আগেয়ে গৈ পানীত নামি দিয়ে।"

৮যীচুৱে তেওঁক ক'লে, "উঠা তোমাৰ শোৱা-পাটী তুলি লৈ খোজ কাঢ়া।" ৯সেই মূহুৰ্ত্ততে মানুহজন সুস্থ হ'ল আৰু শোৱা পাটী তুলি লৈ খোজ ললে।

সেই দিনা বিশ্ৰাম বাৰ আছিল। ১০সেই কাৰণে যিহূদীলোক সকলে সুস্থ হোৱা মানুহজনক ক'লে, "আজি বিশ্ৰামবাৰ; আজি তুমি শোৱা-পাটী দাঙি নিব নোৱাৰা, কাৰণ এয়ে বিধানৰ বিৰুদ্ধ কাম।"

১১মানুহজনে তেওঁলোকক কলে, "যিজনে মোক সুস্থ

[a] **৫:২ বৈথজাথা** আন গ্ৰীক লিপিত "বৈথেচদা" আৰু আন কিছুত "বৈথেচৈদা" পোৱা যায়।
[b] **৫:৩** ৩পদৰ শেষৰ ভাগত গ্ৰীক প্ৰতিলিপিত যোগ কৰা হৈছে যে "তেওঁলোকে পানীৰ খলকনি উঠালৈ অপেক্ষা কৰি আছিল।
[c] **৫:৪** শেষৰ কিছুত গ্ৰীক প্ৰতিলিপিত পদ ৪ যোগ কৰা হৈছে: "কাৰণ কোনে এটা সময়ত প্ৰভুৰ দূত নামি আহি পুখুৰীৰ পানী খলক লগায়। খলক লগাৰ লগেলগে যিজন প্ৰথমে নামে, তেওংৰ যিকোনো বেমাৰই নহওঁক লগে লগে সুস্থ হয়।"

করিলে, তেৱেঁই মোক কলে, 'তুমি তোমাৰ শোৱা পাটী
তুলি খোজ লোৱা।'"
১২তেওঁলোকে তেওঁক সুধিলে, "তোমাৰ শোৱা-পাটী
তুলি খোজ লোৱা বুলি কোৱা মানুহজন কোন?"
১৩কিন্তু সেইজন কোন আছিল তাক সুস্থ হোৱা
মানুহজনে জনা নাছিল; কাৰণ সেই ঠাইত বহুলোক আছিল,
আৰু যীচু ইতিমধ্যে তাৰপৰা আঁতৰি গৈছিল।
১৪পাচত যীচুৱে তেওঁক মন্দিৰৰ প্ৰাঙ্গনত লগ পালত
ক'লে, "চোৱা তুমি এতিয়া সুস্থ হ'লা। তোমালৈ অধিক
দূৰ্দশা যেন নহয়, তাৰ বাবে এতিয়াৰ পৰা আৰু পাপ
নকৰিবা।"
১৫তেতিয়া মানুহজনে যিহূদী নেতাসকলৰ ওচৰলৈ গৈ
জনালে যে তেওঁক সুস্থ কৰা ব্যক্তি জন যীচু।
১৬যীচুৱে এনেধৰনৰ কৰ্ম্ম বিশ্ৰাম বাৰে কৰিছিল। সেয়েহে
যিহূদী সকলে তেওঁক বাধা দিবলৈ ধৰিলে। ১৭কিন্তু যীচুৱে
তেওঁলোকক ক'লে, "মোৰ পিতৃয়ে অবিৰাম কৰ্ম্ম কৰে,
সেয়েহে ময়ো কৰো।"
১৮এই কথা শুনি যিহূদী সকলে যীচুক বধ কৰিবলৈ
আগতকৈ অধিক দৃঢ় প্ৰতিজ্ঞ হল। তেওঁলোকে ক'লে,
"তেওঁ প্ৰথমতে বিশ্ৰামবাৰৰ নিয়ম ভঙ্গ কৰিলে আৰু অকল
সেয়াই নহয়, তেওঁ ঈশ্বৰক নিজৰ পিতৃ বুলিও সম্মোধন
কৰিলে, আৰু এই ভাবে তেওঁ নিজকে ঈশ্বৰৰ সমান
কৰিলে।"

## যীচুত ঈশ্বৰৰ ক্ষমতা

১৯ইয়াৰ উত্তৰত যীচুৱে ক'লে, "মই সঁচাকৈয়ে
তোমালোকক কৈছো যে পুত্ৰই নিজ ক্ষমতাৰে একো
কৰিব নোৱাৰে। কিন্তু তেওঁ পিতৃক যিহকে কৰা দেখে,
তেওঁ তাকেহে কৰিব পাৰে। পিতৃয়ে যি কৰে পুত্ৰও
তাকেহে কৰে। ২০পিতৃয়ে পুত্ৰক মৰম কৰে আৰু তেওঁ
যি কৰে সকলোখিনি দেখোৱায়। এই মানুহজন সুস্থ হ'ল
কিন্তু পিতৃয়ে পুত্ৰক ইয়াতকৈও মহৎ মহৎ কৰ্ম্ম দেখোৱাব
তোমালোকে তেতিয়া আচৰিত হ'বা। ২১পিতৃয়ে যেনেকৈ
মৃতলোকক জীৱন দিয়ে, সেই দৰে পুত্ৰয়ো যি সকলক ইচ্ছা
কৰে তেওঁলোকক জীৱন দিয়ে।
২২"পিতৃয়ে কাৰো বিচাৰ নকৰে, কিন্তু বিচাৰৰ সম্পূৰ্ন
ক্ষমতা পুত্ৰৰ হাতত গতাই দিলে। ২৩যাতে সকলোৱে
যেনেকৈ পিতৃক সন্মান কৰে তেনেকৈ পুত্ৰকো সন্মান
কৰে। যি জনে পুত্ৰক সন্মান নজনায়, তেওঁ, তেওঁক পঠোৱা
পিতৃকো সন্মান নকৰে।
২৪"মই সঁচাকৈয়ে তোমালোকক কওঁ, যি জনে মোৰ
বাক্য শুনি, মোক পঠোৱাজনাক বিশ্বাস কৰে তেওঁৰ অনন্ত
জীৱন আছে; আৰু সেই ব্যক্তিৰ বিচাৰ নহয়, বৰং তেওঁ,
মৃত্যুৰ [a] পৰা জীৱনলৈ পাৰ হ'ল। ২৫মই তোমালোকক
নিশ্চিত ভাবে কওঁ, "এনে এটা সময় আহিছে, আনকি
এতিয়াও হৈছে, যি সময়ত মৃত সকলে ঈশ্বৰৰ পুত্ৰৰ মাত
শুনিব আৰু তেওঁ কোৱাৰ দৰে কৰিব, তেওঁ অনন্ত জীৱন
পাব। ২৬পিতৃ যেনেকৈ নিজেই জীৱনৰ উত্হ, সেইদৰে তেওঁ
পুত্ৰকো জীৱন দানৰ ক্ষমতা প্ৰদান কৰিলে। ২৭আৰু তেওঁক
বিচাৰ কৰিবলৈ কৰ্তৃত্ব দিলে, কাৰণ তেওঁ মানৱ পুত্ৰ।
২৮"এই কথাত আচৰিত নহবা, কাৰণ সময় আহিছে,
মৈদামত থকা সকলোৱে মানৱপুত্ৰৰ মাত শুনিব; ২৯আৰু
মৈদামৰ পৰা ওলাই আহিব। সতৰ্কৰ্ম্ম কৰা সকল জীৱনলৈ
পুনৰুত্থিত হ'ব; আৰু কুকৰ্ম্ম কৰা সকল হলে দণ্ডৰ নিমিত্তে
হে পুনৰুত্থিত হ'ব।
৩০"মই নিজ ক্ষমতাৰে একো কৰিব নোৱাৰো; কিন্তু মই
(পিতৃৰ পৰা) যি দৰে শুনো সেই দৰে হে বিচাৰ কৰো। আৰু
মোৰ বিচাৰ ন্যায়; কাৰণ মই মোৰ নিজ ইচ্ছা পুৰন নকৰি
মোক পঠোৱা জনাৰ ইচ্ছা হে পুৰন কৰিবলৈ চাওঁ।

## আনে যীচুৰ বিষয়ে দিয়া সাক্ষ্য

৩১"যদি মই নিজৰ বিষয়ে সাক্ষ্য দিওঁ তেনেহলে মোৰ
সাক্ষ্য গ্ৰহন যোগ্য নহয়। ৩২কিন্তু মোৰ বিষয়ে সাক্ষ্য দিয়া
আন এজন আছে। আৰু মই জানো, তেওঁ মোৰ বিষয়ে যি
সাক্ষ্য দিয়ে, সেয়ে সত্য।
৩৩"তোমালোকে যোহনৰ ওচৰলৈ মানুহ পঠাইছিলা,
আৰু তেওঁ এই বিষয়ে যি সাক্ষ্য দিলে,সেয়ে সত্য। ৩৪মই
মানৱ সাক্ষ্যৰ ওপৰত নিৰ্ভৰ নকৰো, কিন্তু তোমালোকে
যেন উদ্ধাৰ পোৱা তাৰ বাবেহে যোহনে যি কথা কৈছিল
তাক মনত পেলাই দিছো। ৩৫যোহন এগচ চাকিৰ নিছিনা,
জ্বলে আৰু পোহৰ দিয়ে, আৰু তোমালোকে কিছুক্ষনৰ
কাৰণে সেই পোহৰ উপভোগ কৰি আনন্দিত হৈছিলা।
৩৬"কিন্তু যোহনৰ সাক্ষ্যত কৈয়ো গুৰুত্বপূৰ্ণ মোৰ
এনে সাক্ষ্য আছে। মই যি কৰ্ম্ম কৰি আছো সেয়াই মোৰ
প্ৰমান। কাৰণ পিতৃয়ে এই কৰ্ম্ম মোক সিদ্ধ কৰিবলৈ
দিছে, সেই কৰ্ম্মই সাক্ষ্য দিয়ে যে পিতৃয়ে মোক পঠালে।
৩৭এনেকি মোক পঠোৱা পিতৃয়েও মোৰ হকে সাক্ষ্য দি
গৈছে। তোমালোকে কেতিয়াও তেওঁৰ মাত শুনা নাই,
আনকি তেওঁৰ ৰূপো দেখা নাই; ৩৮আৰু তেওঁৰ বাক্যও
তোমালোকৰ হৃদয়ত নাই, কাৰণ তেওঁ পঠোৱা জনাক
তোমালোকে বিশ্বাস নকৰা। ৩৯তোমালোকে মনোযোগ
দি শাস্ত্ৰ অধ্যয়ন কৰা, কাৰণ তোমালোকে ভাবা যে এই
শাস্ত্ৰৰ যোগেদি অনন্তজীৱন পাবা। এই শাস্ত্ৰই মোৰ বিষয়ে
সাক্ষ্য দিয়ে। ৪০তথাপি সেই জীৱন পাবলৈ মোৰ ওচৰলৈ
আহিবলৈ তোমালোকে ইচ্ছা নকৰা।
৪১"মই মানুহৰ প্ৰশংসা নিবিচাৰো ৪২কিন্তু মই জানো যে
তোমালোকৰ অন্তৰত ঈশ্বৰৰ প্ৰেম নাই। ৪৩মই পিতৃৰ
অধিকাৰত আহিছো তথাপি তোমালোকে মোক গ্ৰহন
নকৰা। কিন্তু আন কোনো ব্যক্তি যদি নিজৰ শক্তিৰে আহে,
তেন্তে তোমালোকে তেওঁক গ্ৰহন কৰিবা। ৪৪তোমালোকে
ইজনে সিজনৰ পৰা প্ৰশংসা হে শুনিবলৈ ভাল পোৱা।
কিন্তু একমাত্ৰ ঈশ্বৰৰ পৰা প্ৰশংসা লাভ কৰিবলৈ চেষ্টা

[a] **৫:২৪ মৃত্যু** আত্মিকভাবে মৰা।

নকৰা। তেন্তে তোমালোক মোক কি বুলি বিশ্বাস কৰিবা?
৪৫পিতৃৰ আগত মই তোমালোকক দোষাৰূপ কৰিম বুলি
নাভাবিবা। তোমালোকক দোষাৰূপ কৰা জন হৈছে
মোচি, যাৰ ওপৰত তোমালোকে আশা স্থাপন কৰা। ৪৬যদি
তোমালোকে তেওঁক সচাঁকৈয়ে বিশ্বাস কৰিলাহেঁতেন।
তেন্তে তোমালোকে মোকো বিশ্বাস কৰিলাহেঁতেন। কাৰণ
মোচিয়ে মোৰ বিষয়ে লিখি থৈ গৈছে। ৪৭যিহেতু তেওঁ
লিখা কথাই তোমালোকে বিশ্বাস নকৰা তেন্তে মোৰ মুখৰ
বাক্য কেনেকৈ বিশ্বাস কৰিবা।”

## যীচুৱে পাঁচ হাজাৰতকৈও অধিক মানুহক খুউৱা

*(মথি ১৪:১৩–২১; মাৰ্ক ৬:৩০–৪৪; লূক ৯:১০–১৭)*

৬ ১ইয়াৰ পাচত যীচুৱে গালীল সৰোবৰ সিপাৰলৈ
গ’ল (এই সৰোবৰক তিবিৰিয়া বুলিও জনা যায়)।
২আৰু বহু সংখ্যক লোক তেওঁৰ পাছে পাছে গ’ল; যিহেতু
ৰোগী সকলক সুস্থ কৰাৰ দ্বাৰায় যি সকলো অলৌকিক কৰ্ম্ম
কৰিছিল, তাক তেওঁলোকে দেখিছিল। ৩যীচু তেওঁৰ শিষ্য
সকল সৈতে এটা পাহাৰৰ ওপৰলৈ গৈ বহিল। ৪তেতিয়া
যিহূদী সকলৰ নিস্তাৰ পৰ্ব্বৰ সময় ওচৰ চাপিছিল।
৫যীচুৱে চকু তুলি লোক সমূহৰ এটা বিৰাট দল, তেওঁৰ
ফাললৈ অহা দেখিলত, তেওঁ ফিলিপক সুধিলে, “এই
লোকসমূহক খোৱাবলৈ আমি কত খোৱা বস্তু কিনিবলৈ
পাম?” ৬তেওঁ ফিলিপক পৰীক্ষা কৰিবলৈ এইদৰে কৈছিল,
কাৰণ তেওঁ কি কৰিব লাগিব তাক আগেয়ে জানিছিল।
৭ফিলিপে তেওঁক ক’লে, “দুশ ৰূপৰ মুদ্ৰাৰ[a] ৰুটি
কিনিলেও প্ৰত্যেককে সৰু এডোখৰকৈ দিবলৈ যথেষ্ট নহব!”
৮এনেতে যীচুৰ শিষ্য সকলৰ মাজৰ, চিমোন পিতৰৰ
ভায়েক আন্দৰিয়ই কলে, ৯“তাত এজন লৰা আছে যাৰ
হাতত পাঁচোটা যৱৰ পিঠা আৰু দুটা মাছ আছে। কিন্তু
ইমানবোৰ মানুহৰ মাজত সেয়ে কি হ’ব?”
১০যীচুৱে কলে, “লোক সমূহক বহিবলৈ দিয়া।” সেই
ঠাইত ভৰপূৰ ঘাঁহনি আছিল, গতিকে লোক সমুহ তাৰ
ওপৰতে বহিল। তাত প্ৰায় পাঁচ হাজাৰ পুৰুষ আছিল
১১যীচুৱে পিঠা লৈ ঈশ্বৰক ধন্যবাদ কৰি তাত বহি থকা
সকলৰ মাজত বিলাই দিবলৈ দিলে। একেদৰে তেওঁ
মাছোলৈ ঈশ্বৰক ধন্যবাদ দি বিলাবলৈ দিলে। প্ৰত্যেকে
যিমান পৰিমানে ইচ্ছা কৰিলে সিমানকৈ খালে।
১২তেওঁলোকে খাই তৃপ্ত হোৱাৰ পাচত যীচুৱে শিষ্য
সকলক ক’লে, “ভঙা পিঠাৰ আৰু মাছৰ অৱশিষ্ট খিনি
গোটোৱা একো নষ্ট হবলৈ নিদিবা।” ১৩শিষ্যসকলে
সকলোখিনি অৱশিষ্ট গোটালে। যেতিয়া লোকসমূহে
খাবলৈ আৰম্ভ কৰিছিল তেতিয়া মাত্ৰ পাঁচটা যৱৰ পিঠা
আছিল। কিন্তু যেতিয়া লোকসমূহে খাই শেষ কৰিলে
তেতিয়া অৱশিষ্ট খিনিৰে বাৰটা ডাঙৰ পাচিৰে পুৰ হল।
১৪যীচুৱে কৰা এই অলৌকিক কৰ্ম্ম দেখি লোক সমূহে
কবলৈ ধৰিলে, “নিশ্চয়ে এই জনেই জগতলৈ আহিব লগা
ভাৱবাদী[b] যি জনক আশা কৰা হৈছিল।”
১৫এনেতে লোক সমূহে তেওঁক ধৰি ৰজা পাতিব খুজিছে
বুলি গম পাই, যীচুৱে তেওঁলোকক এৰি, অকলশৰে পাহাৰৰ
ওপৰলৈ গুচি গ’ল।

## যীচুৱে পানীৰ ওপৰত খোজ কঢ়া

*(মথি ১৪:২২–২৭; মাৰ্ক ৬:৪৫–৫২)*

১৬পাছে সন্ধ্যা হ’লত যীচুৰ শিষ্য সকলে সৰোবৰলৈ
গৈ ১৭এখন নাৱত উঠি সিপাৰে থকা কফৰনাহূমলৈ
উভতি যাব ধৰিলে। তেতিয়া ইতিমধ্যে আন্ধাৰ হৈছিল
আৰু যীচু তেতিয়ালৈকে তেওঁলোকৰ ওচৰলৈ ঘূৰি অহা
নাছিল। ১৮সেই সময়ত প্ৰচণ্ড বতাহ বলাত সৰোবৰৰ ঢৌ
ক্ৰমানয়ে ডাঙৰ হৈ গৈছিল। ১৯শিষ্য সকলে নাওঁ বাই
বাই পাঁচ-ছয় কিলোমিটাৰমান যোৱাৰ পাচত, যীচুক পানীৰ
ওপৰেদি খোজ কাঢ়ি তেওঁলোকৰ ফালে আহি থকা দেখি,
তেওঁলোকৰ ভয় লাগিল। ২০যীচুৱে তেওঁলোকক কলে,
“ভয় নকৰিবা, এইয়া মই হওঁ।”[c] ২১তেতিয়া তেওঁলোকে
আদৰেৰে যীচুক নাৱত তুলিলে। ইয়াৰ পাচতেই নাৱখন
ততালিকে গৈ তেওঁলোকৰ গন্তব্য স্থান পালে।

## লোক সমূহে যীচুক বিচৰা

২২পাচদিনা সৰোবৰৰ সিপাৰে থাকি যোৱা লোক সকলৰ
মনত পৰিল যে তাত এখনহে নাওঁ আছিল; আৰু যীচু শিষ্য
সকলৰ লগত নাৱত উঠা নাছিল; শিষ্য সকলে অকলেই
নাও মেলি গৈছিল। ২৩এনেতে তিবিৰিয়া পৰা আৰু
কেইখন নাওঁ আহি যি ঠাইত যীচুৱে ঈশ্বৰক ধন্যবাদ দিয়াৰ
পাচত তেওঁলোকক পিঠা বিলাইছিল, সেই ঠাই পালেহি।
২৪তেওঁলোকে সেই ঠাইত যীচু নতুবা তেওঁৰ শিষ্য সকলক
দেখা নাপাই নাৱত উঠি যীচুক বিচাৰি কফৰনাহূমলৈ যাত্ৰা
কৰিলে।

## যীচুৱেই জীৱনদায়ক আহাৰ

২৫লোকেসমূহে সৰোবৰৰ সিটো পাৰে যীচুক বিচাৰি পায়

[a] **৬:৭ দুশ ৰূপৰ মুদ্ৰাৰ** এটা ৰূপৰ মুদ্ৰা সেই সময়ত এজন মানুহৰ এদিনৰ হাজিৰা। গতিকে “দুশ ৰূপৰ মুদ্ৰা” মানে এজন মানুহৰ ২০০ দিনৰ হাজিৰা অৰ্থাৎ সপ্তাহৰ কমেও ৬ দিনকৈ কাম কৰিলে ৩৩ সপ্তাহ হয়। আন কথাত কবলৈ গলে প্ৰায় ৮ মাহৰ দৰ্ম্মহা হয়।

[b] **৬:১৪ ভাৱবাদী** সম্ভৱত ঈশ্বৰে মোচীৰ আগত “পঠাম” বুলি কোৱা ভাৱবাদীৰ কথা মনত পেলাইছিল। দ্বিতীয় বিবৰণ ১৮:১৫–১৯

[c] **৬:২০ মই হওঁ** গ্ৰীক ভাষাত নিজকে পৰিচয় দিবলৈ এই দৰে কয়। মই হওঁ মানে (অন্য কোনো নহয়) ময়েই যোহন ৯:৯ পদতো পাওঁ পুৰনি নিয়মত (যাত্ৰাপুস্তক ৩:১৪) ঈশ্বৰে নিজকে “মই” বুলি পৰিচয় দিছিল। তাৰ মানে ঈশ্বৰ তেওঁৰ নাম “মই” বুলি কৈছিল। যীচুৱেও তেও যে সেই পৱিত্ৰ জনা ইয়াক বুজাবলৈ “মই” ব্যৱহাৰ কৰিছিল (যোহন ৮:৫৮ পদ)। এইটো সম্ভৱপৰ যে লিখকে তেওঁৰ শ্ৰোতা বা পটুৱৈ সকলক এই বাক্যৰ অতিৰিক্ত আৰু গভীৰ অৰ্থ বুজাবলৈ ব্যৱহাৰ কৰিছে।

তেওঁলোকে তেওঁক সুধিলে, “হে গুৰু, আপুনি ইয়ালৈ
কেতিয়া আহিলে?”
২৬যীচুৱে তেওঁলোকক উত্তৰ দিলে, “মই তোমালোকক
সঁচা কথা কওঁ তোমালোকে অলৌকিক চিন দেখাৰ বাবে
নহয় কিন্তু পিঠা খায় তৃপ্ত হোৱাৰ বাবে হে মোক বিচাৰি
আহিছা। ২৭ক্ষন্তেকীয়া আহাৰৰ নিমিত্তে শ্ৰম নকৰিবা, বৰং
যি আহাৰ প্ৰকৃততেই স্থায়ী ও অনন্ত জীৱন দান কৰে,
এনে আহাৰৰ নিমিত্তে শ্ৰম কৰা। এনে আহাৰ মানৱ পুত্ৰই
তোমালোকক দিব। কাৰণ পিতৃ পৰমেশ্বৰে তেওঁক সেই
ক্ষমতা প্ৰদান কৰিলে।”
২৮তেওঁলোকে যীচুক সুধিলে, “ঈশ্বৰে আমাক
কেনেধৰনৰ কাম কৰাটো বিচাৰে।”
২৯যীচুৱে তেওঁলোকক ক’লে, “ঈশ্বৰে যি জনাক পঠালে,
তেওঁক বিশ্বাস কৰাই ঈশ্বৰৰ মনে বিচৰা কৰ্ম্ম।”
৩০তেওঁলোকে তেওঁক সুধিলে, “আপুনি কি অলৌকিক
চিন দেখোৱাব যাতে আমি তাক দেখি আপোনাক বিশ্বাস
কৰিব পাৰো? আপুনি আমালৈ তেনে কি কৰ্ম্ম কৰি
দেখোৱাব? ৩১আমাৰ পূৰ্ব্ব-পুৰুষ সকলে মৰুপ্ৰন্তত মান্না
খাইছিল। যেনেদৰে শাস্ত্ৰত লিখা আছে, ‘তেওঁ স্বৰ্গৰ পৰা
তেওঁলোকক পিঠা খাবলৈ দিছিল।’ [a]”
৩২যীচুৱে তেওঁলোকক কলে, “মই তোমালোকক সঁচা
কথা কওঁ যে তোমালোকক স্বৰ্গৰ পৰা পিঠা[b] দিয়াজন মোচি
নাছিল; কিন্তু তোমালোকক স্বৰ্গৰ পৰা প্ৰকৃত পিঠা দিয়াজন
মোৰ পিতৃহে। ৩৩আৰু ঈশ্বৰৰ পিঠা হৈছে, স্বৰ্গৰ পৰা যি
জন নামি আহিল আৰু গোটেই জগতক জীৱন দিলে।”
৩৪তেওঁলোকে তেওঁক কলে, “হে মহাশয় আমাক
এতিয়াৰ পৰাই সেই পিঠা দিয়ক।”
৩৫যীচুৱে তেওঁলোকক ক’লে, “জীৱন দিয়া পিঠা
ময়েই। যিজন মোৰ ওচৰলৈ আহে তেওঁৰ কেতিয়াও
ভোক নালাগিব আৰু যিজনে মোক বিশ্বাস কৰে তেওঁৰ
কেতিয়াও পিয়াহ নালাগিব। ৩৬কিন্তু মই তোমালোকক
আগতেই কৈছিলো তোমালোকে মোক দেখিলা, তথাপি
তোমালোকে মোক বিশ্বাস নকৰা। ৩৭কিন্তু পিতৃয়ে
মোক দিয়া প্ৰত্যেক ব্যক্তি মোৰ ওচৰলৈ আহিব। আৰু
মোৰ ওচৰলৈ অহা কোনো ব্যক্তিক মই বিমুখ নকৰিম।
৩৮কাৰণ মই নিজ ইচ্ছা পুৰণ কৰিবলৈ স্বৰ্গৰ পৰা অহা
নাই; কিন্তু মোক পঠোৱা জনাৰ ইচ্ছা পালন কৰিবলৈহে
আহিলো। ৩৯মোক পঠোৱা জনাৰ ইচ্ছা এই যে তেওঁ মোক
দিয়া এজনো যেন নেহেৰায় কিন্তু শেষৰ দিনা মই যেন
সকলোকে জীৱনলৈ তোলো। ৪০মোক পঠিওৱা জনৰ
ইচ্ছা এই যে পুত্ৰক দেখি বিশ্বাস কৰা প্ৰত্যেক ব্যক্তিয়ে
যেন অনন্ত জীৱন পায়। আৰু শেষৰ দিনা মই সকলোকে
জীৱনলৈ তুলিম।”

৪১“স্বৰ্গৰ পৰা নমা আহাৰ মযেই” বুলি যীচুৱে কোৱা
কথাত, যিহূদীসকলে যীচুৰ বিষয়ে ভোৰভোৰাবলৈ ধৰিলে।
৪২তেওঁলোকে কলে, “এওঁ যোচেফৰ পুতেক যীচু নহয়
জানো? আমি জানো এওঁৰ মাক-দেউতাক চিনি নাপাওঁ?
এতিয়া তেওঁ স্বৰ্গৰ পৰা নামি অহা বুলি কেনেকৈ কৈছে?”
৪৩ইয়াৰ উত্তৰত যীচুৱে তেওঁলোকক ক’লে,
“তোমালোকে নিজৰ ভিতৰতে ভোৰভোৰোৱা বন্ধ কৰা।
৪৪মোক পঠিওৱা পিতৃৱে যেতিয়ালৈকে কৰোবাক মোৰ
ওচৰলৈ নানে তেতিয়ালৈকে কোনেও মোৰ ওচৰলৈ
আহিব নোৱাৰে। মই তেওঁক শেষৰ দিনা জীৱনলৈ তুলিম।
৪৫ভাৱবাদী সকলৰ পুস্তকত লিখা আছে, ‘তেওঁলোকক
সকলোকে ঈশ্বৰৰ দ্বাৰাই শিক্ষা দিয়া হব। আৰু যি সকলে
মোৰ পিতৃৰ কথালৈ কান দি, তেওঁৰ পৰা শিক্ষা লয় সেই
সকলোৱে মোৰ ওচৰলৈ আহিব।’ ৪৬ইয়াৰ অৰ্থ এইটো
নহয় যে কোনোবাই পিতৃক দেখিলে। যি জন ঈশ্বৰৰ পৰা
আহিছে কেৱল তেওঁহে পিতৃক দেখা পালে।
৪৭“মই তোমালোকক সচাঁকৈয়ে কৈছো, যিজনে
বিশ্বাস কৰে তেওঁৰ অনন্ত জীৱন আছে। ৪৮জীৱন দিয়া
পিঠা ময়েই। ৪৯তোমালোকৰ পূৰ্ব্ব পুৰুষ সকলে মৰু
প্ৰান্তত মান্না খায়ো মৰিল। ৫০কিন্তু স্বৰ্গৰ পৰা নামি অহা
পিঠা এনেকোৱা যে কোনোৱে যদি সেই পিঠা গ্ৰহন কৰে,
তেন্তে তেওঁ কেতিয়াও নমৰে। ৫১স্বৰ্গৰ পৰা নামি অহা
সেই জীৱন দিয়া পিঠা ময়েই। যি কোনোৱে এই পিঠা গ্ৰহন
কৰে তেওঁ চিৰকাল জীৱ। এই পিঠা মোৰ মাংস। জগতৰ
লোকসকলে যেন জীৱন পায় এই নিমিত্তে মই মোৰ শৰীৰ
বলিদান কৰিম।”
৫২এই কথা শুনি যিহূদী সকলৰ ভিতৰত তৰ্ক বিতৰ্ক
আৰম্ভ হল। তেওঁলোকে ক’লে, “তেওঁ আমাক তেওঁৰ
শৰীৰ কেনেকৈ খাবলৈ দিব পাৰে?”
৫৩যীচুৱে তেওঁলোকক কলে, “মই সঁচাকৈয়ে কৈছো
তোমালোকে মানৱ পুত্ৰৰ মাংস নাখালে আৰু তেজ পান
নকৰিলে তোমালোকত জীৱন নাই। ৫৪যি কোনোৱে মোৰ
মাংস খায় ও মোৰ তেজ পান কৰে তেওঁৰ অনন্ত জীৱন
আছে। আৰু শেষৰ দিনা মই তেওঁলোকক জীৱনলৈ
তুলিম। ৫৫কাৰণ মোৰ মাংসই প্ৰকৃত পিঠা আৰু মোৰ
তেজেই প্ৰকৃত পেয়। ৫৬যিজনে মোৰ মাংস খায় আৰু
মোৰ তেজ পান কৰে, তেওঁ মোত নিবাস কৰে আৰু ময়ো
তেওঁত নিবাস কৰো।
৫৭“জীৱনময় পিতৃয়ে মোক পঠালে আৰু মই তেওঁতে
তেওঁ জীৱিত আৰু তেওঁৰ বাবেই মইও জীৱিত, সেইদৰে
যিজনে মোক খায়, তেৰোঁ মোৰ দ্বাৰাই জীৱ। ৫৮মই সেই
মান্না নহয় যাক তোমালোকৰ পূৰ্ব্বপুৰুষ সকলে মৰু প্ৰান্তত
খাইছিল। তেওঁলোকে সেই মান্না খাইছিল তথাপিও পাচত
সকলোৱে মৰিল। স্বৰ্গৰ পৰা নমা আহাৰ মযেই, যি জনে
এই পিঠা খায় তেওঁ সদাকাল জীয়াই থাকে।”
৫৯যীচুৱে কফৰনাহূমৰ নাম-ঘৰত উপদেশৰ সময়ত এই
সকলো কৈছিল।

[a] **৬:৩১** উদ্ধৃত গীতমালা ৭৮:২৪
[b] **৬:৩২ পিঠা** গ্ৰীক ভাষাত পিঠাৰ বাবে ব্যৱহাৰ হোৱা শব্দ পুলিংগ। গতিকে ইয়াত বাক্যক পিঠা বা যীচুক নিজকে পিঠা বুজোৱা হৈছে।

## অনন্ত জীৱনৰ বাক্য

৬০তেওঁৰ অনুগামী সকলৰ অনেকে এই সকলো কথা শুনি
ক'লে, "এইবোৰ বৰ কঠিন শিক্ষা; কোনে এইবোৰ গ্ৰহন
কৰিব পাৰে?"
৬১কোনেও একো নকওঁতেই যীচুৱে মনতে গম পালে
যে তেওঁৰ শিক্ষাত অনুগামী সকলে তলে তলে আপত্তি
দৰ্শাইছে। তেতিয়া যীচুৱে তেওঁলোকক ক'লে, "এই
কথাবোৰ তোমালোকে গ্ৰহণ কৰিবলৈ টান পাইছানেকি?
৬২মানৱপুত্ৰক তেওঁৰ পূৰ্ব্বৰ স্থানলৈ উঠি যোৱা দেখিলে
তোমালোকে কি কবা? ৬৩আত্মাই হে জীৱন দিয়ে, তেজ
মঙহৰ শৰীৰ কোনো কামৰ নহয়। মই তোমালোকক যি
বাক্য কলো সেয়ে আত্মা আৰু সেয়ে তোমালোকক জীৱন
দিব। ৬৪কিন্তু তোমালোকৰ মাজৰ কিছুলোকে ইয়াক
বিশ্বাস নকৰিবা।" (কাৰণ যীচুৱে আৰম্ভনীৰ পৰা জানিছিল
তাত এজন আছে যিজনে বিশ্বাস নকৰিব আৰু তেওঁক
শত্ৰুৰ হাতত শোধাই দিব।) ৬৫তেওঁ পুনৰ কব ধৰিলে,
"এই কাৰণে মই তোমালোকক কৈছিলো, 'যেতিয়লৈকে
পিতৃয়ে ইচ্ছা নকৰে কোনেও মোৰ ওচৰলৈ আহিব
নোৱাৰে।'"
৬৬এই সকলোবোৰ কথা শুনি যীচুক অনুসৰন কৰা বহুত
শিষ্য ঘূৰি গল আৰু কেতিয়াও পুনৰ তেওঁৰ পাচ নললে।
৬৭তেতিয়া যীচুৱে তেওঁৰ বাৰজন পাঁচনিক সুধিলে,
"তোমালোকেও যাবলৈ ইচ্ছা কৰা নেকি?"
৬৮চিমোন পিতৰে তেওঁক উত্তৰ দিলে, "হে প্ৰভু, আমি
কাৰ ওচৰলৈ যাম? অনন্ত জীৱন দিয়া সেই বাক্য আপোনাৰ
ওচৰতহে আছে। ৬৯আমি বিশ্বাস কৰিছো আৰু গম পাইছো
যে আপুনিয়েই ঈশ্বৰৰ পৰা অহা সেই পবিত্ৰ জনা।"
৭০যীচুৱে তেওঁলোকক ক'লে, "মই তোমালোক
বাৰজনক বাছি লোৱা নাছিলোনে? তথাপি তোমালোকৰ
মাজত এজন চয়তান[a] আছে।" ৭১যীচুৱে চিমোনৰ
ঈস্কৰিয়োতীয় পুতেক যিহূদাৰ বিষয়ে এই কথা কৈছিল।
কাৰণ যিহূদা যদিও বাৰজনৰ মাজৰ আছিল, তেঁৱেঁই যীচুক
পাচত যীচুক শত্ৰুৰ হাতত সোধাই দিওঁতা জন আছিল।

## যীচু আৰু তেওঁৰ ভাতৃসকল

৭ ১ইয়াৰ পাচত যীচুৱে গালীল প্ৰদেশৰ চৌদিশে
ভ্ৰমন কৰিলে। তেওঁ যিহূদীয়া প্ৰদেশলৈ যাবলৈ
মন নকৰিলে; কাৰণ যিহূদী সকলে তেওঁক বধ কৰিবলৈ
সুযোগ বিচাৰি আছিল। ২ইতিমধ্যে যিহূদী সকলৰ পঁজা
পৰ্ব্বৰ দিন ওচৰ চাপিল। ৩সেয়েহে যীচুৰ ভাতৃসকলে
তেওঁক কলে, "আপুনি এতিয়া এই স্থান এৰি যিহূদীয়ালৈ
যাওঁক, যাতে আপুনি যি সকলো অলৌকিক কৰ্ম্ম সাধন
কৰিছে তাক আপোনাৰ অনুগামী সকলেও যেন দেখা পায়।
৪কাৰণ প্ৰখ্যাত হবলৈ প্ৰচেষ্টা কৰিলে কোনেও গুপুতে কৰ্ম্ম
নকৰে। যিহেতু আপুনি এই সকলো কৰ্ম্ম কৰিছে, আপুনি
নিজকে জগতৰ আগত প্ৰকাশ কৰক।" ৫যীচুৰ ভাতৃগনেও
তেওঁক বিশ্বাস কৰা নাছিল, সেয়েহে তেওঁলোকে এনে
মন্তব্য দিছিল।
৬যীচুৱে তেওঁলোকক কলে, "তোমালোকৰ কাৰণে
যি কোনো সময়েই উপযুক্ত হব পাৰে কিন্তু মোৰ কাৰণে
উপযুক্ত সময় এতিয়াও অহা নাই। ৭জগতে তোমালোকক
ঘৃণা কৰিব নোৱাৰে, কিন্তু মোক ঘৃণা কৰে, কাৰণ জগতৰ
লোক সকলে যি মন্দ কৰ্ম্ম কৰে মই সেই সকলোৰ বিৰুদ্ধে
মাত মাতো। ৮পৰ্ব্বলৈ তোমালোক যোৱা; মই এই পৰ্ব্বলৈ
নাযাও, কাৰণ মোৰ সময় এতিয়াও হোৱা নাই।" ৯এই কথা
কৈ তেওঁ গালীলতে থাকিল।
১০তেওঁৰ ভাতৃগন পৰ্ব্বলৈ যোৱাৰ পাচত, যীচুও তালৈ
গ'ল। কিন্তু তেওঁ মুকলি ভাবে নগৈ গোপনে তালৈ গ'ল।
১১যিহূদী নেতাসকলে উৎসৱলৈ আহি যীচুক বিচাৰিবলৈ
ধৰিলে আৰু সেই মানুহ জন কত? বুলি ইজনে সিজনক
সুধিলে।
১২তাত গোটখোৱা বৃহত জন-দলৰ মাজত যীচুৰ বিষয়লৈ
গুন গুননি চলিল। কিছু লোকে কলে, "তেওঁ এজন সদ্
লোক," আন কিছুলোকে কলে, "নহয় তেওঁ মানুহক বিপথে
নিয়া লোক।" ১৩কিন্তু যিহুদী নেতাসকলৰ ভয়ত কোনেও
প্ৰকাশ্য ভাৱে তেওঁৰ বিষয়ে একো কবলৈ সাহ নকৰিলে।

## জেৰুচালেমত যীচুৰ উপদেশ

১৪পৰ্ব্বৰ অৰ্দ্ধেক শেষ হওঁতে, যীচু গৈ মন্দিৰৰ প্ৰাঙ্গনত
উপদেশ দিবলৈ ধৰিলে। ১৫যিহূদী নেতাসকলে তেওঁৰ
উপদেশ শুনি আচৰিত হৈ কবলৈ ধৰিলে, "কোনো শিক্ষক
নোলোৱাকৈ এই মানুহজনৰ ইমান জ্ঞান কৰ পৰা আহৰন
কৰিলে?"
১৬উত্তৰত যীচুৱে তেওঁলোকক ক'লে, "মই যি শিক্ষা
তোমালোকক দিওঁ সেয়া মোৰ নিজস্ব নহয়। যি জনে মোক
পঠাইছে, এই সকলো শিক্ষা সেই ঈশ্বৰৰ পৰাই অহা। ১৭যদি
কোনো জনে ঈশ্বৰৰ ইচ্ছা পালন কৰে তেন্তে তেওঁ নিশ্চয়
জানিব যে মই যি শিক্ষা দিওঁ সেয়া ঈশ্বৰৰ পৰা অহা মোৰ
নিজস্ব নহয়। ১৮যদি মই নিজস্ব মনোভাব দৰ্শাই কথা কওঁ
তেতিয়া নিজৰ প্ৰশংসা আৰ্জিবলৈ চেষ্টা কৰিম। কিন্তু যদি
মই মোক পঠোৱা জনাৰ গৌৰৱ বিচাৰো মই সত্যকম আৰু
মোত কোনো প্ৰবঞ্চনা নাথাকিব। ১৯মোচিয়ে তোমালোকক
বিধান দিয়া নাই নে? কিন্তু তোমালোকৰ কোনো এজনেও
সেই বিধান পালন নকৰা। যদি কৰা তেন্তে তোমালোকে
মোক কিয় বধ কৰিবলৈ বিচাৰিছা?"
২০লোক সমূহে উত্তৰ দিলে, "আপুনি এজন ভূতে পোৱা
লোক হোৱা হেতুকে এইদৰে কৈছে,আপোনাক কোনে বধ
কৰিবলৈ বিচাৰিছে।"
২১ইয়াৰ উত্তৰত যীচুৱে ক'লে, "মই বিশ্ৰামবাৰে
এটি অলৌকিক কৰ্ম্ম কৰিলো; তাকে দেখি তোমালোক

[a] **৬:৭০ চয়তান** চয়তান শব্দ যীচুৱে এই কাৰণেই প্ৰয়োগ কৰিছিল যে তেওঁলোকৰ মাজৰ যিহূদা বোলাজনে চয়তানৰ নিচিনাকৈ যীচুক বিশ্বাস ঘাতকতা কৰি আৰু শত্ৰুৰ হাতত শোধাই দিব।

আটায়ে বিস্ময় হৈছিলা। ২২কিন্তু মোচিয়ে দিয়া চুন্নত্ বিধি
তোমালোকে পালন কৰা। আৰু সেইমতে প্ৰয়োজন হলে,
তোমালোকে বিশ্ৰাম বাৰেও চুন্নত্ কৰা (যদিওবা এই বিধি
মোচিয়ে দিয়া নহয় বৰং আমাৰ পূৰ্ব্বপুৰুষৰে পৰা চলি অহা
বিধি)। ২৩যদি মোচিৰ বিধান ভঙ্গ নহবলৈ বিশ্ৰামবাৰেও চুন্নত্
কৰিব পৰা তেন্তে মই বিশ্ৰামবাৰে এজন ব্যক্তিক পূৰ্ণ সুস্থতা
দান কৰাত তোমালোকে মোৰ ওপৰত কিয় খঙত উত্তেজিত
হৈছা। ২৪ওপৰে ওপৰে চাই বিচাৰ কৰিবলৈ বন্ধ কৰা। কিন্তু
যি প্ৰকৃত সত্য আৰু ন্যায় তালৈ দৃষ্টি ৰাখি বিচাৰ কৰা।”

## যীচুৰেই মচীহ বুলি লোক সমূহৰ সন্দেহ

২৫তেতিয়া জেৰুচালেম নিবাসী কোনো কোনো লোকে
কবলৈ ধৰিলে, “নেতাসকলে বধ কৰিবলৈ খোজা
মানুহ জন এই জনেই নহয় জানো? ২৬কিন্তু চাওঁক
তেওঁ দেখোন প্ৰকাশ্যভাৱে উপদেশ দি আছে আৰু
তেওঁলোকে একো মাত মতা নাই। ‘তেওঁকেই মচীহ’
বুলি নেতাসকলে সঁচাকৈ মানি লোৱা নাইতো? ২৭যিয়েই
নহওঁক আমি জানো এওঁ কৰ পৰা আহিছে। কিন্তু আচল
মচীহ যেতিয়া আহিব; তেতিয়া তেওঁ কৰ পৰা আহিব তাক
কোনেও নাজানিব।”

২৮যীচুৱে মন্দিৰৰ প্ৰাঙ্গনত শিক্ষা দি থাকোতে বৰ
মাতৰে কলে, “তোমালোকে প্ৰকৃততে জানো মোক জানা
আৰু মই কৰ পৰা আহিছো তাকো জানা তথাপি কওঁ মই
স্বইচ্ছাই অহা নাই আৰু মোক যিজনে পঠালে তেওঁৱেই
ঈশ্বৰ। কিন্তু তোমালোকে তেওঁক নাজানা। ২৯কিন্তু মই
তেওঁক জানো; তেঁৱেই মোক পঠালে আৰু মই তেওঁৰ
পৰাই আহিছো।”

৩০যেতিয়া যীচুৱে এই কথা কলে তেতিয়া মানুহবিলাকে
যীচুক আটক কৰিবলৈ চেষ্টা কৰিলে, কিন্তু কোনেও তেওঁৰ
গাত হাত দিবলৈ সাহস নকৰিলে। কাৰণ তেতিয়া তেওঁৰ
সময় হোৱা নাছিল। ৩১লোক সমূহৰ মাজৰ অনেকে তেওঁক
বিশ্বাস কৰিলে আৰু কলে মচীহ আহিলে জনো এওঁতকৈ
অধিক অলৌকিক কৰ্ম্ম কৰি দেখুৱাব?”

## যীচুক বন্দী কৰিবলৈ চেষ্টা কৰা

৩২লোক সমূহ যীচুৰ বিষয়লৈ আলোচনা কৰাৰ কথা
ফৰীচীসকলৰ কানত পৰিলত; প্ৰধান পুৰোহিত আৰু ফৰীচী
সকলে মিলি যীচুক বন্দী কৰি আনিবলৈ কিছুমান চিপাহী
পঠালে। ৩৩তেতিয়া যীচুৱে ক’লে, “মই তোমালোকৰ
লগত অলপ কালহে থাকিম। তাৰ পাচত মোক পঠোৱা
জনাৰ ওচৰলৈ ঘূৰি যাম। ৩৪তোমালোকে মোক বিচাৰিবা
কিন্তু নাপাবা; কাৰণ মই যি ঠাইত থাকিম সেই ঠাইলৈ
তোমালোক যাব নোৱাৰা।”

৩৫যিহূদী নেতা সকলে তেওঁলোকৰ ভিতৰত কোৱাকুই
কৰিলে, “এওঁনো কলৈ যাব যে আমি তেওঁক বিচাৰি নাপাম?
গ্ৰীক নগৰ সমূহত থকা যিহূদীলোক সকলৰ ওচৰলৈ নাইবা
গ্ৰীক সকলক শিক্ষা দিবলৈ নাযায়তো? ৩৬তেওঁ যে কৈছে,
‘তোমালোকে মোক বিচাৰিবা কিন্তু নাপাবা’ আৰু মই য’ত
থাকিম তালৈ তোমালোকে যাব নোৱাৰা, ইয়াৰ অৰ্থ কি?”

## যীচুৱে পবিত্ৰ আত্মাৰ বিষয়ে কোৱা বাক্য

৩৭শেষৰ আৰু পৰ্ব্বৰ আটাইতকৈ বিশেষ দিনা যীচুৱে
ঠিয়হৈ বৰমাতেৰে ক’লে, “যিজনৰ পিয়াহ লাগে তেওঁ মোৰ
ওচৰলৈ আহি পান কৰক। ৩৮যিজনে মোক বিশ্বাস কৰে
শাস্ত্ৰত কোৱাৰ দৰে, তেওঁৰ অন্তৰৰ পৰা জীৱনময় পানীৰ
নিজৰা বৈ যাব।” ৩৯যীচুৱে এই বচন পবিত্ৰ আত্মাৰ সম্পৰ্কে
কৈছিল। যি সকলে যীচুক বিশ্বাস কৰিব তেওঁলোকে এই
আত্মা পাব। সেই সময়লৈকে মানুহবিলাকক পবিত্ৰ আত্মা
দিয়া হোৱা নাছিল; যিহেতু যীচু তেতিয়ালৈকে গৌৰৱান্বিত
হোৱা নাছিল।

## যীচুক লৈ লোক সমূহৰ মাজত বিবাদ

৪০এই সকলো কথা শুনি জনদলৰ মাজৰ কিছু সংখ্যক
লোকে মন্তব্য দিলে, “প্ৰকৃততেই এওঁৱেই আহিবলগীয়া
ভাৱবাদী জন।”

৪১আন কিছুলোকে ক’লে, “এই জনেই আহিব লগা
মচীহ।”

আৰু কিছুমানে কলে, “মচীহ নিশ্চয় গালীল প্ৰদেশৰ
পৰা নোলায়, নহয় জানো? ৪২শাস্ত্ৰত কোৱা হৈছে যে তেওঁ
দায়ূদৰ বংশৰ হ’ব আৰু বৈৎলেহেমত জন্ম গ্ৰহণ কৰিব
য’ত দায়ূদে বাস কৰিছিল।” ৪৩তাতে যীচুক লৈ লোক
সমূহৰ মাজত বিভাজনৰ সৃষ্টি হ’ল। ৪৪তেওঁলোকৰ মাজৰ
কিছুলোকে যীচুক বন্দী কৰিবলৈ বিচাৰিছিল যদিও কোনেও
তেওঁৰ গাত হাত দিবলৈ চেষ্টা নকৰিলে।

## যিহূদী নেতা সকলৰ অবিশ্বাস

৪৫মন্দিৰৰ চিপাহী কেই জন প্ৰধান পুৰোহিত আৰু
ফৰীচীসকলৰ ওচৰলৈ ঘূৰি গ’ল। তেওঁলোকে চিপাহী
কেইজনক সুধিলে, “তোমালোকে তেওঁক বন্দী নকৰিলা
কিয়?”

৪৬উত্তৰত চিপাহী কেইজনে কলে, “আমি এইজন
মানুহৰ দৰে কোনেও কেতিয়াও শিক্ষা দিয়া শুনা নাই।”

৪৭তাতে ফৰীচী সকলে তেওঁলোকক ক’লে, “তেওঁ
তোমালোককো ভুলালে নে কি? ৪৮আমাৰ কোনো নেতা
নতুবা ফৰীচী সকলে তেওঁক বিশ্বাস কৰা দেখিছা জানো?
৪৯কিন্তু জুমত থকা সেই মানুহবিলাকৰ ভিতৰত বিধানৰ
কথা একো নাজানে আৰু তেওঁলোক ঈশ্বৰৰ অভিশাপ
প্ৰাপ্ত।”

৫০ফৰীচী সকলৰ মাজত নীকদীম আছিল। তেওঁ যীচুক
আগেয়ে এবাৰ লগ কৰিবলৈ গৈছিল।[a] তেওঁ ক’লে,
৫১“আমাৰ বিধান অনুসৰি আমি এজন ব্যক্তিৰ কথা প্ৰথমে
তেওঁৰ কি কব লগীয়া আছে তাক নুশুনাকৈ আৰু তেওঁ কি

[a] **৭:৫০ তেওঁ … গৈছিল** যোহন ৩:১–২১ পদ চাওক

কৰিলে তাৰ বিস্তৰ তদন্ত নকৰাকৈ, দোষী সাব্যস্থ কৰি শাস্তি দিবলৈ অনুমতি দিয়েনে?”

৫২উত্তৰত তেওঁলোকে তেওঁক কলে, “আপুনি ও গালীল বাসী নহয়তু? শাস্ত্ৰ অধ্যয়ন কৰি চাওঁক, তাত দেখিব যে গালীলৰ পৰা কোনো ভাৱবাদী[a] নোলায়।”

### ব্যভিচাৰিণীৰ বিচাৰ

৫৩ইয়াৰ পাচত তেওঁলোকে প্ৰতিজনেই ঘৰাঘৰি গ'ল।

### ব্যভিচাৰ কৰি ধৰাপৰা এগৰাকী তিৰোতা

৮ ১সকলোবোৰ ঘৰলৈ যোৱাৰ পাছত যীচুও জৈতুন পৰ্ব্বতলৈ গ'ল। ২পাচদিনা অতি পুৱাতে তেওঁ পুনৰায় মন্দিৰলৈ আহিল। তাতে লোক সমূহ তেওঁৰ ওচৰত গোটখালত তেওঁ বহি উপদেশ দিবলৈ ধৰিলে।

৩এনেতে বিধান-পণ্ডিত আৰু ফৰীচী সকলে ব্যভিচাৰত ধৰা পৰা এগৰাকী মহিলাক যীচুৰ ওচৰলৈ আনিলে আৰু তেওঁৰ সন্মূখত থিয় কৰালে। ৪তেওঁলোকে যীচুক ক'লে, “হে গুৰু, এই মানুহ গৰাকী ব্যভিচাৰ কৰি থকা অবস্থাতেই ধৰা পৰিল। ৫মোচিয়ে বিধান অনুসৰি এনে তিৰোতাক শিল দলিয়াই মাৰি পেলোবা উচিত; এতিয়া আপুনি কি কয়?”

৬তেওঁলোকে যীচুক পৰীক্ষা কৰাৰ ছলেৰে এই দৰে কৈছিল; যাতে তেওঁৰ বিৰুদ্ধে অভিযোগ বিচাৰি পায়। কিন্তু যীচুৱে তল মূৰ কৰি আঙুলিৰে মাটিত লিখিবলৈ ধৰিলে। ৭তেওঁলোকে বাৰে বাৰে প্ৰশ্ন কৰি থকাত যীচুৱে থিয়হৈ তেওঁলোকক কলে, “তোমালোকৰ মাজৰ যিজনে কেতিয়াও একো পাপ কৰা নাই তেৱেঁই প্ৰথমে তাইলৈ শিল দলিয়াওঁক।” ৮এই কথা কৈ আকৌ তল মুৰ কৰি মাটিত লিখিবলৈ ধৰিলে।

৯তেওঁলোকে এই কথা শুনি বয়োজেষ্টৰ পৰা আৰম্ভ কৰি সকলোৱে এজন এজন কৈ তাৰ পৰা আঁতৰি গ'ল। তাত কেৱল যীচু থাকিল আৰু সন্মুখত তিৰোতা গৰাকী থিয় দি আছিল। ১০যীচুৱে মুৰ দাঙি চাই তিৰোতা গৰাকীক সুধিলে, “হে নাৰি তেওঁলোক ক'লৈ গল? তোমাক কোনেও দোষী নকৰিলেনে?”

১১তিৰোতাগৰাকীয়ে উত্তৰ দিলে, “হয় প্ৰভু কোনেও দোষী নকৰিলে।”

যীচুৱে কলে, “ময়ো তোমাক দোষী নকৰো, তুমি এতিয়া যাব পাৰা কিন্তু আৰু পাপ নকৰিবা।”[b]

### যীচুৱেই জগতৰ পোহৰ

১২যীচুৱে পুনৰায় তেওঁলোকক কলে, “ময়েই জগতৰ পোহৰ। যিজন মোৰ অনুগামী, তেওঁ কেতিয়াও আন্ধাৰত নুফুৰিব কিন্তু তেওঁলোকে জীৱন দান কৰা সেই পোহৰ পাব।”

১৩তেতিয়া ফৰীচী সকলে কলে, “আপুনি নিজেই নিজৰ বিষয়ে সাক্ষ্য দিছে। আপোনাৰ সাক্ষ্য বিশ্বাস যোগ্য নহয়।”

১৪যীচুৱে তেওঁলোকক উত্তৰ দিলে, “মই নিজেই নিজৰ বিষয়ে সাক্ষ্য দিওঁ আৰু মোৰ সাক্ষ্য সত্য কাৰণ মই কৰ পৰা আহিছো আৰু কলৈ যাও তাক মই জানো। কিন্তু মই কৰ পৰা আহিছো আৰু কলৈ যাঁও তাক তোমালোকে নাজানা। ১৫তোমালোকে জগতৰ মান দণ্ডেৰে বিচাৰ কৰা; কিন্তু মই কাৰো বিচাৰ নকৰো। ১৬যদি কৰো তেন্তে মোৰ বিচাৰ গ্ৰহন যোগ্য হব; কাৰণ মই অকলে বিচাৰ নকৰো। মোক পঠোৱা মোৰ পিতৃও মোৰ লগত থাকে। ১৭তোমালোকৰ বিধানত লিখা আছে যে, দুজন সাক্ষীৰ কথা গ্ৰহন যোগ্য। ১৮মই নিজে মোৰ বিষয়ে সাক্ষ্য দিও আৰু মোক পঠোৱা পিতৃয়েও মোৰ পক্ষে সাক্ষ্য দিয়ে।”

১৯তেওঁলোকে সুধিলে, “আপোনাৰ পিতৃ ক'ত?”

যীচুৱে উত্তৰ দিলে, “তোমালোকে মোক চিনি নোপোৱা আৰু মোৰ পিতৃকো চিনি নোপোৱা। যদি মোক জানিলাহেঁতেন মোৰ পিতৃকো জানিলাহেঁতেন।” ২০যীচুৱে এই সকলো কথা মন্দিৰৰ ধন সংগ্ৰহ কৰা পেৰাৰ ওচৰৰ পৰা উপদেশ দিওঁতে কৈছিল। তথাপি কোনেও তেওঁক ধৰিবলৈ প্ৰয়াস নকৰিলে কাৰণ তেতিয়াও তেওঁৰ সময় উপস্হিত হোৱা নাছিল।

### কেইজনমান যিহূদীয়ে যীচুক বুজি নাপালে

২১পুনৰায় যীচুৱে তেওঁলোকক কলে, “মই ইয়াৰ পৰা যাম আৰু তোমালোকে মোক বিচাৰিবা; কিন্তু তোমালোকে নিজ নিজ পাপতে ক্ষমা নোপোৱাকৈ মৰিবা। মই যি ঠাইলৈ যাম তালৈ তোমালোক আহিব নোৱাৰা।”

২২তেতিয়া যিহূদী নেতা সকলে কবলৈ ধৰিলে, “এওঁ আত্মহত্যা কৰিব বুলি তোমালোকে ভাবা নেকি? নহলে তেওঁ কিয় কৈছে যে মই যলৈ যাওঁ তালৈ তোমালোক আহিব নোৱাৰা।”

২৩যীচুৱে তেওঁলোকক কলে, “তোমালোক নিম্ন লোকৰ কিন্তু মই উদ্ধলোকৰ। তোমালোক এই জগতৰ কিন্তু মই এই জগতৰ নহওঁ। ২৪সেয়েহে মই তোমালোকক কওঁ তোমালোকে নিজ পাপতে মৰিবা। সঁচাকৈয়ে তোমালোকে নিজ নিজ পাপতে ক্ষমাবিহিনে মৰিবা যদি তোমালোকে বিশ্বাস নকৰা যে ‘ময়েই সেই জনা।”[c]

২৫তেওঁলোকে সুধিলে, “তেতিয়া আপুনি নো কোন?”

যীচুৱে উত্তৰ দিলে, “মই কোন তাকেই মই আৰম্ভনিৰ পৰা কৈ আহিছো। ২৬তোমালোকৰ বিষয়ে কবলৈ আৰু বিচাৰ কৰিবলৈ অনেক কথা আছে। কিন্তু যিজনে মোক

[a] **৭:৫২ ভাৱবাদী** দ্বি. বি. ১৪:১৫; পাঁচনি কৰ্ম্ম ৩:২২ আৰু ৭:৩৭ পদ চাওক।

[b] **৮:১১** পুৰনি আৰু উত্তম গ্ৰীক পাঠত ৭:৫৩–৮:১১ পদসমূহ নাই। আন পাঠত এই অংশটো বেলেগ ঠাইত আছে।

[c] **৮:২৪ ময়েই সেই জনা** অনাদি কালৰ পৰা অনন্ত কাল থকা জনা অৰ্থাৎ “ঈশ্বৰ।” যিচয়া ৪১:৪; ৪৩:১০; যাত্ৰাপুস্তক ৩:১৪ আৰু যোহন ৮:২৮, ৫৮ পদ চাওক।

পঠাইছে তেওঁ পৰম সত্য আৰু মই তেওঁৰ পৰা যিহকে
শুনিলো তাকহে কওঁ।”
২৭যীচুৱে যে পিতৃ পৰমেশ্বৰৰ বিষয়ে কৈছে ইয়াক
তেওঁলোকে বুজি নাপালে। ২৮সেয়েহে যীচুৱে তেওঁলোকক
কলে, “মানৱপুত্ৰক যেতিয়া ওপৰলৈ তোলা হব[a] তেতিয়া
ময়েই সেইজনা বুলি তোমালোকে জানিবা লগত
ইয়াকো জানিবা যে মই নিজৰ পৰা একো নকৰো, কিন্তু
পিতৃয়ে যেনে ধৰনে শিকালে তাকেহে কওঁ। ২৯যিজনে
মোক পঠালে তেওঁ মোৰ লগত আছে। তেওঁ মোক
অকলশৰীয়াকৈ ৰখা নাই, কাৰণ তেওঁৰ দৃষ্টিত যি সন্তোষ
জনক, মই সদায় তাকেহে কৰো।” ৩০যীচুৱে এই সকলো
কথা কৈ থকা সময়ত অনেকে তেওঁক বিশ্বাস কৰিলে।

## পাপ মুক্তিৰ বিষয়ে কোৱা যীচুৰ বাক্য

৩১যীচুৱে তেওঁৰ বিশ্বাস কৰা যিহূদী লোক সকলক উদ্দেশ্য
কৰি কবলৈ ধৰিলে, “তোমালোকে যদি মোৰ বাক্য মানি
চলা তেন্তে তোমালোক প্ৰকৃততে মোৰ শিষ্য। ৩২আৰু
তোমালোকে সত্যক জানিবা; যি সত্যই তোমালোকক
মুক্তি দিব।”
৩৩যিহূদীলোক সকলে উত্তৰ দিলে, “আমি আব্ৰাহামৰ
বংশধৰ, আমি কেতিয়াও কাৰো দাসত্ব কৰা নাই; এতেকে
‘তোমালোকে মুক্তি পাবা’ বুলি আপুনি কেনেকৈ কলে?”
৩৪যীচুৱে তেওঁলোকক উত্তৰ দিলে, “মই সত্য কথা
কওঁ, যি জনে পাপ কৰে তেওঁ পাপৰ দাস। ৩৫দাস
সদায় পৰিয়ালবৰ্গৰ লগত নাথাকে, কিন্তু পুত্ৰ সদাকাল
নিজ পৰিয়াল বৰ্গৰ লগতে থাকে। ৩৬সেয়েহে যদি পুত্ৰই
তোমালোকক মুক্তি দিয়ে তেনেহলে তোমালোকে
সঁচাকৈয়ে মুক্ত। ৩৭তোমালোক আব্ৰাহামৰ বংশধৰ বুলি
মই জানো। তথাপি তোমালোকে মোক বধ কৰিবলৈ চেষ্টা
কৰিছা, কাৰণ তোমালোকে মোৰ শিক্ষা গ্ৰহন নকৰা। ৩৮মই
মোৰ পিতৃৰ লগত থাকি যি দেখিলো তাকেহে কৈছো, আৰু
তোমালোকে তোমালোকৰ পিতৃৰ পৰা যি শুনিলা তাকে
কৰিছা।”
৩৯প্ৰত্যুত্তৰত তেওঁলোকে কলে, “আমাৰ পিতৃ হৈছে
আব্ৰাহাম।”
যীচুৱে তেওঁলোকক কলে, “তোমালোক আব্ৰাহামৰ
সন্তান হোৱা হ’লে, আব্ৰাহামে যি কৰিছিল, তোমালোকেও
তাকেই কৰিলাহেঁতেন। ৪০যিজন ব্যক্তিয়ে ঈশ্বৰৰ পৰা
শুনা সত্যকহে কেৱল তোমালোকক জনালে। কিন্তু
তোমালোকে মোক বধ কৰিবলৈহে বিচাৰিছা; আব্ৰাহামেতো
এনে কৰ্ম্ম কৰা নাছিল। ৪১কিন্তু তোমালোকে তোমালোকৰ
পিতৃয়ে কৰা কৰ্ম্মকেই কৰা।”
তেওঁলোকে উত্তৰ দিলে, “আমি জাৰজ নহওঁ; আমাৰ
এজনেই পিতৃ আছে, আৰু সেই জন ঈশ্বৰ।”
৪২যীচুৱে তেওঁলোকক কলে, “ঈশ্বৰ তোমালোকৰ পিতৃ
হোৱা হলে, তোমালোকে মোক প্ৰেম কৰিলাহেঁতেন।
কাৰণ মই ঈশ্বৰৰ পৰা আহিছো আৰু বৰ্ত্তমান তোমালোকৰ
সন্মূখত থিয় আছো। মই স্ব-ইচ্ছাই অহা নাই কিন্তু ঈশ্বৰে
মোক পঠালে। ৪৩মই তোমালোকক কি কৈছো তাক
তোমালোকে কিয় নুবুজা? তোমালোকে মোৰ বাক্যলৈ ধ্যান
নিদিয়া। ৪৪তোমালোকৰ পিতৃ হল চয়তান। তোমালোক
তেওঁৰ পৰা অহা। আৰু তোমালোকে তোমালোকৰ
পিতৃ চয়তানৰ ইচ্ছাহে পূৰন কৰিবলৈ বিচাৰা। চয়তান
আৰম্ভনিৰে পৰা নৰবধী। তেওঁ সত্যৰ পক্ষে কেতিয়াও
থিয় নহয়। কাৰণ তেওঁৰ অন্তৰত লেশমাত্ৰও সত্যতা
নাই। যেতিয়া তেওঁ মিচা কথা কয়, সেয়া প্ৰকৃততে তেওঁৰ
অন্তৰৰ পৰা যি ওলায় তাকেহে কয়। কাৰণ তেওঁ মিচলীয়া
আৰু সকলো মিছাৰ পিতা।
৪৫“তোমালোকে মোক বিশ্বাস নকৰা, কাৰণ মই সচাঁ
কথা কওঁ। ৪৬তোমালোকৰ মাজৰ কোনে মোক পাপী বুলি
প্ৰমাণ কৰিব পাৰে? যদি মই সচাঁ কথা কওঁ তেনেহলে
তোমালোকে মোক কিয় বিশ্বাস কৰিব নোৱাৰা? ৪৭যিজন
ঈশ্বৰৰ, তেওঁ ঈশ্বৰৰ বাক্য শুনে। তোমালোকে যে ঈশ্বৰৰ
কথা নুশুনা; কাৰণ তোমালোক ঈশ্বৰৰ লোক নোহোৱা।”

## যীচুৱে নিজৰ আৰু আব্ৰাহামৰ বিষয়ে কোৱা বাক্য

৪৮ইয়াৰ উত্তৰত যিহূদী সকলে তেওঁক কলে, “আপোনাক
চমৰীয় আৰু ভূতেপোৱা বুলি কওঁতে আমি সচাঁ কোৱা
নাছিলোনে?”
৪৯যীচুৱে উত্তৰ দিলে, “মই ভূতে পোৱা নহওঁ বৰং
মই মোৰ পিতৃক সমাদৰ কৰো কিন্তু তোমালোকে মোক
অনাদৰ কৰা। ৫০মই নিজৰ মান নিবিচাৰো; কিন্তু এজনা
আছে যিজনে মই সমাদৰ পোৱাটো বিচাৰে আৰু তেঁৱেই
বিচাৰ কৰে। ৫১মই সচাঁকৈয়ে তোমালোকক কওঁ, যি
কোনোজনে মোৰ বাক্য মানি চলে, তেওঁৰ কোনো কালেই
মৃত্যু নহব।”
৫২যিহূদী নেতাসকলে তেওঁক কলে, “আমি এতিয়া
বুজিলো যে আপোনাৰ গাত ভূতে লম্ভিলে। আব্ৰাহাম
আৰু ভাৱবাদী সকল মৰিল। তথাপি আপুনি কয় যে
কোনোৱে যদি আপোনাৰ বাক্য মানি চলে তেনেহলে তেওঁ
কোনো কালেই মৃত্যু নহব। ৫৩আপুনি আমাৰ পূৰ্ব্ব পুৰুষ
আব্ৰাহামতকৈ মহান বুলি ভাবেনে কি? আব্ৰাহাম মৰিল,
ভাৱবাদী সকলো মৰিল; আপুনি নিজকে কি বুলি ভাবে?”
৫৪যীচুৱে উত্তৰ দিলে, “যদি মই নিজকে নিজে বৰ বুলি
ভাবো, তেন্তে ই মুল্যহীন। যিজনে মোক গৌৰবান্বিত
কৰে, তেওঁ মোৰ পিতৃ; যাক তোমালোকে ঈশ্বৰ বুলি
কোৱা। ৫৫তোমালোকে তেওঁক নাজানা; কিন্তু মই তেওঁক
জানো। যদি মই তেওঁক নাজানো বুলি কওঁ তেন্তে ময়ো
তোমালোকৰ দৰেই মিছলীয়া হম। কিন্তু মই তেওঁক
জানো আৰু তেওঁৰ বাক্য পালনো কৰো। ৫৬তোমালোকৰ
পূৰ্ব্বপুৰুষ আব্ৰাহামে মই অহা দিন দেখা পাম বুলি উল্লাস
কৰিছিল। তেওঁ দেখা পালে আৰু আনন্দিত হ’ল।”

[a] **৮:২৮ মানৱপুত্ৰক … হব** ইয়াত যীচুক ক্ৰুচত তোলাৰ বিষয়ে কোৱা হৈছে।

৫৭তেতিয়া যিহূদী নেতাসকলে কলে, “আপোনাৰ বয়স
পঞ্চাচ বছৰেই হোৱা নাই আৰু আপুনি আব্ৰাহামক দেখা
পালেনে?”
৫৮যীচুৱে তেওঁলোকক কলে, “মই তোমালোকক সত্য
কওঁ ‘মই’[a] আনকি আব্ৰাহামৰ জন্মৰ আগৰে পৰাই আছো।”
এই কথা শুনি তেওঁলোকে, তেওঁক মাৰিবলৈ শিল তুলি
ললে; ৫৯যীচু লুকাই মন্দিৰৰ চৌহদৰ পৰা আতৰি গল।

## জন্মৰ পৰা অন্ধ এজনক যীচুৱে সুস্থ কৰা

৯ ১যীচুৱে যেতিয়া খোজ কাঢ়ি গৈ আছিল, জন্মৰে পৰা
অন্ধ এজন মানুহক দেখা পালে। ২যীচুৰ শিষ্যসকলে
তেওঁক সুধিলে, “মহাশয়, এই মানুহজন কিয় জন্মান্ধ,
এইটো তেওঁৰ নিজৰ পাপৰ কাৰনে নে? তেওঁৰ পিতৃ-
মাতৃয়ে কৰা পাপৰ কাৰনে হৈছে?”
৩যীচুৱে উত্তৰ দিলে, “তেওঁ বা তেওঁৰ পিতৃ মাতৃয়ে কৰা
পাপৰ কাৰনে নহয়; কিন্তু তেওঁৰ যোগেদি ঈশ্বৰৰ শক্তি
প্ৰকাশ পাবলৈহে তেওঁ জন্মৰে পৰা অন্ধ হৈছে। ৪দিন
থাকোতেই মোক পঠোৱা জনাৰ কামবোৰ আমি কৰিবই
লাগিব। কিয়নো ৰাতি হলে কোনেও কাম কৰিব নোৱাৰে।
৫জগতত মই থকা পর্যন্ত ময়েই জগতৰ পোহৰ।”
৬এইখিনি কোৱাৰ পাছত, তেওঁ মাটিত থুই পেলালে,
থুইৰে বোকা কৰিলে আৰু বোকাখিনি সানি মানুহজনৰ
চকুত লিপি দিলে। ৭আৰু যীচুৱে মানুহজনক কলে, “যোৱা
আৰু চীলোহ (অর্থাৎ “পঠোৱা”) পুখুৰীত ধুই আহাঁ।” তেওঁ
পুখুৰীলৈ গ’ল, চকু ধুলে আৰু ঘূৰি আহিল।তেওঁ প্ৰথম বাৰৰ
বাবে দেখা পালে।
৮এনেতে তেওঁৰ চুবুৰীয়া আৰু তেওঁক ভিক্ষা মাগি
থাকোতে দেখা বিলাকে তেওঁলৈ চাই কবলৈ ধৰিলে, “এওঁ
সেই সদায় ভিক্ষা মাগি বহি থকা মানুহজন নহয়নে?”
৯কিছুমানে কলে, “হয় তেঁৱেই সেইজন।” আনবিলাকে
কলে, “নহয় এইজন সেই মানুহজন নহয়। এইজন
দেখাতহে তেওঁৰ দৰে।”
তেতিয়া অন্ধ মানুহজনে নিজেই কলে, “ময়েই সেইজন
হওঁ।”
১০তেওঁলোকে সুধিলে, “তুমি কেনেকৈ দৃষ্টি পালা?”
১১তেওঁ উত্তৰ দিলে, “যীচু বোলা মানুহ এজনে বোকাৰে
মোৰ চকু লিপি দিলে। আৰু তেওঁ কলে, যোৱা আৰু
চীলোহলৈ গৈ ধুই আহাঁ, সেয়ে মই তালৈ গৈ ধুলো আৰু
প্ৰথম বাৰৰ বাবে দেখা পালো।”
১২তেওঁলোকে তেওঁক সুধিলে, “মানুহজন ক’ত আছে?”
তেওঁ উত্তৰ দিলে, “মই নাজানো।”

## কিছুমান ফৰীচীৰ প্ৰশ্ন

১৩তেতিয়া মানুহবিলাকে সেই মানুহ জনক ফৰীচী বিলাকৰ
ওচৰলৈ লৈ গল। ১৪যি দিনাখন যীচুৱে বোকা সানি লিপি
সেই মানুহজনক দৃষ্টি শক্তি প্ৰদান কৰিছিল সেইদিনা বিশ্ৰাম
বাৰ আছিল। ১৫সেয়ে ফৰীচী সকলেও মানুহজনক সুধিলে,
“তুমি কেনেকৈ দৃষ্টি পালা?”
তেওঁ উত্তৰ দিলে, “তেওঁ মোৰ চকুত বোকা লিপি দিলে,
আৰু মই ধুলো আৰু এতিয়া দেখা পাইছো।”
১৬কিছুমান ফৰীচী লোকে কলে, “সেই মানুহজনে
বিশ্ৰামবাৰ পালন নকৰে। সেয়ে তেওঁ ঈশ্বৰৰ পৰা অহা
নহয়।”
আনবিলাকে কলে, “কিন্তু কোনোবা পাপী মানুহে
কেনেকৈ আচৰিত কর্ম কৰিব পাৰে?” সেয়ে তেওঁলোকৰ
মাজতে মতানৈক্যৰ সৃষ্টি হল।
১৭তেওঁলোকে পুনৰাই মানুহজনক সুধিলে, “তেওঁ যে
তোমাক দৃষ্টি দিলে, তুমিনো তেওঁৰ বিষয়ে কি কোৱা?”
তেওঁ উত্তৰ দিলে, “তেওঁ এজন ভাববাদী।”
১৮যিহূদী নেতা সকলে তথাপিও বিশ্বাস কৰিবলৈ
মান্তি নহ’ল যে মানুহজন অন্ধ আছিল আৰু তেওঁ দৃষ্টি
শক্তি ঘুৰাই পালে। সেয়েহে তেওঁলোকে তেওঁৰ পিতৃ-
মাতৃক মতাই অনালে। ১৯ফৰীচীসকলে তেওঁলোকক
সুধিলে, “তোমালোকে জন্মৰ পৰাই অন্ধ বুলি কোৱাজন
তোমালোকৰ পুত্ৰ এইজনেই নে? তেওঁ যে এতিয়া দৃষ্টি
পালে এইটো কেনেকৈ সম্ভৱপৰ হল?”
২০তেওঁৰ পিতৃ-মাতৃয়ে উত্তৰ দিলে, “আমি জানো তেওঁ
আমাৰ পুত্ৰ আৰু তেওঁ জন্মৰ পৰাই অন্ধ। ২১কিন্তু আমি
নাজানো কেনেকৈ তেওঁ এতিয়া কেনেকৈ দেখা পাবলৈ
সমৰ্থ হল আৰু কোনে দৃষ্টি প্ৰদান কৰিলে তেওঁকেই
সোধক। তেওঁৰ বয়স হৈছে তেওঁ নিজৰ বিষয়ে নিজেই
কব পাৰিব।” ২২তেওঁলোকে এই কাৰণেই এনেকৈ কলে
কিয়নো তেওঁলোকে যিহূদী নেতাবিলাকক ভয় কৰিছিল,
যিহূদী নেতা সকলে আগতেই সিদ্ধান্ত কৰি থৈছিল যে
যিবিলাকে যীচুক খ্ৰীষ্ট বুলি স্বীকাৰ কৰিব তেওঁবিলাকক নাম
ঘৰৰ পৰা বহিষ্কাৰ কৰা হব ২৩সেই কাৰণেই তেওঁৰ পিতৃ-
মাতৃয়ে কলে, “তেওঁৰ বয়স হৈছে তেওঁকেই সোধক!”
২৪যিহূদী নেতা সকলে যিজন অন্ধ আছিল সেই
মানুহজনক পুনৰ মাতি কলে, “তুমি ঈশ্বৰলৈ ভয় ৰাখি সচাঁ
কথা কোৱা, আমি জানো যে সেই মানুহজন পাপী।”
২৫মানুহজনে উত্তৰ দিলে, “তেওঁ পাপী হয়নে নহয় মই
নাজানো। মই মাত্ৰ এটা কথাই জানো, মই অন্ধ আছিলো
আৰু এতিয়া মই দেখা পাইছো।”
২৬তেওঁলোকে সুধিলে, “তেওঁ তোমাক কি কৰিলে?
কেনেকৈ তেওঁ তোমাক দৃষ্টি প্ৰদান কৰিলে?”
২৭তেওঁ উত্তৰ দিলে, “মই আগতেই আপোনালোকক
কলো, কিন্তু আপোনালোকে নুশুনিলে পুনৰায় কিয়
শুনিবলৈ বিচাৰিছে? আপোনালোকেও তেওঁৰ শিষ্য হবলৈ
বিচৰা নাইতো?”
২৮তেতিয়া তেওঁলোকে তেওঁক অপমান কৰিলে আৰু
কলে, “তুমিহে তেওঁৰ শিষ্য, আমি নহয়, আমি মোচিৰ

[a] **৮:৫৮ মই** এই পুৰনি নিয়মত ঈশ্বৰৰ নামত ব্যৱহাৰ হৈছে। যিচয়া ৪১:৪, ৪৩:১০; যাত্ৰা ৩:১৪ যাকি নহওক ইয়াৰ অর্থ ‘মই’ (খ্ৰীষ্ট) কো বুজায়। ২৪ আৰু ২৮ পদত চাওক।

শিষ্য। ২৯আমি জানো ঈশ্বৰে মোচিৰ লগত কথা পাতিছিল।
কিন্তু এই মানুহজন কৰ পৰা আহিছে আমি নাজানো।”
৩০মানুহজনে উত্তৰ দিলে, “এইটো সচাঁকৈ আচৰিত
কথা! তেওঁক কৰ পৰা আহিছে আপোনালোকে নাজানে
কিন্তু তেওঁ মোক দৃষ্টি দিলে। ৩১আমি সকলোৱে জানো
ঈশ্বৰে পাপীবিলাকৰ প্ৰাৰ্থনা নুশুনে কিন্তু তেওঁৰ আৰাধনা
কৰা আৰু তেওঁৰ ইচ্ছা অনুসৰি কাম কৰা সকলৰহে প্ৰাৰ্থনা
শুনে। ৩২এতিয়ালৈকে কোনোৱেই জন্মৰে পৰা অন্ধ
এজনক দৃষ্টি দিয়াৰ কথা শুনা নাই। ৩৩এই মানুহজন ঈশ্বৰৰ
পৰা নহা হলে, তেওঁ একোৱেই কৰিব নোৱাৰিলেহেঁতেন।”
৩৪যিহূদী নেতাবিলাকে উত্তৰ দিলে, “তুমি জন্মৰ
পৰাই পাপী আৰু তুমি আমাক শিকাবলৈ আহিছা?” আৰু
তেওঁলোকে সেই মানুহজনক নাম-ঘৰৰ পৰা বাহিৰ হবলৈ
আৰু বাহিৰতে থাকিবলৈ কলে।

## আত্মিক অন্ধতা

৩৫যেতিয়া যীচুৱে তেওঁবিলাকে মানুহজনক নাম-ঘৰৰ
পৰা জোৰ কৰি বাহিৰ কৰিলে বুলি শুনিবলৈ পালে, তেওঁ
তেওঁক বিচাৰি পাই সুধিলে, “তুমি মানুহৰ পুত্ৰক বিশ্বাস
কৰানে?”
৩৬মানুহজনে কলে, “মহাশয় তেওঁনো কোন? মোক
কওঁক যাতে মই বিশ্বাস কৰিব পাৰো।”
৩৭যীচুৱে তেওঁক কলে, “তুমি ইতিমধ্যে তেওঁক
দেখিলাই আৰু তেঁৱেই সেইজন যিজনৰ লগত এতিয়া
কথা পাতি আছা।”
৩৮মানুহজনে উত্তৰ দিলে, “হয়, হে প্ৰভু মই বিশ্বাস
কৰিছো!” আৰু তেওঁ মূৰ দোৱাই যীচুক সেৱা জনালে।
৩৯যীচুৱে কলে, “মই (পৃথিৱীলৈ) জগতলৈ সোধ-বিচাৰ
কৰিবলৈহে আহিছো যাতে, নেদেখা বিলাকে দেখিবলৈ
পায়, আৰু যিবিলাক মানুহে দেখিছো বুলি কয় তেওঁলোক
কিন্তু অন্ধ হব।”[a]
৪০কিছুমান ফৰীচীয়ে এই দৰে কোৱা শুনি তেওঁ সুধিলে,
“তুমি আমাকো অন্ধ বুলি কৈছানে কি?”
৪১যীচুৱে তেওঁলোকক কলে, “তোমালোক পকৃততে
অন্ধ হোৱা হলে পাপৰ বাবে দোষী নহলাহেতেঁন, কিন্তু
এতিয়া তোমালোকে কৈছা দেখিছো বুলি সেয়ে
তোমালোক দোষী হৈছা।”

## মেৰ-ৰখীয়া আৰু তেওঁৰ মেৰ

১০ ১যীচুৱে কলে, “মই তোমালোকক সঁচাকৈ
কৈছো যে, যি জনে মেৰৰ গঁৰালত দুৱাৰৰ
ফালেদি নোসোমাই, আন ফালেদি বগায় সোমায় তেওঁ
ডকাইত নাইবা মেৰৰ চুৰ। ২কিন্তু যি জনে দুৱাৰেদি সোমায়
তেওঁহে মেৰ-ছাগবিলাকৰ ৰখীয়া। ৩দুৱৰীয়ে ৰখীয়াৰ কাৰণে
দুৱাৰ মেলি দিয়ে আৰু মেৰ বিলাকে তেওঁৰ মাত শুনে,
তেওঁ নিজৰ মেৰ বিলাকক নাম ধৰি মাতে আৰু সিহঁতক
বাহিৰলৈ উলিয়াই নিয়ে। ৪যেতিয়া তেওঁ নিজৰ সকলোবোৰ
মেৰ উলিয়াই লয় তেতিয়া তেওঁ সিহঁতৰ আগে আগে যায়
আৰু মেৰবোৰ তেওঁৰ পাচে পাচে যায় কিয়নো সিহঁতে
তেওঁৰ মাত বুজি পায়। ৫কিন্তু মেৰবিলাকে অচিনাকি জনৰ
পাছে পাছে নাযায়, তেওঁৰ ওচৰৰ পৰা পলাই যায় কিয়নো
সিহঁতে তেওঁক নাজানে আৰু মাতো বুজি নাপায়।”
৬যীচুৱে মানুহ বিলাকক এই দৃষ্টান্ত দিলে কিন্তু
তেওঁলোকে ইয়াৰ অৰ্থ বুজি নাপালে।

## যীচুৱেই সজৰখীয়া

৭সেইয়ে যীচুৱে পুনৰাই কলে, “মই তোমালোকক সঁচাকৈ
কওঁ, ময়েই মেৰৰ দুৱাৰ। ৮মোতকৈ আগত অহা সকলোৱে
চুৰ আৰু ডকাইত, সেয়ে মেৰবোৰে সিহঁতৰ মাত নুশুনিলে।
৯ময়েই দুৱাৰ, যদি কোনোৱে মোৰ যোগেদি প্ৰৱেশ কৰে
তেওঁ পৰিত্ৰাণ পাব। তেওঁলোকে নিৰ্ভয়ে ভিতৰলৈ ওলোৱা
সোমোৱা কৰিব পাৰিব। তেওঁলোকে যি বিচাৰিব সকলো
পাব। ১০চোৰে কেৱল চুৰ, বধ আৰু বিনষ্ট কৰিবলৈহে আহে,
কিন্তু মই আহিছোঁ যাতে তেওঁবিলাকে জীৱন পায় আৰু
তাকেই যেন উপচি পৰাকৈ পায়।
১১“ময়েই মেৰৰ সজৰখীয়া আৰু সজৰখীয়াই নিজৰ
মেৰৰ নিমিত্তে নিজৰ জীৱন দিয়ে। ১২বেচ খোৱা ৰখীয়াই
মেৰ বিলাকক নিজৰ বুলি নাভাবে কাৰন তেওঁ প্ৰকৃত
সজৰখীয়া নহয় কিয়নো যেতিয়া ৰাংকুকুৰ আহে তেতিয়া
তেওঁ মেৰবিলাকক এৰি থৈ পলাই যায়, তেতিয়া ৰাংকুকুৰ
বিলাকে মেৰ বিলাকক আক্ৰমণ কৰি ছেদেলি ভেদেলি
কৰি পেলায়। ১৩সেই মানুহজন পলাই যায় কাৰণ তেওঁ বেচ
খোৱা ৰখীয়া তেওঁ মেৰবোৰৰ কাৰণে চিন্তা নকৰে।
১৪–১৫“ময়েই সজৰখীয়া, মই মোৰ মেৰবোৰক চিনি পাওঁ
আৰু মোৰ মেৰবোৰেও মোক চিনি পায়, যেনেকৈ পিতৃয়ে
মোক জানে তেনেকৈ মইও মোৰ মেৰ-বোৰক জানো আৰু
মেৰবিলাকেও মোক জানে যেনেকৈ মই পিতৃক জানো,
মোৰ মেৰবিলাকৰ কাৰণে মই মোৰ প্ৰাণ দিওঁ। ১৬এই
জাকৰ নোহোৱা আন কিছুমান মোৰ মেৰ আছে, মই
সিবিলাককো আনিম, সিবিলাকেও মোৰ মাত শুনিব আৰু
সিবিলাক এজন ৰখীয়াৰ জাক হৈ পৰিব। ১৭মোৰ পিতৃয়ে
মোক প্ৰেম কৰে কাৰণ মই মোৰ প্ৰাণ দিওঁ। মই মোৰ প্ৰাণ
এইকাৰণেই দিওঁ কিয়নো মই তাক পুনৰাই উভতাই লব
পাৰো। ১৮মোৰ প্ৰাণ কোনেও মোৰ পৰা নলয়; কিন্তু মই স্ব-
ইচ্ছাৰে তাক এৰি দিওঁ। ইয়াক দিবলৈ মোৰ অধিকাৰ আছে
আৰু পুনৰায় উভতাই লবলৈকো মোৰ অধিকাৰ আছে। এই
আজ্ঞা মই মোৰ পিতৃৰ পৰা পাইছোঁ।”
১৯এই কথাৰ বাবে যিহুদী নেতাসকলৰ মাজত পুনৰ
ভেদ-বিভেদৰ সৃষ্টি হল। ২০তেওঁলোকৰ অনেকে
কলে, “এই মানুহজন পাগল হ’ল তাৰ গাত ভূত আছে
তোমালোকে তাৰ কথা কিয় শুনা?”

[a] **৯:৩৯ অন্ধ হোৱা** যীচুৱে যিবিলাক মানুহ শাৰিৰীকভাবে অন্ধ তেওঁবিলাকৰ কথা কোৱা নাই কিন্তু যিবিলাক আত্মীকভাবে অন্ধ তেওঁবিলাকৰ কথা কৈছে।

২১আন কিছুমানে কলে, “এইটো ভূতে পোৱা মানুহৰ
কথা নহয়, ভূতে জানো অন্ধ মানুহক দৃষ্টি দিব পাৰে?”

## যীচুৰ বিৰুদ্ধে যিহুদী নেতাসকল

২২তেতিয়া শীতকালৰ সময় আছিল, জেৰুচালেমত মন্দিৰ
প্ৰতিষ্ঠাৰ পৰ্ব্বৰ সময় ওচৰ চাপিছিল, ২৩আৰু যীচুৱে
মন্দিৰৰ চলোমনৰ বাৰান্দাত খোজ কাঢ়ি আছিল। ২৪যিহুদী
নেতাসকলে তেওঁক আগুৰি ধৰিলে আৰু সুধিলে, “তুমি
আমাক আৰু কিমান দিনলৈকে সন্দেহত ৰাখিবা? তুমিয়েই
যদি মচীহ, আমাক স্পষ্ট ভাৱে কোৱা।”

২৫যীচুৱে তেওঁলোকক উত্তৰ দিলে, “মই ইতিমধ্যে
তোমালোকক কলোঁৱেই, কিন্তু তোমালোকে বিশ্বাস
নকৰিলা। মোৰ পিতৃৰ শক্তিৰ দ্বাৰা কৰি থকা আচৰিত
কৰ্ম্মবোৰেই, মই কোন তাক প্ৰকাশ কৰে। ২৬কিন্তু
তোমালোকে বিশ্বাস নকৰা কিয়নো তোমালোক মোৰ
জাকৰ মেৰ নোহোৱা। ২৭মোৰ মেৰবোৰে মোৰ মাত শুনে।
মই সিহঁতক জানো। সিহঁতে মোৰ পিছে পিছে চলে।
২৮মই সিহঁতক অনন্ত জীৱন দিওঁ আৰু সিহঁতৰ কেতিয়াও
মৃত্যু নহব, আৰু সিহঁতক কোনেও মোৰ পৰা কাঢ়ি নিব
নোৱাৰে। ২৯যি জনা পিতৃয়ে এই সকলোকে মোক দিলে
তেওঁ সকলোতকৈ মহান;[a] আৰু কোনেও মোৰ পিতৃৰ
হাতৰ পৰা সিহঁতক কাঢ়ি নিব নোৱাৰে। ৩০মোৰ পিতৃ আৰু
মই এক।”

৩১যিহুদী নেতাসকল যি সকলে তেওঁৰ কথা শুনি
আছিল তেওঁক মাৰিবলৈ শিল তুলি ললে। ৩২কিন্তু যীচুৱে
তেওঁলোকক উত্তৰ দিলে, “মই পিতৃয়ে কোৱা অনুসাৰে
অনেক আচৰিত কৰ্ম্ম কৰিলো,তোমালোকে সেই
সকলোবোৰ দেখিলা, এইবোৰৰ কোনটো কৰ্ম্মৰ বাবে
তোমালোকে মোক শিল দলিয়াই মাৰিব খুজিছা?”

৩৩যিহুদী নেতাসকলে উত্তৰ দিলে, “আমি তোমাক তুমি
কৰা ভাল কৰ্ম্মৰ বাবে শিল দলিয়াই মাৰিব খোজা নাই কিন্তু
এইবোৰ কথাৰে তুমি ঈশ্বৰৰ নিন্দা কৰিছা। সেই কাৰণে
আমি তোমাক মাৰিব খুজিছো।”

৩৪যীচুৱে তেওঁলোকক উত্তৰ দিলে, “মই কলো
তোমালোকেই ঈশ্বৰ,”[b] এই বুলি তোমালোকৰ নিজৰ
বিধান শাস্ত্ৰত লিখা নাইনে? ৩৫তোমালোকে জানা যে শাস্ত্ৰ
কেতিয়াও সলনি নহয় আৰু ঈশ্বৰে যিবিলাকক তেওঁৰ বাক্য
দিলে, তেওঁলোকেই ঈশ্বৰ, ৩৬যি জনাক ঈশ্বৰে মনোনীত
কৰি জগতলৈ পঠালে, ‘মাত্ৰ মই ঈশ্বৰৰ পুত্ৰ’ বুলি কোৱাৰ
কাৰণে তোমালোকে ঈশ্বৰৰ নিন্দা কৰা বুলি কৈছানে?
৩৭যদি মই মোৰ পিতৃৰ কৰ্ম্ম কৰা নাই তেন্তে মোক বিশ্বাস
নকৰিবা। ৩৮যদি মই মোৰ পিতৃৰ কৰ্ম্ম কৰিছো তেন্তে মোক
বিশ্বাস নকৰিলেও মোৰ কৰ্ম্মবোৰকে বিশ্বাস কৰা, যাতে
তোমালোকে জানিবা আৰু বুজিবা যে পিতৃ মোত আছে
আৰু ময়ো পিতৃত আছোঁ।”

৩৯তেতিয়া তেওঁলোকে আকৌ এবাৰ তেওঁক বন্দী
কৰিবলৈ চেষ্টা কৰিলে; কিন্তু তেওঁলোকৰ হাতৰ পৰা তেওঁ
সাৰি পলাই গ’ল।

৪০তেতিয়া যীচুৱে আকৌ যৰ্দন নদী পাৰ হৈ যি ঠাইত
আগতে যোহনে বাপ্তিস্ম দিছিল, সেই ঠাইলৈ গল আৰু
তাতে থাকিল। ৪১অনেক লোকে তেওঁৰ ওচৰলৈ আহি
কবলৈ ধৰিলে, যোহনে কোনো চিন দেখুওৱা নাছিল কিন্তু
যোহনে যিবোৰ কথা এইজন মানুহৰ বিষয়ে কৈছিল, সেই
সকলোবোৰ সত্য হল, ৪২আৰু সেইঠাইত অনেকে তেওঁত
বিশ্বাস কৰিলে।

## লাজাৰৰ মৃত্যু

**১১** ১বৈথনিয়াত লাজাৰ নামৰ এজন লোক নৰিয়াত
পৰিছিল, সেই নগৰতে মৰিয়ম আৰু তেওঁৰ
বায়েকেও বসবাস কৰিছিল, ২(যি গৰাকী মহিলাই প্ৰভুৰ
চৰণত মূল্যৱান সুগন্ধি তেল বাকি দি নিজৰ চুলিৰে প্ৰভুৰ
চৰণ মচি শুকুৱাই দিছিল, সেই গৰাকী মৰিয়ম এওঁৱেই
আছিল।) নৰিয়াত পৰা লাজাৰ এওঁৰে ভায়েক আছিল।
৩সেয়ে মৰিয়ম আৰু মাৰ্থাই প্ৰভুলৈ বাতৰি দি পঠালে যে,
“হে প্ৰভু আপোনাৰ প্ৰিয় বন্ধু নৰিয়াত পৰি আছে।”

৪যেতিয়া যীচুৱে শুনিলে তেওঁ কলে, “এই নৰিয়াৰ
অন্তিম পৰিনাম মৃত্যুৰ বাবে নহয়, কিন্তু ঈশ্বৰৰ গৌৰৱৰ
উদ্দেশ্যহে হৈছে, ইয়াৰ দ্বাৰাই মানৱ পুত্ৰ গৌৰাৱান্বিত
হব।” ৫যীচুৱে মাৰ্থা, তেওঁৰ ভনীয়েক আৰু লাজাৰক মৰম
কৰিছিল। ৬সেয়ে যেতিয়া তেওঁ লাজাৰৰ নৰিয়াত পৰাৰ
কথা শুনিলে, তেতিয়া তেওঁ যত আছিল তাতেই আৰু
দুদিন থাকিল। ৭ইয়াৰ পাছত তেওঁৰ শিষ্যসকলক কলে,
“বলা আমি যিহুদীয়ালৈ পুনৰ উভতি যাওঁ।”

৮এনেতে তেওঁৰ শিষ্য বিলাকে তেওঁক কলে, “হে ৰবি,
কেইদিন মান আগতে যিহুদী নেতাবিলাকে আপোনালৈ
শিল দলিয়াব বিচাৰিছিল আৰু আপুনি আকৌ তালৈকে গৈ
আছে?”

৯যীচুৱে উত্তৰ দিলে, “এদিনত বাৰ ঘন্টা পোহৰ নহয়নে?
যদি কোনো ব্যক্তিয়ে দিনৰ পোহৰত খোজ কাঢ়ে তেওঁ
উজুতি নাখায় কিয়নো তেওঁ জগতৰ পোহৰত[c] দেখা
পায়। ১০কিন্তু যদি কোনো ব্যক্তিয়ে ৰাতি খোজ কাঢ়ে তেওঁ
উজুতি খায় কিয়নো ৰাতি পোহৰ নাথাকে।”

১১তেতিয়া যীচুৱে তেওঁলোকক কলে, “আমাৰ বন্ধু
লাজাৰ টোপনি গৈছে, কিন্তু মই তেওঁক জগাৱলৈ তালৈ
গৈ আছো।”

১২তেওঁৰ শিষ্যসকলে উত্তৰ দিলে, “প্ৰভু যদিহে
তেওঁ টোপনি গৈছে তেন্তে নিশ্চয় সাৰ পাব।” ১৩যীচুৱে

[a] **১০:২৯ তেওঁ সকলোতকৈ মহান** ক্ষমতাসমূহ আক্ষৰিকভাবে মোৰ পিতৃৰে মোক যি দিলে সি সকলোতকৈ মহান। গ্ৰীক পাঠত বহুতো বিভিন্নতা আছে, কিন্তু প্ৰাচীন পাঠত “মোৰ পিতৃয়ে যি এইবিলাক মোক দিলে সকলোতকৈ মহান।”

[b] **১০:৩৪** উদ্ধৃত গীতমালা ৮২:৬

[c] **১১:৯ জগতৰ পোহৰ** এইটো সূৰ্য্যকো কোৱা হৈছে আৰু যীচুকো কোৱা হৈছে।

তেওঁলোকক লাজাৰৰ মৃত্যুৰ বিষয়ে কৈছিল কিন্তু
তেওঁলোকে ভাবিলে তেওঁৰ স্বাভাৱিক টোপনিৰ কথা
কৈছে বুলি ভাবিলে।
১৪সেয়ে যীচুৱে স্পষ্টকৈ তেওঁলোকক কলে, "লাজাৰ
ঢুকাল, ১৫মই সুখী যে মই তাত নাছিলো। কাৰণ এতিয়া
তোমালোকে মোক বিশ্বাস কৰিবা। আঁহা আমি তেওঁৰ
ওচৰলৈ যাওঁ।"
১৬তেতিয়া থমাচ[a] আন শিষ্য সকলক কলে, "আমিও
যীচুৰ লগতে মৰিবলৈ যাওঁহক।"

### বৈথনিয়াত যীচু

১৭এনেতে যীচুৱে বৈথনিয়ালৈ আহি জানিব পাৰিলে
যে লাজাৰক মৈদাম দিয়া চাৰি দিন হল। ১৮বৈথনিয়া
জেৰুচালেমৰ পৰা প্ৰায় তিনি কিলোমিটাৰ মান দূৰত
আছিল। ১৯অনেক যিহুদী লোকে মাৰ্থা আৰু মৰিয়মক
তেওঁলোকৰ ভায়েকৰ মৃত্যুৰ বাবে শান্তনা জনাবলৈ
আহিছিল।
২০যেতিয়া মাৰ্থাই যীচু আহিছে বুলি শুনিলে, তেওঁ
তেওঁক দেখা কৰিবলৈ ওলাই গল। কিন্তু মৰিয়ম ঘৰতে
থাকিল। ২১মাৰ্থাই যীচুক লগ পাই কলে, "প্ৰভু আপুনি থকা
হলে মোৰ ভাই নমৰিলেহেঁতেন। ২২কিন্তু মই জানো আপুনি
এতিয়াও ঈশ্বৰক যি বিচাৰে ঈশ্বৰে তাকেই আপোনাক দিব।"
২৩যীচুৱে কলে, "তোমাৰ ভায়েৰা মৃত্যুৰ পৰা জী উঠিব।"
২৪মাৰ্থাই উত্তৰ দিলে, "মই জানো পুনৰুত্থানৰ সময়ত
শেষৰ দিনা সি জী উঠিব।"
২৫যীচুৱে কলে, "পুনৰুত্থান আৰু জীৱন ময়েই। যি জনে
মোত বিশ্বাস কৰে, তেওঁ মৰিলেও জীৱ ২৬আৰু যি জনে
জীয়াই থাকি মোত বিশ্বাস কৰে তেওঁ কেতিয়াও নমৰিব,
মাৰ্থা, তুমি এই কথাত বিশ্বাস কৰানে?"
২৭মাৰ্থাই কলে, "হয় প্ৰভু মই বিশ্বাস কৰিছো যে
আপুনিয়েই জগতলৈ আহিব লগা ঈশ্বৰৰ পুত্ৰ মচীহ।"

### যীচুৱে ক্ৰন্দন কৰা

২৮এই কথা কৈ মাৰ্থাই গৈ ভনীয়েক মৰিয়মক গুপুতে মাতি
কলে, "গুৰুজনা ইয়াতে আছে তেওঁ তোমাক মাতিছে।"
২৯মৰিয়মে যেতিয়া শুনিলে, ততালিকে উঠি তেওঁক লগ
কৰিবলৈ আহিল। ৩০যীচুৱে তেতিয়ালৈকে গাৱঁত প্ৰৱেশ
কৰা নাছিল, তেওঁ তেতিয়ালৈকে মাৰ্থাই লগ কৰা ঠাইতে
আছিল। ৩১তেওঁলোকৰ ঘৰলৈ আহি শান্তনা দিয়া যিহুদী
সকলে মৰিয়মক তৎক্ষণাত উঠি ওলাই যোৱা দেখি
মৈদামত কান্দিবলৈ গৈছে বুলি ভাবি তেওঁৰ পাছে পাছে
গল। ৩২মৰিয়মে যীচু থকা ঠাইলৈ গল আৰু যীচুক দেখা
পাই তেওঁৰ চৰণত পৰি কলে, "প্ৰভু আপুনি ইয়াত থকা
হলে মোৰ ভাই নমৰিলেহেতেঁন।"
৩৩যীচুৱে যেতিয়া মৰিয়মক আৰু লগত অহা যিহুদী
বিলাককো উচুপি কন্দা দেখিলে, তেতিয়া তেওঁ আত্মাত
উত্তেজিত হৈ অত্যন্ত ব্যাকুল হল। ৩৪আৰু সুধিলে,
"তোমালোকে তেওঁক ক'ত মৈদাম দিলা?"
তেওঁলোকে কলে, "প্ৰভু আহি চাওঁক।"
৩৫যীচুৱে কান্দিলে।
৩৬যিহুদী বিলাকে কলে, "চোৱা, তেওঁ লাজাৰক কিমান
মৰম কৰিছিল!"
৩৭কিন্তু তেওঁলোকৰ কিছুমানে কলে, "তেওঁৱেই
সেইজন যি জনে অন্ধক দৃষ্টি দিলে, কিন্তু কিয় লাজাৰক
মৃত্যু হোৱাৰ পৰা বচাব নোৱাৰিলে?"

### যীচুৱে লাজাৰক মৃত্যুৰ পৰা জীৱিত কৰা

৩৮তেতিয়া যীচুৱে পুনৰবাৰ মনত বহুত শোক আৰু
ব্যাকুলতাৰে মৈদামৰ ওচৰলৈ গল। এইটো এটা গুহা
আছিল আৰু দুৱাৰ মূখত এচটা ডাঙৰ শিলেৰে ঢকা
আছিল। ৩৯যীচুৱে কলে, "এই শিলচটা আতঁৰাই দিয়া।"
মৃতজনৰ বায়েক মাৰ্থাই কলে, "প্ৰভু এতিয়া দুৰ্গন্ধ হৈছে,
কিয়নো লাজাৰক থোৱা চাৰিদিন হল।"
৪০যীচুৱে তেওঁক কলে, "মই তোমাক কোৱা নাছিলোনে,
যদি তুমি বিশ্বাস কৰা তেন্তে ঈশ্বৰৰ মহিমা দেখিবলৈ পাবা।"
৪১তেতিয়া সেই শিলচটা দুৱাৰ মূখৰ পৰা তেওঁলোকে
আতঁৰাই দিলে। তেতিয়া যীচুৱে ওপৰলৈ চাই কলে, "পিতৃ
মোৰ প্ৰাৰ্থনা শুনাৰ বাবে তোমাক ধন্যবাদ দিওঁ। ৪২মই
জানো তুমি মোৰ প্ৰাৰ্থনা সদায় শুনা; কিন্তু ইয়াত থিয়
হৈ থকা লোক সমূহৰ কাৰণে কৈছোঁ, তুমি যে মোক
পঠাইছা তাক তেওঁলোকে বিশ্বাস কৰে।" ৪৩এই কথা
কৈ, তেওঁ উচ্চস্বৰে কলে, "লাজাৰ বাহিৰ ওলাই আহাঁ।"
৪৪মৃত ব্যক্তিজন বাহিৰ ওলাই আহিল, তেওঁৰ হাত ভৰি
মৈদামৰ কাপোৰেৰে বন্ধা আছিল আৰু মূখখন গামোচাৰে
বন্ধা আছিল।
যীচুৱে তেওঁলোকক কলে, "তেওঁৰ কাপোৰৰ বান্ধ খুলি
মুকলি কৰি দিয়া আৰু তেওঁক যাব দিয়া।"

### যিহুদী নেতা সকলে যীচুৰ হত্যাৰ কু-মন্ত্ৰণা কৰা

*(মথি ২৬:১–৫; মাৰ্ক ১৪:১–২; লূক ২২:১–২)*

৪৫তাৰ পাছত মৰিয়মৰ লগত অহা বহুতো যিহুদীয়া লোকে
যীচুৱে কৰা কৰ্ম্ম দেখি তেওঁত বিশ্বাস কৰিলে। ৪৬কিন্তু
কিছুমানে ফৰীচীবিলাকৰ ওচৰলৈ গৈ যীচুৱে কি কৰিলে
সেই সকলো কলেগৈ। ৪৭তেতিয়া প্ৰধান পুৰোহিত আৰু
ফৰীচী সকলে যিহুদী বিলাকৰ মহা-সভাৰ আহবান কৰিলে।
আৰু কলে, "আমি কি কৰিম? এই মানুহজনে বহুতো
আচৰিত কৰ্ম্ম কৰি আছে। ৪৮আমি যদি তেওঁক এইদৰে
কৰিবলৈ এৰি দিওঁ তেন্তে সকলোৱে তেওঁক বিশ্বাস কৰিব,
আৰু ৰোমীয়া বিলাকে আহি আমাৰ মন্দিৰ আৰু আমাৰ
জাতিকো ধংস কৰিব।"
৪৯তেওঁলোকৰ কায়ফা নামৰ এজনে যিজনে সেই
বছৰৰ বাবে মহাপুৰোহিত আছিল, তেওঁ তেওঁলোকক

[a] **১১:১৬ থমাচ** যাক দিদুমো অৰ্থাৎ "খজাঁ।" থমাচ আৰামিক নাম আৰু দিদুমো হল গ্ৰীক নাম।

কলে, “তোমালোকে একোৱে নাজানা, ৫০তোমালোকে এইটোও বিবেচনা কৰিব পৰা নাইনে যে গোটেই জাতিটো ধ্বংস হোৱাতকৈ এজন মানুহৰ মৃত্যু হোৱাই ভাল!”

৫১তেওঁ নিজৰ পৰা এই কথা কোৱা নাছিল, কিন্তু সেই বছৰ তেওঁ মহাপুৰোহিত হৈ ভবিষ্যৎবাণী কৰিছিল, যে যিহুদীলোক সকলৰ ভালৰ বাবে যীচুৱে মৃত্যুবৰণ কৰিব। ৫২অকল যিহুদী লোকসকলৰ কাৰণেই নহয় কিন্তু গোটেই পৃথিবীত সিচঁৰিত হৈ থকা ঈশ্বৰৰ আন সন্তান বিলাকৰ কাৰনেও, তেওঁ মৃত্যু বৰণ কৰিব।

৫৩সেই দিনাৰ পৰাই তেওঁলোকে যীচুক বধ কৰিবলৈ ষড়যন্ত্ৰ আৰম্ভ কৰিলে। ৫৪সেয়ে যীচুৱে মুকলি ভাৱে যিহুদীবিলাকৰ মাজত অহা যোৱা নকৰিলে, আৰু মৰুপ্ৰান্তৰ ওচৰৰ ইফ্ৰয়িম নামৰ এখন নগৰলৈ গৈ শিষ্য সকলৰে সৈতে তাতে থাকিল।

৫৫যিহুদী সকলৰ নিস্তাৰ পৰ্ব্বৰ[a] সময় ওচৰ চাপিলত অনেক লোকেনিজ নিজ নগৰৰ পৰা নিজকে শুচি কৰিবৰ অৰ্থে জেৰুচালেমলৈ গল। ৫৬তেওঁলোকে যীচুক বিচাৰি আছিল আৰু মন্দিৰৰ প্ৰাংগনত থিয় হৈ পৰস্পৰে কবলৈ ধৰিলে, “তোমালোকে কি ভাৱা? তেওঁ সঁচাকৈ পৰ্ব্বলৈ আহিব জানো?” ৫৭যিহেতু প্ৰধান পুৰোহিত আৰু ফৰীচী বিলাকে আদেশ জাৰি কৰিছিল যে যীচু কত আছে যদি কোনোবাই জানে, তেওঁলোকক জনাব লাগিব যাতে তেওঁলোকে তেওঁক বন্দী কৰিব পাৰে।

## বন্ধু সকলৰ সৈতে বৈথনিয়াত যীচু

*(মথি ২৬:৬–১৩; মাৰ্ক ১৪:৩–৯)*

**১২** ১নিস্তাৰপৰ্ব্বৰ ছদিনৰ আগতে যীচুৱে লাজাৰে নিবাস কৰা বৈথনিয়ালৈ গ'ল, এই লাজাৰকে তেওঁ মৃত্যুৰ পৰা তুলিছিল। ২সেই ঠাইতে তেওঁলোকে তেওঁৰ বাবে ভোজনৰ আয়োজন কৰিলে আৰু মাৰ্থাই আহাৰ বাঢ়ি দিলে। যীচুৰ লগত ভোজন কৰিবলৈ বহা সকলৰ মাজত লাজাৰো আছিল। ৩মৰিয়মে আধা লিটাৰ মান জটামাংসীৰ অতি মূল্যৱান সুগন্ধি দ্ৰব্য লৈ যীচুৰ চৰণত বাকি দিলে, আৰু নিজৰ চুলিৰে তেওঁৰ চৰণ মুচি শুকুৱালে, এনেতে গোটেই ঘৰত সুগন্ধিয়ে আৱৰি ধৰিলে।

৪তেওঁৰ শিষ্য সকলৰ এজন ইস্কাৰিয়োতীয়া যিহুদা যিজনে যীচুক প্ৰতাৰণা কৰিব, তেওঁ কলে, ৫“এই সুগন্ধি দ্ৰব্যৰ মূল্য তিনিশ ৰূপৰ মুদ্ৰা[b] এইবোৰ বেচি দৰিদ্ৰ বিলাকক কিয় দিয়া নহ'ল?” ৬তেওঁ দৰিদ্ৰ বিলাকলৈ চিন্তা কৰি এই কথা কোৱা নাছিল, কিন্তু তেওঁ চোৰ আছিল, আৰু তেওঁ ওচৰত দলটোৰ ধনৰ মোনা আছিল, আৰু নিজৰ ব্যক্তিগত ব্যৱহাৰৰ কাৰনে তাত ভৰোৱা ধনৰ পৰা প্ৰায় চোৰ কৰিছিল।

৭যীচুৱে কলে, “তেওঁক আমনি নকৰিবা, মোক মৈদামত থোৱা দিনৰ বাবে,তাই এইটো কিনি সাঁচি ৰাখি থৈছিল। ৮দৰিদ্ৰ বিলাক তোমালোকৰ লগত সদায় থাকিব,[c] কিন্তু মই তোমালোকৰ লগত চিৰকাল নাথাকো।”

## লাজাৰৰ বিৰুদ্ধে ষড়যন্ত্ৰ

৯অনেক যিহুদী লোকে জানিবলৈ পালে যে যীচু বৈথনিয়াত আছে। সেয়েহে তেওঁলোকে যীচুক লগ পাবলৈ আহিল। অকল যীচুৰ বাবে নহয় লাজাৰকো চাবলৈ আহিল, যি জনক যীচুৱে মৃত্যুৰ পৰা তুলিছিল। ১০এইকাৰনে প্ৰধান পুৰোহিত সকলে লাজাৰকো বধ কৰিবলৈ আচনি প্ৰস্তুত কৰিলে ১১কিয়নো লাজাৰৰ কাৰণেই বহুতো যিহুদী লোকে তেওঁলোকৰ নেতা সকলক বাদ দি যীচুত বিশ্বাস কৰিবলৈ আৰম্ভ কৰিলে।

## ৰজাৰ দৰে জেৰুচালেমত যীচুৰ প্ৰৱেশ

*(মথি ২১:১–১১; মাৰ্ক ১১:১–১১; লূক ১৯:২৮–৪০)*

১২পাচদিনা জেৰুচালেমৰ লোকসকলে যীচু জেৰুচালেমলৈ অহা শুনিৱলৈ পালে এই অসংখ্য লোকসকল নিস্তাৰপৰ্ব্বৰ কাৰনে আহিছিল। ১৩তেওঁলোকে খেজুৰ গছৰ পাত হাতত লৈ তেওঁক লগ কৰিবলৈ গল আৰু এইদৰে ৰিঙিয়াই ৰিঙিয়াই কবলৈ ধৰিলে,

“ ‘ঈশ্বৰৰ প্ৰশংসা হওক![d]
'জয় প্ৰভুৰ প্ৰতিনিধিহৈ অহাজন ধন্য হওঁক!'
*গীতমালা ১১৮:২৫–২৬*

ইস্ৰায়েলৰ ৰজা ধন্য হওঁক!”

১৪শাস্ত্ৰত যেনেকৈ লিখা আছে, যীচুৱে এটা গাধ পোৱালি পাই তাৰ ওপৰত বহিল।

১৫ “হে চিয়োনৰ লোকসকল[e] ভয় নকৰিবা!
চোৱা তোমাৰ ৰজা
গাধ পোৱালিত বহি আহি আছে।” *জখৰিয়া ৯:৯*

১৬তেওঁৰ শিষ্য সকলে প্ৰথমতে এইবোৰ একো বুজি নাপালে, কিন্তু যেতিয়া যীচুক গৌৰৱেৰে উত্তোলিত কৰা

[a] **১১:৫৫ নিস্তাৰ পৰ্ব্ব** যিহুদী সকলৰ এইটো এটা পবিত্ৰ দিন। প্ৰতিবছৰে এই দিনত তেওঁলোকে বিষেশ আহাৰ ভোজন কৰে সোঁৱৰনৰ অৰ্থে যে ঈশ্বৰে তেওঁলোকক ইজিপ্তৰ বন্দী অৱস্থাৰ পৰা মোচিৰ সময়ত উদ্ধাৰ কৰিলে।

[b] **১২:৫ তিনিশ ৰূপৰ মুদ্ৰা** অথবা ৩০০ ডিনাৰী। এই পৰিমান এজন ৰোমীয় কৰ্মচাৰী প্ৰতিদিনৰ মজুৰী হিচাবে এক বছৰৰ মজুৰী হয়।

[c] **১২:৮ দৰিদ্ৰ … আছে** দ্বিতীয় বিবৰণ ১৫:১১

[d] **১২:১৩ প্ৰশংসা** আক্ষৰিক অৰ্থ “হচানা” ইব্ৰী শব্দ প্ৰাৰ্থনা কৰা সময়ত ঈশ্বৰৰ সহায় বিচাৰি কোৱা। ইয়াক হয়তো আনন্দৰ ধ্বনিত ঈশ্বৰৰ প্ৰশংসা আৰু তেওঁৰ মচীহৰ কাৰনে ব্যৱহাৰ হৈছে।

[e] **১২:১৫ চিয়োনৰ লোকসকল** প্ৰকৃততে “চিয়োনৰ জীয়াৰি” অৰ্থাৎ জিৰুচালেম নগৰ।

হৈছিল, শাস্ত্ৰত যে লিখা আছে আৰু মানুহবোৰ যে এই সকলোবোৰ কৰ্ম্ম তেওঁলৈ কৰিলে এই সকলো কথা তেওঁলোকৰ মনত পৰিল।

১৭লাজাৰক মৈদামৰ পৰা মাতি মৃতবিলাকৰ মাজৰ পৰা জীৱিত কৰা সময়ত যিসকল লোক যীচুৰ লগত আছিল তেওঁলোকেই এই সকলোকে সাক্ষ্য দি আছিল। ১৮লোকসমূহে এই কাৰণেই তেওঁক লগ ধৰিবলৈ ওলাই আহিছিল যে তেওঁলোকে শুনিছিল তেৱেঁই সেই আচৰিত কৰ্ম কৰা মানুহজন। ১৯সেয়ে ফৰীচী বিলাকে পৰস্পৰে কবলৈ ধৰিলে, "চোৱা, আমি অকনো সফল হ'ব নোৱাৰিলো। গোটেই জগতখনেই তেওঁৰ পিছে পিছে গ'ল।"

## যীচুৱে জীৱন আৰু মৃত্যুৰ বিষয়ে কয়

২০নিস্তাৰপৰ্ব্বৰ উৎসৱত উপাসনা কৰিবলৈ অহা সকলৰ মাজত কেইগৰাকী মান গ্ৰীক আছিল। ২১তেওঁলোকে গালীলৰ, বৈৎচৈদাৰ নিবাসী ফিলিপৰ ওচৰলৈ গৈ অনুৰুধ কৰি কলে, "মহাশয় আমি যীচুক দেখা পাবলৈ বিচাৰোঁ।" তেতিয়া ফিলিপে আহি আন্দ্ৰিয়ক কলে। ২২তেতিয়া আন্দ্ৰিয় আৰু ফিলিপে আহি যীচুক কলে।

২৩যীচুৱে তেওঁলোকক উত্তৰ দিলে, "মানৱ পুত্ৰৰ গৌৰৱান্বিত হোৱাৰ সময় আহিল। ২৪মই তোমালোকক সঁচাকৈ কওঁ, "ঘেহুঁ ধানৰ বীজ এটা যেতিয়ালৈকে মাটিত পৰি মৰি নাযায়, তেতিয়ালৈকে সি এটাই থাকে, কিন্তু যেতিয়া ই মৰি যায় তেতিয়া বীজটোৱে অসংখ্য ঘেহুঁ উৎপন্ন কৰে। ২৫যি জনে নিজৰ জীৱনক প্ৰেম কৰে তেওঁ তাক হেৰুৱাব, কিন্তু যদি কোনোৱে এই পৃথিৱীত নিজৰ জীৱনক অপ্ৰিয় বুলি জ্ঞান কৰে তেওঁ তাক অনন্ত জীৱনলৈ ৰাখিব। ২৬কোনোৱে যদি মোৰ পৰিচৰ্য্যা কৰে তেওঁ মোৰ পাছে পাছে আহক আৰু মই যি ঠাইত থাকো মোৰ সেৱকো সেই ঠাইতে থাকিব, যদি কোনো জনে মোৰ পৰিচৰ্য্যা কৰে মোৰ পিতৃয়ে তেওঁক সন্মান কৰিব।

## যীচুৱে নিজৰ মৃত্যুৰ বিষয়ে কয়

২৭"এতিয়া মোৰ হূদয় ব্যাকুল হৈছে। মই কি কম? মই কমনে! হে পিতৃ মোক এই যাতনাৰ সময়ৰ পৰা ৰক্ষা কৰা? নহয় এই সময়লৈ দুঃখভোগ কৰিবৰ বাবেইতো মই আহিছোঁ। ২৮হে পিতৃ সেয়াই কৰা যিয়ে তোমাৰ নাম গৌৰাৱন্বিত কৰিব।"

তেতিয়া স্বৰ্গৰ পৰা এটি ধ্বনি আহিল, "মই ইতিমধ্যেই নিজকে গৌৰৱান্বিত কৰিলো, আৰু আকৌ পুনৰবাৰ গৌৰৱান্বিত কৰিম।"

২৯থিয় হৈ থকা লোকসমূহে যেতিয়া শুনিলে তেওঁলোকে কবলৈ ধৰিলে ঢেৰেকনি মাৰিলে।

আন বিলাকে কলে, "স্বৰ্গদূতে তেওঁৰ লগত কথা পাতিলে।"

৩০যীচুৱে কলে, "এই ধ্বনি মোৰ বাবে নহয় কিন্তু তোমালোকৰ বাবেহে আহিছিল। ৩১এই সময় মোৰ নহয়, তোমালোকৰহে এতিয়াই পৃথিৱীৰ সোধবিচাৰৰ সময়। এতিয়া এই পৃথিৱীৰ শাসনকৰ্তাক বাহিৰলৈ পেলাই দিয়া হব। ৩২আৰু মই পৃথিৱীৰ পৰা উত্তোলিত হলে, মই সকলোকে মোলৈ আৰ্কষণ কৰিম।" ৩৩যীচুৱে কি ধৰণে যাতনাময় মৃত্যু বৰণ কৰিব তাকে দেখুৱাবলৈ এইদৰে কৈছিল।

৩৪লোক সমূহে উত্তৰ দি কলে, "আমি বিধান শাস্ত্ৰৰ পৰা শুনিছো যে, মচীহ চিৰদিন জীৱিত হৈ থাকিব, তেন্তে আপুনি কেনেকৈ কব পাৰে যে মানৱৰ পুত্ৰ উত্তোলিত হব লাগিব? এই মানৱৰ পুত্ৰ জন কোন?"

৩৫তেতিয়া যীচুৱে তেওঁলোকক কলে, "তোমালোকৰ লগত পোহৰ অলপ সময়ৰ বাবেহে থাকিব। পোহৰ থাকোতেই তোমালোকে খোজ কাঢ়া যাতে আন্ধাৰে পৰাভূত কৰিব নোৱাৰে, কিয়নো আন্ধাৰত খোজ কঢ়াজনে কলৈ গৈছে নাজানে। ৩৬যেতিয়ালৈকে পোহৰ তোমালোকৰ লগত আছে তাত বিশ্বাস কৰা আৰু তোমালোকেও পোহৰৰ সন্তান হোৱা।" যীচুৱে এইখিনি কথা কৈ তাৰ পৰা আতঁৰি গৈ তেওঁলোকৰ পৰা নিজকে লুকুৱালে।

## অনেক যিহুদীয়ে যীচুক বিশ্বাস কৰিবলৈ অস্বীকাৰ কৰা

৩৭যদিও যীচুৱে এই সকলোবোৰ আচৰিত চিন তেওঁলোকক দেখুৱালে তথাপিও তেওঁলোকে বিশ্বাস নকৰিলে। ৩৮যিচয়া ভাৱবাদীয়ে কোৱা কথাবোৰ পূৰ্ণ এইদৰেই হৈছিল:

"হে প্ৰভু আমাৰ বাৰ্ত্তা কোনে বিশ্বাস কৰিলে?
আৰু কোনেনো ঈশ্বৰৰ শক্তিৰ প্ৰকাশ দেখা
পালে?" *যিচয়া ৫৩:১*

৩৯এইকাৰণেই তেওঁলোকে বিশ্বাস কৰিব নোৱাৰিলে. কিয়নো যিচয়াই আকৌ কৈছিল,

৪০ "ঈশ্বৰে তেওঁলোকৰ চকু অন্ধ কৰিলে
আৰু তেওঁলোকৰ চিত্ত কঠোৰ কৰিলে
যাতে তেওঁলোকে চকুৰে দেখা পাব নোৱাৰে
আৰু হূদয়েৰেও বুজি পাব নোৱাৰে।
তেওঁ এইবোৰ এইকাৰণেই কৰিছিল
যাতে তেওঁলোক সুস্থ হ'বলৈ তেওঁলোকৰ পাপৰ
পৰা নুঘুৰে।" *যিচয়া ৬:১০*

৪১যিচয়াই এইকাৰণেই কৈছিল যে তেওঁ যীচুৰ মহিমা দেখিছিল আৰু তেওঁৰ বিষয়ে কথাও কৈছিল।

৪২তথাপিও অনেকেই যীচুত বিশ্বাস কৰিলে। কিন্তু ফৰীচী সকলৰ ভয়ত তেওঁলোকে এই কথা মুকলিকৈ প্ৰকাশ কৰা নাছিল। কাৰণ তেওঁলোকে নামঘৰৰ পৰা বহিস্কাৰ হব বিচৰা নাছিল। ৪৩কিয়নো তেওঁলোকে ঈশ্বৰতকৈ মানুহৰ প্ৰশংসাহে অধিককৈ ভাল পাইছিল।

### যীচুৰ শিক্ষাই মানুহৰ সোধ-বিচাৰ কৰিব

৪৪যীচুৱে তেতিয়া বৰ মাতেৰে কলে, “যিজনে মোত বিশ্বাস
কৰে, তেওঁ মোত নহয় কিন্তু মোক পঠোৱা জনাক হে
বিশ্বাস কৰে, ৪৫আৰু যি জনে মোক দেখে, তেওঁ মোক
পঠোৱা জনাক হে দেখে, ৪৬মই জগতলৈ পোহৰ স্বৰূপ
হৈ আহিছোঁ যাতে মোক বিশ্বাস কৰা বিলাকে অন্ধকাৰত
নাথাকে।

৪৭“মই মানুহৰ সোধ-বিচাৰ কৰিবলৈ অহা নাই। কিন্তু
জগতক উদ্ধাৰ কৰিবলৈহে আহিছোঁ। যিসকলে মোৰ
শিক্ষা শুনি পালন নকৰে তেওঁলোকৰ সোধ-বিচাৰ
কৰোতাজন মই নহওঁ। ৪৮যি কোনোৱে মোক অগ্ৰাহ্য কৰে
আৰু মোৰ বাক্য গ্ৰহণ নকৰে তেওঁক সোধ-বিচাৰ কৰোতা
এজনা আছে। ৪৯কিয়নো মই নিজৰ পৰা একো কোৱা
নাই, কিন্তু পৰম পিতৃ যিজনে মোক পঠাইছে তেঁৱেই এই
নিৰ্দেশ দিছে মই কি কব লাগে আৰু কি শিক্ষা দিব লাগে।
৫০মই জানো তেওঁ যি কয় তাক পালন কৰাই অনন্তজীৱন
লাভ কৰা সেয়ে মই যি কওঁ পিতৃয়ে মোক কোৱাৰ দৰেই
কওঁ।”

### যীচুৱে শিষ্য সকলৰ ভৰি ধুওৱা

১৩ ১সেয়া আছিল নিস্তাৰপৰ্ব্বৰ উৎসৱৰ আগ দিনা।
যীচুৱে জানিছিল যে তেওঁ এই জগত এৰি পিতৃৰ
ওচৰলৈ যোৱাৰ সময় পালেহি। জগতত থকা তেওঁৰ নিজৰ
শিষ্যসকলক তেওঁ সদায়েই প্ৰেম কৰিছিল। এতিয়া তেওঁ
তেওঁলোকক অন্তিম সময়লৈকে প্ৰেম কৰিলে।

২সন্ধিয়াৰ ভোজন চলি আছিল। ইস্কাৰিয়তীয়া যিহুদাৰ
(চিমোন ইস্কাৰিয়তীয়াৰ পুত্ৰ যিহুদাৰ) অন্তৰত চয়তানে
ইতিমধ্যেই যীচুক প্ৰতাৰণা কৰাৰ কু-বুদ্ধিটো সুমুৱাই
দিলে। ৩পিতৃয়ে যীচুক সকলোৰে ওপৰত ক্ষমতা দিছে।
যীচুৱে ইয়াক জানিছিল। তেওঁ ইয়াকো জানিছিল যে তেওঁ
ঈশ্বৰৰ ওচৰৰ পৰা আহিছে আৰু ঈশ্বৰৰ ওচৰলৈ উভতি
যাব, ৪সেয়ে তেওঁ ভোজনত বহাৰ পৰা উঠিল আৰু গাৰ
বাহিৰৰ কাপোৰখন খুলি থলে, আৰু এখন গামোছা লৈ
নিজৰ ককাঁলত বান্ধি ললে। ৫তাৰ পাছত পাত্ৰত পানী
লৈ শিষ্য সকলৰ ভৰি ধুৱাই তেওঁৰ ককাঁলত বান্ধি ৰখা
গামোছাৰে মুচিবলৈ ধৰিলে।

৬তেওঁ চিমোন পিতৰৰ ওচৰলৈ আহিল, পিতৰে যীচুক
কলে, “হে প্ৰভু আপুনি মোৰ ভৰি ধুৱাবনে?”

৭যীচুৱে উত্তৰ দিলে, “মই কি কৰিছো তোমালোকে
এতিয়া একো বুজি নাপাবা, কিন্তু পিছত বুজিবা।”

৮পিতৰে কলে, “নহয়, আপুনি কেতিয়াও মোৰ ভৰি
ধুৱাব নোৱাৰে।”

যীচুৱে তেওঁক উত্তৰ দিলে, “মই যদি তোমাৰ ভৰি
নুধুৱাওঁ, তুমি মোৰ উত্তৰাধিকাৰৰ ভাগী হব নোৱাৰিবা।”

৯চিমোন পিতৰে তেওঁক কলে, “হে প্ৰভু কেৱল মোৰ
ভৰিয়ে নহয় মোৰ হাত আৰু মূৰো ধুৱাই দিয়ক।”

১০যীচুৱে তেওঁক কলে, “গা ধোৱা জনৰ ভৰিৰ বাদে
আন একো ধুৱাৰ প্ৰয়োজন নাই, বৰঞ্চ তেওঁৰ সৰ্ব শৰীৰ
শুচি। তুমি শুচি কিন্তু তোমালোকৰ সকলোৱে শুচি নহয়।”
১১কোনে তেওঁক শত্ৰুৰ হাতত সোধাই দিব সেইজনক
তেওঁ জানিছিল; সেই কাৰণে তেওঁ কৈছিল, “তোমালোকে
সকলোৱে শুচি নহয়।”

১২তেওঁ ভৰি ধুৱাই এঢাঁলত তেওঁৰ বাহিৰৰ কাপোৰ
জোৰ পিন্ধি ললে আৰু মেজত নিজৰ আসনত বহিল। তেওঁ
সুধিলে, “তোমালোকলৈ মই কি কৰিলো তোমালোকে
বুজিলানে?” ১৩তোমালোকে মোক গুৰু আৰু প্ৰভু বোলা
সেয়া উচিত কথাই কৈছা কিয়নো বাস্তৱিকতে মই সেয়েই
হওঁ। ১৪মই গুৰু আৰু প্ৰভু হওঁ। কিন্তু মই তোমালোকৰ
ভৰি ধুৱালো, সেয়ে তোমালোকেও ইজনে সিজনৰ ভৰি
ধুওৱা উচিত। ১৫মই তোমালোকৰ বাবে এই আৰ্হি ৰাখিলো
যাতে মই তোমালোকলৈ যি কৰিলো তোমালোকেও যেন
আনক কৰিব পাৰা। ১৬মই তোমালোকক সঁচাকৈ কৈছোঁ,
“প্ৰভুতকৈ দাস ডাঙৰ হব নোৱাৰে, আৰু পঠোৱা জনাতকৈ
বাৰ্তাবাহক ডাঙৰ হব নোৱাৰে। ১৭যদি তোমালোকে এই
কথাবোৰ জানি পালন কৰা তেন্তে তোমালোক মহত
আৰ্শীব্বাদত সুখী হবা।

১৮“মই তোমালোকক সকলোৰে বিষয়ে কোৱা নাই,
মই যি সকলক মনোনীত কৰিলো, তেওঁলোকক জানো,
কিন্তু শাস্ত্ৰই যি কৈছে সেয়া পূৰ্ণ হব লাগে: ‘যি জনে মোৰ
ৰুটি খালে, তেঁৱেই মোৰ বিৰুদ্ধে উঠিল।’ [a] ১৯এই ঘটনা
ঘটাৰ পূৰ্বেই মই তোমালোকক কলো যাতে যেতিয়া
ঘটিব তোমালোকে বিশ্বাস কৰিবা যে মইয়েই সেই
জন। [b] ২০মই তোমালোকক সঁচাকৈ কওঁ, মই পঠোৱা
জনাক যিজনে গ্ৰহণ কৰে তেওঁ মোকো গ্ৰহণ কৰে আৰু
যিজনে মোক গ্ৰহণ কৰে তেওঁ মোক পঠোৱা জনাকো
গ্ৰহণ কৰে।”

### তেওঁৰ বিৰুদ্ধে কোন উঠিব যীচুৱে কয়

*(মথি ২৬:২০–২৫; মাৰ্ক ১৪:১৭–২১; লূক ২২:২১–২৩)*

২১এইখিনি কোৱাৰ পাছত যীচুৱে আত্মাত ব্যাকুল
হৈ স্পষ্টভাৱে কলে, “মই তোমালোকক সত্য কওঁ,
“তোমালোকৰে এজনে মোক প্ৰতাৰণা কৰি শত্ৰুৰ হাতত
শোধাই দিব।”

২২তেতিয়া তেওঁৰ শিষ্য সকলে ইজনে সিজনক চাব
ধৰিলে, তেওঁলোকে বুজি নাপালে যে তেওঁ কাৰ বিষয়ে
কৈছে। ২৩তেওঁৰ এজন শিষ্যই তেওঁৰ ওচৰতে বহি আছিল
তেওঁক যীচুৱে বহুত মৰম কৰিছিল। ২৪সেয়ে চিমোন
পিতৰে ইংগিত কৰি সুধিব দিলে যে যীচুৱে কোন জনৰ
বিষয়ে কৈছে।

[a] **১৩:১৮ মোৰ বিৰুদ্ধে উঠিল** আক্ষৰিকভাৱে তেওঁৰ ভৰি মোৰ বিৰুদ্ধে দাঙিলে। গীতমালা ৪১:৯

[b] **১৩:১৯ মইয়েই** আক্ষৰিকভাৱে মই। মই পুৰনি নিয়মত ঈশ্বৰৰ নামত ব্যৱহাৰ কৰা হৈছে। যিচয়া ৪১:৪, ৪৩:১০, যাত্ৰাপুস্তক ৩:১৪ কিন্তু ইয়াত “মইয়েই মচীহ” অৰ্থ বুজাইছে।

২৫যীচুৰ প্ৰিয় শিষ্য জনে তেওঁৰ বুকুলৈ হলি গৈ সুধিলে,
“হে প্ৰভু সেইজন কোন?”
২৬যীচুৱে উত্তৰ দিলে, “যি জনক মই ৰুটি এটুকুৰা পাত্ৰত
জুবুৰিয়াই দিম তেঁৱেঁই সেইজন।” তাৰ পাছত তেওঁ ৰুটি
এডোখৰ লৈ পাত্ৰত জুবুৰিয়াই ললে আৰু ইস্কাৰিয়োতীয়া
চিমোনৰ পুতেক যিহুদাক দিলে। ২৭যিহুদাই ৰুটি টুকুৰা
লোৱাৰ মূহুৰ্ত্ততে চয়তানে তেওঁৰ অন্তৰত প্ৰৱেশ কৰিলে।
যীচুৱে তেওঁক কলে, “তুমি কি কৰিবলৈ ওলাইছা
সোনকালে কৰা!” ২৮কিন্তু ভোজনৰ মেজত বহি থকা
কোনেও নাজানিলে যে যীচুৱে এইদৰে কিয় কলে।
২৯কিছুমানে ভাবিলে যিহেতু যিহুদাৰ হাতত ধনৰ মোনা
আছিল সেয়ে উৎসৱৰ বাবে প্ৰয়োজনীয় বস্তুবোৰ নিবলৈ
বা দৰিদ্ৰ সকলক কিবা দিবলৈ কৈছে।
৩০যিহুদাই যীচুৱে দিয়া ৰুটি টুকুৰা লৈ খালে আৰু
তৎক্ষণাত ওলাই গ’ল। তেতিয়া ৰাতি হৈছিল।

## যীচুৱে নিজৰ মৃত্যুৰ বিষয়ে কোৱা

৩১যিহুদাই যোৱাৰ পাছত যীচুৱে কলে, “মানৱপুত্ৰ
মহিমান্বিত হোৱা আৰু তেওঁৰ যোগেদি ঈশ্বৰৰ গৌৰৱান্বিত
হোৱাৰ সময় আহিল। ৩২যদি ঈশ্বৰে তেওঁৰ যোগেদি
গৌৰৱান্বিত হয় তেতিয়া ঈশ্বৰেও তেওঁৰ যোগেদি মানুৱ
পুত্ৰক গৌৰৱান্বিত কৰিব আৰু এইটো অতি শীঘ্ৰেই ঘটিব।”
৩৩যীচুৱে কলে, “হে মোৰ প্ৰিয় সন্তান সকল, মই অলপ
সময়হে তোমালোকৰ লগত আছোঁ তোমালোকে মোক
বিচাৰিবা, কিন্তু মই যিহুদী সকলক কোৱাৰ দৰে,এতিয়া মই
তোমালোকক কৈছো,মই যি ঠাইলৈ যাম তোমালোকে
সেই ঠাইলৈ যাব নোৱাৰা।”
৩৪“মই তোমালোকক এটা নতুন আজ্ঞা দিওঁ যে
তোমালোকে ইজনে সিজনক প্ৰেম কৰিবা। মই যেনেকৈ
তোমালোকক প্ৰেম কৰিলো তেনেকৈয়ে তোমালোকে
ইজনে সিজনক প্ৰেম কৰিবা। ৩৫যদি তোমালোকৰ ইজনে-
সিজনৰ প্ৰতি প্ৰেম থাকে তেতিয়া তাৰ দ্বাৰাই সকলোৱে
জানিব যে তোমালোক মোৰ শিষ্য।”

## পিতৰে তেওঁক অস্বীকাৰ কৰিব বুলি যীচুৱে কোৱা

*(মথি ২৬:৩১–৩৫; মাৰ্ক ১৪:২৭–৩১; লূক ২২:৩১–৩৪)*

৩৬চিমোন পিতৰে যীচুক সুধিলে, “হে প্ৰভু আপুনিনো কলৈ
যায়?”
যীচুৱে উত্তৰ দিলে, “তুমি এতিয়া মোৰ পিছে পিছে
আহিব নোৱাৰা, কিন্তু পাছত তুমি মোৰ পিছে পিছে
আহিবা।”
৩৭পিতৰে সুধিলে, “প্ৰভু মই কিয় এতিয়া আপোনাৰ
পিছে পিছে যাব নোৱাৰো? আপোনাৰ বাবে মই মোৰ
জীৱনো দিম।”
৩৮যীচুৱে উত্তৰ দিলে, “তুমি কি জীৱন দিবা? মই
তোমাক সঁচাকৈ কওঁ, কুকুৰাই ডাক দিয়াৰ আগতেই তুমি
মোক তিনিবাৰ অস্বীকাৰ কৰিবা।”

## যীচুৱে নিজৰ শিষ্য সকলক শান্তনা দিয়া

১৪ ১তোমালোক চিন্তিত আৰু ব্যাকুল নহবা। ঈশ্বৰত
বিশ্বাস কৰা আৰু মোতো বিশ্বাস কৰা, ২মোৰ
পিতৃৰ ঘৰত অনেক থকা ঠাই আছে (নথকা হলে মই
তোমালোকক নকলো হয়) মই তোমালোকৰ বাবে ঠাই
যুগুত কৰিবলৈ গৈ আছোঁ। ৩মই গৈ তোমালোকৰ বাবে
ঠাই যুগুত কৰিম আৰু মই পুনৰ আহিম আৰু তোমালোকক
মোৰ লগত লৈ যাম। যাতে মই য’ত থাকো তোমালোকো
তাতে থাকা। ৪মই য’ত গৈ আছোঁ তোমালোকে সেই
বাটটো জানা।
৫থোমাই কলে, “হে প্ৰভু আপুনিনো কলৈ যাব তাকেই
নাজানো, তেন্তে বাটনো কেনেকৈ জানিম?”
৬যীচুৱে তেওঁক কলে, “ময়েই সেই বাট, সত্য আৰু
জীৱন। মোৰ যোগেদি নগলে কোনেও পিতৃৰ ওচৰলৈ যাব
নোৱাৰে। ৭তোমালোকে মোক জনা হলে, তোমালোকে
পিতৃকো জানিলাহেতেঁন। এতিয়া তোমালোকে তেওঁক
জানিছা আৰু দেখিছাওঁ।”
৮ফিলিপে তেওঁক কলে, “হে প্ৰভু, পিতৃক আমাক
দেখুৱাওঁক আৰু আমি তাতেই সন্তোষ্ট হম।”
৯যীচুৱে তেওঁক কলে, “মই তোমালোকৰ লগত বহু
সময় থাকিলো কিন্তু হে ফিলিপ তুমি মোক এতিয়াও চিনি
পোৱা নাইনে? যিজনে মোক দেখিলে তেওঁ পৰম পিতৃক
দেখিলে, তুমি কেনেকৈ কব পাৰা যে আমাক পিতৃক
দেখুৱাওঁক। ১০তুমি বিশ্বাস কৰানে যে, মই মোৰ পিতৃত
আছোঁ আৰু মোৰ পিতৃ মোত আছে? মই তোমালোকক
যিবোৰ কথা কওঁ সেইবোৰ মোৰ পৰা নাহে, মোত নিবাস
কৰা পিতৃয়ে তেওঁৰ কৰ্ম্ম কৰে। ১১মই যেতিয়া কওঁ মই
পিতৃত আছোঁ আৰু পিতৃ মোত আছে এই কথা বিশ্বাস
কৰা নতুবা মই কৰা আচৰিত কৰ্ম্মবোৰৰ বাবেই বিশ্বাস
কৰা।
১২“মই তোমালোকক সত্য কথাই কওঁ, যিজনে
মোত বিশ্বাস কৰে, তেওঁ মই কৰা কৰ্ম্ম বোৰকে কৰিব,
প্ৰকৃততে তেওঁ তাতোতকৈ মহৎ মহৎ কৰ্ম্ম কৰিব কিয়নো
মই পিতৃৰ ওচৰলৈ যাওঁ। ১৩পুত্ৰৰ যোগেদি যাতে পিতৃ
গৌৰৱান্বিত হয় সেয়ে মোৰ নামত তোমালোকে যিহকে
খোজা তাকেই মই তোমালোকৰ বাবে কৰিম। ১৪যদি মোৰ
ক্ষমতাত কিবা খোজা মই তোমালোকৰ বাবে তাকেই
কৰিম।

## পবিত্ৰ আত্মাৰ বাবে কৰা প্ৰতিজ্ঞা

১৫“তোমালোকে যদি মোক প্ৰেম কৰা, তেন্তে মোৰ
আজ্ঞাবোৰ পালন কৰিবা। ১৬মই পিতৃৰ ওচৰত নিবেদন
কৰিম আৰু তেওঁ তোমালোকৰ বাবে আন এজন সহায়কৰ্তা
পঠিয়াই দিব, যাতে তেওঁ তোমালোকৰ লগত সদায়
থাকে। ১৭সেয়া হৈছে সত্যৰ আত্মা[a] যাক জগতে গ্ৰহন

[a] **১৪:১৭ সত্যৰ আত্মা** পবিত্ৰ আত্মা। এইটা আত্মাৰ কাৰ্য্য হয় বিশ্বাসী সকলক ঈশ্বৰৰ সত্যতা বুজিবলৈ। যোহন ১৬:১৩

করিব নোৱাৰে, কিয়নো জগতে তেওঁক দেখা নাপায় আৰু নাজানেও। তোমালোকে তেওঁক জানা, কিয়নো তেওঁ তোমালোকৰ লগত বৰ্তমানে আছে আৰু ভৱিষ্যতেও তোমালোকৰ লগত থাকিব।

১৮“মই তোমালোকক অনাথকৈ এৰি নাযাওঁ, মই তোমালোকৰ ওচৰলৈ পুনৰ ঘুৰি আহিম। ১৯অলপ সময়ৰ পাছত জগতে মোক আৰু দেখা নাপাব, কিন্তু তোমালোকে মোক দেখিবা;কিয়নো মই জীবিত বাবে তোমালোকো জীয়াই থাকিবা। ২০সেই দিন আহিলে তোমালোকে জানিবা যে মই পৰম পিতৃত আছোঁ আৰু তোমালোক মোত আছা আৰু মই তোমালোকত আছো। ২১যি সকলে মোৰ আজ্ঞাবোৰ গ্ৰহণ কৰি পালন কৰে তেওঁলোকহে মোক প্ৰেম কৰে। মোৰ পিতৃয়েও তেওলোকক প্ৰেম কৰে, ময়ো তেওঁলোকক প্ৰেম কৰো আৰু তেওঁলোকৰ আগত মই নিজকে প্ৰকাশ কৰিম।”

২২যিহুদাই (ইস্কাৰিয়োতীয়া যিহুদা নহয় অন্য) তেওঁক কলে, “হে প্ৰভু আপুনিনো কেনেকৈ জগতৰ আগত নিজকে প্ৰকাশ নকৰি আমাৰ আগত কৰিব?”

২৩উত্তৰ দি যীচুৱে কলে, “যি সকলে মোক প্ৰেম কৰে, তেওঁলোকে মোৰ বাক্যও পালন কৰিব আৰু মোৰ পৰম পিতৃয়েও তেওঁলোকক প্ৰেম কৰিব আৰু মোৰ পিতৃ আৰু মই আহি তেওঁত নিবাস কৰিম। ২৪কিন্তু যি কোনোৱে মোক প্ৰেম নকৰে তেওঁ মোৰ বাক্যও পালন নকৰে, তোমালোকে শুনি থকা বাক্যবোৰ মোৰ নহয় কিন্তু মোক পঠোৱা পিতৃৰ হয়।

২৫“মই তোমালোকৰ লগত থাকোতেই এইবোৰ কথা কৈছো। ২৬কিন্তু সহায়কৰ্ত্তাই সকলো কথা শিকাব আৰু মই কোৱা আটাই কথাবোৰ সোঁৱৰন কৰাব। এই সহায়কৰ্ত্তা জন হ’ল ‘পবিত্ৰ আত্মা’ যিজনক, পিতৃয়ে মোৰ পৰিবৰ্তে পঠিয়াব।

২৭“মই তোমালোকক শান্তি দি আঁতৰি যাম, মোৰ নিজ শান্তি দিছোঁ, জগতে যেনেকৈ দিয়ে মই তেনেকৈ নিদিওঁ, গতিকে তোমালোক চিন্তিত আৰু ব্যাকুল নহবা আৰু ভয়ো নকৰিবা। ২৮তোমালোকে মই কোৱা শুনিলা যে মই যাবলৈ ওলাইছোঁ; কিন্তু আকৌ তোমালোকৰ ওচৰলৈ ঘুৰি আহিম। তোমালোকে মোক প্ৰেম কৰা হলে, মই যে পিতৃৰ ওচৰলৈ যাওঁ সেই কথাত আনন্দিত হলাহেঁতেন; কাৰণ পিতৃ মোতকৈ মহান। ২৯সেয়ে এই সকলো ঘটাৰ পূৰ্বেই মই তোমালোকক সকলো কথা কলো, যাতে এইবিলাক যেতিয়া ঘটিব তোমালোকে বিশ্বাস কৰিবা।

৩০“মই তোমালোকৰ সৈতে বেছিসময় কথা কব নোৱাৰো, কাৰণ এই জগতৰ অধিপতি আহি আছে; কিন্তু মোৰ ওপৰত তেওঁৰ কোনো ক্ষমতা নাই। ৩১কিন্তু মই যে পিতৃক প্ৰেম কৰো, আৰু সেইকাৰণেই পিতৃয়ে দিয়া আজ্ঞা অনুসাৰে মই সকলো কাৰ্য্য কৰো তাক জগতে জনাটো উচিত।

“উঠা! আহাঁ! আমি এই ঠাইৰ পৰা যাওঁহক।”

## যীচুৱেই প্ৰকৃত দ্ৰাক্ষালতা

**১৫** ১ময়েই প্ৰকৃত দ্ৰাক্ষালতা আৰু মোৰ পিতৃ খেতিয়ক। ২ফল নধৰা প্ৰতিটো ডালকে তেওঁ কাটি পেলায়, আৰু ফল ধৰা প্ৰতিটো ডালক তেওঁ কলম কৰি পৰিস্কাৰ কৰি দিয়ে যাতে আৰু অধিক ফল ধৰে। ৩মই তোমালোকক দিয়া বাক্যৰ গুণে তোমালোকে এতিয়া পৰিস্কাৰ হৈছা আৰু অধিক ফল দিবলৈ প্ৰস্তুত হৈছা। ৪তোমালোক মোত থাকা আৰু ময়ো তোমালোকত থাকিম। কোনো ডালে যেনেকৈ অকলে আপোনা-আপুনি ফল ধৰিব নোৱাৰে ই গা গছত লাগি থাকিবই লাগিব ,ঠিক সেইদৰে তোমালোকেও মোত নাথাকিলে অকলে ফল ধৰিব নোৱাৰিবা।

৫“ময়েই দ্ৰাক্ষালতা আৰু তোমালোক ডাল; যিজনে মোত থাকে আৰু যিজনত মই থাকো তেওঁ বহুত ফলৱান হয়, কিয়নো মোৰ অবিহনে তোমালোকে একো কৰিব নোৱাৰা। ৬যিজনে মোত নাথাকে তেওঁ সেই ডালৰ নিচিনা যাক বাহিৰলৈ পেলাই দিয়া হয়, আৰু শুকাই যায়, আৰু সেইবোৰ গোটাই জুইত পেলাই পুৰি দিয়া হয়। ৭তোমালোকে যদি মোত থাকা, আৰু মোৰ বাক্যও যদি তোমালোকে পালন কৰা তেন্তে তোমালোকে যিহকে ইচ্ছা কৰা আৰু খোজা তাকে তোমালোকক দিয়া হব। ৮তোমালোকত অধিক ফল ধৰাৰ দ্বাৰাই তোমালোক যে মোৰ শিষ্য তাৰ প্ৰমান হয়। আৰু ইয়াৰেই মোৰ পিতৃ গৌৰৱান্বিত হয়।

৯“পিতৃয়ে মোক যেনেকৈ প্ৰেম কৰে, ময়ো তোমালোকক প্ৰেম কৰোঁ, তোমালোক মোৰ প্ৰেমতে থাকা। ১০যেনেকৈ মই পিতৃৰ আজ্ঞা পালন কৰি তেওঁৰ প্ৰেমত থাকো তেনেকৈ তোমালোকো মোৰ আজ্ঞা পালন কৰি মোৰ প্ৰেমতে থাকিবা। ১১মোৰ আনন্দ যেন তোমালোকত থাকে, আৰু তোমালোকৰ আনন্দ যেন সম্পূৰ্ণ হয় সেই কাৰণেই মই তোমালোকক এইবোৰ কথা কলো। ১২মোৰ আজ্ঞা এইযে যে মই যেনেকৈ তোমালোকক প্ৰেম কৰিলো ঠিক তেনেৰুপে তোমালোকেও ইজনে সিজনক প্ৰেম কৰিবা। ১৩কোনোৱে নিজৰ বন্ধুৰ বাবে নিজৰ প্ৰাণ দিয়াতকৈ অধিকতৰ প্ৰেম আৰু হব নোৱাৰে। ১৪মই দিয়া আজ্ঞাবোৰ যদি পালন কৰা তেন্তে তোমালোক মোৰ বন্ধু। ১৫এতিয়াৰ পৰা মই তোমালোকক দাস বুলি নকওঁ কিয়নো প্ৰভুৱে কি কৰিছে তাক দাসে নাজানে; কিন্তু মই তোমালোকক বন্ধু বুলি মাতিলো; কিয়নো মই মোৰ পিতৃৰ পৰা শুনা সকলো তোমালোকক জনালো।

১৬“তোমালোকে যে মোক মনোনীত কৰিলা এনে নহয় কিন্তু মইহে তোমালোকক মনোনীত কৰিলো আৰু তোমালোকে যেন গৈ অধিক ফলৱন্ত হোৱা আৰু সেইফল যেন চিৰকাল থাকে, যাতে মোৰ অধিকাৰত যি খোজা তাকে যেন পিতৃয়ে তোমালোকক দিয়ে। ১৭মই তোমালোকক আজ্ঞা দিছোঁ: তোমালোকে পৰস্পৰে প্ৰেম কৰিবা।

## শিষ্যসকলক যীচুৱে সাৱধান কৰা

১৮“যদি জগতখনে তোমালোকক ঘৃণা কৰে তেন্তে মনত পেলাবা যে তেওঁলোকে প্ৰথমতে মোকেই ঘৃণা কৰিলে। ১৯তোমালোক জগতৰ হোৱা হলে জগতখনে নিজৰ লোকবিলাকৰ দৰেই তোমালোকক প্ৰেম কৰিলেহেতেঁন। মই তোমালোকক জগতৰ পৰা মনোনীত কৰিলোসেয়ে তোমালোক জগতৰ নোহোৱা; এই কাৰণেই জগতখনে তোমালোকক ঘৃণা কৰে।

২০“মই তোমালোকক কোৱা কথাবোৰ সোঁৱৰণ কৰা, প্ৰভুতকৈ দাস শ্ৰেষ্ঠ হব নোৱাৰে। তেওঁলোকে যদি মোক তাড়না কৰে তোমালোককো তেওঁলোকে তাড়না কৰিব। তেওঁলোকে মোৰ বাক্য মনা হলে, তোমালোকৰো বাক্য মানিলেহেতেঁন। ২১তেওঁলোকে মোলৈ যি কৰিলে তোমালোককো তাকেই কৰিব। কাৰণ তোমালোক মোৰ হোৱা। ২২যদি মই আহি এই জগতৰ মানুহবিলাকক নোকোৱা হলে তেওঁলোকে কোনো পাপৰ দোষত দোষীসাব্যস্ত নহলহেতেঁন। কিন্তু এতিয়া মই তোমালোকক জনোৱাৰ কাৰনে পাপৰ বিষয়ে আপত্তি দৰ্শাবলৈ কোনো উপাই নাই।

২৩“যি জনে মোক ঘৃণা কৰে তেওঁ পৰম পিতৃকো ঘৃণা কৰে। ২৪যি কৰ্ম্ম আন কোনেও কেতিয়াও কৰা নাই, মই তেওঁলোকৰ মাজত তেনে কৰ্ম্ম নকৰা হলে তেওঁলোকে ঈশ্বৰৰ বাক্য অস্বীকাৰ কৰাৰ বাবে তেওঁলোকৰ পাপৰ দোষী নহলহেতেঁন কিন্তু মই কৰা কৰ্ম্ম দেখিলে তথাপিও তেওঁলোকে মোক আৰু পৰম পিতৃ দুয়োজনকে ঘৃণা কৰিলে। ২৫এইৰূপে বিধান শাস্ত্ৰৰ লিখা বাক্য সত্য হল; ‘তেওঁলোকে মোক অকাৰণে ঘৃণা কৰিলে।’

২৬“যেতিয়া সহায়কৰ্তা (অৰ্থাৎ পিতৃৰ পৰা অহা সত্যৰ আত্মা) পিতৃৰ ওচৰৰ পৰা মই পঠাম তেওঁ আহি মোৰ বিষয়ে সাক্ষ্য দিব। ২৭আৰু তোমালোকেও আৰম্ভণিৰ পৰা মোৰ লগত আছা কাৰণে তোমালোকেও সাক্ষ্য দিবা।

**১৬** ১“যেতিয়া তোমালোক তাড়নাৰ সন্মুখীন হবা তেতিয়া তোমালোকে যেন বিশ্বাসৰ পৰা খহি নপৰা এই কাৰণেই এইবোৰ কথা কলো। ২তেওঁলোকে তোমালোকক নাম-ঘৰৰ পৰা বহিস্কাৰ কৰি দিব। প্ৰকৃততে এনে এটা সময় আহিছে তোমালোকক বধ কৰোঁতা বিলাকে ঈশ্বৰৰ সেৱা কৰিছো বুলি ভাবিব। ৩পৰম পিতৃ বা মোক নজনাৰ বাবে তেওঁলোকে এনেবোৰ কৰ্ম্ম কৰিব। ৪মই কিন্তু তোমালোকক প্ৰস্তুত হবলৈ এই সকলোবোৰ কথা এতিয়াই কৈ থলো যাতে সেই সময়ত যেতিয়া এই সকলোবোৰ ঘটিব মই সৰ্তক কৰি কোৱা কথা বোৰ তোমালোকে সোঁৱৰণ কৰা।

## পবিত্ৰ আত্মাৰ কাৰ্য্য

“মই তোমালোকৰ লগত থকাৰ কাৰণে আৰম্ভণিত এইবোৰ কথা কোৱা নাছিলো। ৫কিন্তু এতিয়া মোক পঠোৱা জনাৰ ওচৰলৈ উভটি যাওঁ আৰু তোমালোকৰ কোনেও মোক নুসুধিবা, ‘আপুনি কলৈ যায় বুলি?’ ৬এতিয়া মই তোমালোকক এইবোৰ কথা কোৱাৰ কাৰণে তোমালোকৰ হৃদয় শোকেৰে পৰিপূৰ্ণ হৈছে। ৭কিন্তু মই তোমালোকক সঁচাকৈ কৈছোঁ, মই যোৱাটো তোমালোকৰ পক্ষে মঙ্গলজনক, কাৰন মই যদি নাযাওঁ সেই সহায়কৰ্তা তোমালোকলৈ নাহিব, কিন্তু মই গলে তেওঁক তোমালোকৰ ওচৰলৈ পঠাই দিম।

৮“যেতিয়া সহায়কৰ্তাজন আহিব তেওঁ জগতৰ পাপ ধাৰ্মিকতাৰ বিষয়ে, সোধ-বিচাৰৰ বিষয়ে সন্দেহ দূৰ কৰিব। ৯তেওঁৱেই দেখুৱাব পাপী সেই সকলহে যিয়ে মোত বিশ্বাস নকৰে; ১০এতিয়া মই পিতৃৰ ওচৰলৈ যাওঁ, আৰু তোমালোকে মোক দেখিবলৈ নাপাবা; সেয়ে তেওঁ দেখুৱাব যে মোৰ প্ৰতি ঈশ্বৰৰ সন্মতি আছে। ১১তেওঁৱেই দেখুৱাব কাৰ সোধ-বিচাৰ কৰা হ’ব। কাৰণ জগতৰ শাসনকৰ্তাজনক দোষী সাব্যস্ত কৰা হ’ল।

১২“এতিয়া তোমালোকক কবলৈ বহুত কথাই আছে, কিন্তু তোমালোকে সহ্য কৰিব নোৱাৰিবা। ১৩কিন্তু যেতিয়া সেই সত্যৰ আত্মা আহিব তেওঁ তোমালোকক সকলো সত্যতালৈ বাট দেখুৱাই দিব, কাৰণ তেওঁ নিজৰ ক্ষমতাৰে একো নকব কিন্তু তেওঁ যিহকে শুনিব তাকেই কব; আৰু তেৱেঁই তোমালোকক ভৱিষ্যতে কি ঘটিব জনাব। ১৪তেওঁ মোক গৌৰৱান্বিত কৰিব আৰু মোৰ যি আছে তাক লৈ তোমালোকক জনাব, পিতৃৰ যি যি আছে সকলোবোৰ মোৰেই ১৫এইকাৰণেই মই কৈছোঁ যে মোৰ যি আছে তাক লৈ সেই আত্মাই তোমালোকক জনাব।

## দুঃখ আনন্দলৈ সলনি হব

১৬“অলপ সময়ৰ পাছত তোমালোকে মোক দেখিবলৈ নাপাবা। আকৌ অলপ সময়ৰ পাছত মোক দেখা পাবা।

১৭তেতিয়া তেওঁৰ কেইজন মান শিষ্যই ইজনে সিজনক কলে, “এই কথাৰে নো তেওঁ কি কব বিচাৰিছে, “অলপ সময়ৰ পাছত মোক দেখিবলৈ নাপাবা, আৰু অলপ সময়ৰ পাছত মোক দেখিবলৈ পাবা? এই কথাৰেনো কি কব বিচাৰিছে “কাৰণ মই পিতৃৰ ওচৰলৈ যাম।” ১৮অলপ সময়ৰ অৰ্থ কি? তেওঁ কি বুজাব বিচাৰিছে? আমি একো বুজা নাই।

১৯যীচুৱে বুজি পালে যে তেওঁলোকে তেওঁক প্ৰশ্ন সুধিব বিচাৰিছে, সেয়ে তেওঁ তেওঁলোকক কলে, “মই কোৱা কথাবোৰৰ ওপৰত তোমালোকে চিন্তা ভাৱনা কৰিছানে, ‘অলপ সময়ৰ পিছত তোমালোকে মোক দেখিবলৈ নোপোৱা, আৰু অলপ সময়ৰ পাছত মোক তোমালোকে দেখা পাবা।’ ২০মই তোমালোকক সঁচাকৈ কওঁ, “তোমালোকে বিলাপ কৰিবা, কান্দিবা কিন্তু এই জগত খনে আনন্দ কৰিব। তোমালোক শোক কৰিবা কিন্তু তোমালোকৰ শোক আনন্দলৈ সলনি হৈ যাব।

২১“মহিলাই প্ৰসৱ কৰা সময়ত কষ্ট হয়, কিয়নো তেওঁৰ প্ৰসৱ বেদনাৰ কষ্টৰ সময় উপস্থিত হয়; কিন্তু সন্তানটি প্ৰসৱ কৰাৰ পিছত তেওঁ নিজৰ সকলো বেদনা পাহৰি

আনন্দিত হয় যে পৃথিৱীৰ বুকুলৈ এজন ব্যক্তিৰ জন্ম হল।
২২একেদৰেই তোমালোক এতিয়া শোকাতুৰ হৈছা, কিন্তু
মই তোমালোকক পুনৰ দেখা কৰিম তেতিয়া তোমালোকৰ
হৃদয় আনন্দিত হব। আৰু তোমালোকৰ সেই আনন্দ
কোনেও কাঢ়ি নিব নোৱাৰিব। ২৩সেইদিনাখন তোমালোকে
মোক কোনো ধৰণৰ প্ৰশ্ন নুসুধিবা, মই তোমালোকক কওঁ
যে মোৰ অধিকাৰত পিতৃক যিহকে খোজা তাকে তেওঁ
তোমালোকক দিব। ২৪এতিয়ালৈকে তোমালোকে মোৰ
অধিকাৰত একো খোজা নাই। তোমালোকৰ আনন্দ যেন
সম্পূৰ্ণ হয়, সেই বাবে খোজা তেহে পাবা।

## জগতৰ ওপৰত জয়ী হোৱা

২৫“মই দৃষ্টান্তৰ ব্যৱহাৰ কৰি তোমালোককক এই কথাবোৰ
কৈছো। কিন্তু এনে এটা দিন আহি আছে যেতিয়া মই
কোনো দৃষ্টান্তৰ সহায় নোলোৱাকৈ তোমালোকক পিতৃৰ
বিষয়ে স্পষ্টভাৱে জনাম। ২৬সেই দিনাখন তোমালোকে
মোৰ অধিকাৰত পিতৃক খুজিবা, আৰু মই নকওঁ যে মই
তোমালোকৰ বাবে পিতৃৰ ওচৰত নিবেদন কৰিম, ২৭কিয়নো
পিতৃয়ে নিজেই তোমালোকক প্ৰেম কৰিব যিহেতু
তোমালোকে মোক প্ৰেম কৰিলা আৰু বিশ্বাস কৰিলা
যে মই ঈশ্বৰৰ পৰা আহিছোঁ। ২৮মই পিতৃৰ ওচৰৰ পৰা
প্ৰকাশিত হৈ এই জগতলৈ আহিছোঁ, এতিয়া মই জগতখন
এৰি পিতৃৰ ওচৰলৈ যাওঁ।”
২৯তেওঁৰ শিষ্য সকলে কলে, “চাওঁক এতিয়া আপুনি
কোনো দৃষ্টান্ত ব্যৱহাৰ নকৰি স্পষ্ট ভাৱে কৈছে। ৩০এতিয়া
আমি বুজিলো যে আপুনি সকলো জানে, আৰু আপোনাক
প্ৰশ্ন সোধাৰ আগতেই উত্তৰ দিয়ে, ইয়াৰ বাবেই আমি
বিশ্বাস কৰিছো যে আপুনি ঈশ্বৰৰ পৰা আহিছে।”
৩১যীচুৱে তেওঁলোকক উত্তৰ দিলে, “তোমালোকে
এতিয়া বিশ্বাস কৰিছানে? ৩২সময় আহিছে আৰু ইতিমধ্যেই
আহি পাইছেই, যেতিয়া তোমালোকে চেদেলি-ভেদেলিহৈ
যাবা আৰু মোক অকলশৰে এৰি থৈ নিজ নিজ ঘৰলৈ
উভতি যাবা। কিন্ত মই অকলশৰীয়া নহওঁ কিয়নো মোৰ
পিতৃ মোৰ লগত আছে।
৩৩“মই তোমালোকক এইবোৰ কলো যাতে মোৰ লগত
লাগি থাকি মোৰ যোগেদি তোমালোকে শান্তি পোৱা।
জগতত তোমালোকৰ কষ্ট আছে কিন্তু সাহিয়াল হোৱা!
মই জগতক জয় কৰিলো।”

## যীচুৱে নিজৰ আৰু শিষ্য সকলৰ বাবে প্ৰাৰ্থনা কৰা

**১৭** ১যীচুৱে এইবোৰ কথা কোৱাৰ পিছত তেওঁ
স্বৰ্গলৈ চাই কলে, “হে পিতৃ সময় আহিল;
তোমাৰ পুত্ৰক গৌৰৱান্বিত কৰা যাতে তোমাৰ পুত্ৰয়ো
তোমাক গৌৰৱান্বিত কৰিব পাৰে। ২যি সকলক তুমি তোমাৰ
পুত্ৰক দিলা, তেওঁলোকক তেওঁ যেন অনন্ত জীৱন দিব পাৰে,
সেই বাবেই তেওঁক সমগ্ৰ জাতিৰ ওপৰত অধিকাৰ দিলা।
৩তেওঁলোকে যেন জানে, তুমিয়েই একমাত্ৰ সত্য ঈশ্বৰ
আৰু তুমি পঠোৱা যীচু খ্ৰীষ্টক জনাই অনন্ত জীৱন। ৪মই
তুমি দিয়া কাম সম্পূৰ্ণ কৰি তোমাক পৃথিৱীত গৌৰৱান্বিত
কৰিলো। ৫জগত সৃষ্টিৰ পূৰ্বেই মই তোমাৰ লগত থাকোতে
মোৰ যি গৌৰৱ আছিল মোক এতিয়া তোমাৰ সাক্ষাতে
সেই গৌৰৱেৰে গৌৰৱান্বিত কৰা।
৬“জগতৰ মাজৰ পৰা যি সকলক তুমি মোক দিছিলা,
তেওঁলোকৰ আগত মই তোমাক প্ৰকাশ কৰিলো,
তেওঁলোক তোমাৰেই আছিল, কিন্তু তুমি মোলৈ দিলা
আৰু তেওঁলোকে এতিয়া তোমাৰ শিক্ষাবোৰ পালন
কৰিছে। ৭তেওঁলোকে এতিয়া জানিছে যে মোক দিয়া
সকলো তোমাৰ পৰাই আহিছে। ৮কিয়নো তুমি দিয়া বাক্য
মই তেওঁলোকক দিলো, আৰু তেওঁলোকে গ্ৰহণ কৰিলে।
তেওঁলোকে উপলব্ধি কৰিলে যে মই তোমাৰ পৰা আহিছোঁ,
সেয়া সত্য আৰু তুমি যে মোক পঠালা তাক বিশ্বাস কৰিছে।
৯এতিয়া মই তেওঁলোকৰ বাবে প্ৰাৰ্থনা কৰিছোঁ। মই জগতৰ
কাৰণে প্ৰাৰ্থনা কৰা নাই কিয়নো তেওঁলোক তোমাৰেই।
১০যি সকলো মোৰ আছে, সেইবোৰ তোমাৰেই, আৰু
তোমাৰ যিবোৰ আছে সেইবোৰ মোৰেই, আৰু এইবোৰৰ
যোগেদিয়েই মোৰ গৌৰৱ প্ৰকাশিত হৈছে।
১১“মই আৰু জগতত নাথাকিম, মই তোমাৰ ওচৰলৈ
আহি আছোঁ, কিন্তু এই শিষ্যসকল জগতত আছে। হে
পবিত্ৰ পিতৃ, তুমি মোক যি শক্তি দিলা, তোমাৰ সেই শক্তিৰ
দ্বাৰা তেওঁলোকক নিৰাপদে ৰাখা। তুমি আৰু মই যেনেকৈ
এক, একেদৰেই তেওঁলোকো যেন এক হয়। ১২তুমি মোক
যি শক্তি দিলা, তোমাৰ সেই নামৰ শক্তিৰেই তেওঁলোকৰ
লগত থাকোতে মই তেওঁলোকক ৰক্ষণাবেক্ষন দিছিলো
যাতে এজনো হেৰাই নাযায় কিন্তু তেওঁলোকৰ মাজৰ এজন
বিনষ্ট হ’ল। শাস্ত্ৰৰ বাক্য পূৰ্ণ হবলৈ বিনষ্ট হব লগা জনহে
বিনষ্ট হল।
১৩“এতিয়া মই তোমাৰ ওচৰলৈ যাওঁ, মোৰ আনন্দ
তেওঁলোকৰ অন্তৰত যেন সম্পূৰ্ণকৈ থাকে সেই বাবেই
মই জগতত থাকোতে এইবোৰ কথা কৈছোঁ। ১৪মই
তেওঁলোকক তোমাৰ বাক্য দিলো কিন্তু তেওঁলোক জগতৰ
নোহোৱাৰ বাবে জগতে তেওঁলোকক ঘৃণা কৰিলে।
১৫“মই তোমাক তেওঁলোকক এই জগতৰ বাহিৰলৈ
নিবলৈ কোৱা নাই। কিন্তু চয়তানৰ পৰা সুৰক্ষা প্ৰদান
কৰিবলৈহে কৈছো। ১৬তেওঁলোক এই জগতৰ নহয়
যেনেদৰে মই এই জগতৰ নহয়। ১৭তেওঁলোকক তোমাৰ
সত্যৰ দ্বাৰা তোমাৰ সেৱাৰ বাবে সাজু কৰা। তোমাৰ
বাক্যই সত্য। ১৮তুমি যেনেকৈ মোক জগতলৈ পঠালা
ময়ো তেনেকৈয়ো তেওঁলোকক জগতলৈ পঠালো।
১৯তেওঁলোকৰ বাবে মই নিজকে যেনেকৈ তোমালৈ
উৎসৰ্গা কৰিছোঁ তেনেকৈ যাতে তেওঁলোকেও সত্যৰ
দ্বাৰায় তোমাৰ সেৱাৰ অৰ্থে উৎসৰ্গিত হয়।
২০“মই কেৱল এওঁলোকৰ বাবে নহয় কিন্তু এওঁলোকৰ
শিক্ষাৰ যোগেদি যি সকলে মোক বিশ্বাস কৰে তেওঁলোকৰ
বাবেও প্ৰাৰ্থনা কৰিছোঁ, ২১হে পিতৃ যিদৰে তুমি মোত আছা

আৰু মই তোমাত, তেওঁলোকো যেন এক হয়। আৰু আমাত থাকে যাতে জগতে তুমি মোক পঠালা বুলি বিশ্বাস কৰে। ২২তুমি মোক দিয়া গৌৰৱ মই তেওঁলোকক দিলো, যাতে তুমি আৰু মই যেনেকৈ এক, তেওঁলোকো যেন এক হয়। ২৩মই তেওঁলোকত আৰু তুমি মোত থকাত তেওঁলোকেও যেন এক হয়, যাতে তাৰ যোগেদি তুমি যে মোক পঠিয়াইছা, তুমি যে মোক প্ৰেম কৰাৰ দৰে তেওঁলোককো যে প্ৰেম কৰা তাক জগতে জানিব।

২৪"হে পিতৃ জগত সৃষ্টিৰ পূৰ্বেই তোমাৰ প্ৰেমেৰে মোক যি গৌৰৱ দান কৰিলা: সেই গৌৰৱ, তুমি মোক দিয়া সকলে যেন দেখিবলৈ পায়, এই কাৰণেই মই যি ঠাইত থাকোঁ তেওঁলোকেও সেই ঠাইতে থাকিবলৈ পায়। ২৫হে ধৰ্মময় পিতৃ জগতে তোমাক নাজানে, কিন্তু মই তোমাক জানো আৰু তুমি মোক পঠিয়াইছা তাক এওঁলোকে জানে। ২৬তুমি মোক যি প্ৰেমেৰে প্ৰেম কৰিলা, সেই প্ৰেম যেন এওঁলোকৰ লগত থাকে আৰু ময়ো তেওঁলোকত থাকো এই কাৰণেই মই এওঁলোকৰ আগত তোমাক প্ৰকাশ কৰিলো আৰু জনাইয়েই থাকিম।"

## যীচুক বন্দী কৰা হয়

*(মথি ২৬:৪৭–৫৬; মাৰ্ক ১৪:৪৩–৫০; লূক ২২:৪৭–৫৩)*

**১৮** ১যীচুৱে প্ৰাৰ্থনা কৰাৰ পাচত তেওঁৰ শিষ্যসকলৰ সৈতে কিদ্ৰোন জুৰিৰ সিপাৰলৈ গল, সেই ঠাইতে এখন বাৰী আছিল, যীচু আৰু তেওঁৰ শিষ্য সকলৰ সৈত্যে তাত সোমালে।

২প্ৰতাৰক যিহুদাই সেইখন ঠাই ভালদৰে জানিছিল, কিয়নো যীচুৱে তেওঁৰ শিষ্য সকলক লৈ অনেকবাৰ একেলগে তালৈ গৈছিল। ৩সেয়ে যিহুদাই হাতত জোৰ অস্ত্ৰ-শস্ত্ৰৰে সুসজ্জিত এদল সৈন্য আৰু প্ৰধান পুৰোহিত আৰু ফৰীচী বিলাকে মন্দিৰৰ পৰা পঠোৱা কিছুমান চিপাহী লগত লৈ সেই বাৰীলৈ আহিল।

৪যীচুৱে তেওঁলৈ যি ঘটিব ইতিমধ্যে সকলো জানিছিল, সেয়ে তেওঁ অলপ আগবাঢ়ি আহি সুধিলে, "তোমালোকে কাক বিচাৰিছা?"

৫তেওঁলোকে উত্তৰ দিলে, "নাচৰতীয়া যীচুক।"

যীচুৱে তেওঁলোকক কলে, "মইয়েই যীচু।"[a] (প্ৰতাৰক যিহুদা তেতিয়া তেওঁলোকৰ লগতে থিয় হৈ আছিল) ৬যেতিয়া যীচুৱে কলে যে "মইয়েই সেইজন" তেওঁলোকে পিচ হুহুকি মাটিত বাগৰি পৰিলে।

৭সেয়ে তেওঁ পুনৰ সুধিলে, "তোমালোকে কাক বিচাৰিছা?"

তেওঁলোকে কলে, "নাচৰতীয়া যীচুক।"

৮যীচুৱে উত্তৰ দিলে, "মই তোমালোকক আগতে কলো ময়েই সেইজন, তোমালোকে যিহেতু মোক বিচাৰিছা সেয়ে এওঁলোকক যাবলৈ দিয়া।" ৯তেওঁ যে কৈছিল "হে পিতৃ, তুমি যিবিলাকক মোক দিলা সেই সকলৰ এজনকো মই হেৰাই যাবলৈ দিয়া নাই" এই কথা এইদৰেই পূৰ্ণ হৈছিল।

১০তেতিয়া চিমোন পিতৰ যি জনৰ হাতত এখন তৰোৱাল আছিল, সেইখন উলিয়াই মহাপুৰোহিতৰ দাস এজনৰ সোঁ কাণ খন কাটি পেলালে (দাস জনৰ নাম মল্ক আছিল।) ১১তেতিয়া যীচুৱে পিতৰক কলে, "হে পিতৰ তোমাৰ তৰোৱালখন খাপত ভৰাই থোৱা। পিতৃয়ে মোক যি দুখ কষ্টৰ পান পাত্ৰ পান কৰিবলৈ দিলে, মই সেয়া পান নকৰিমনে?"

## যীচুক হাননৰ ওচৰলৈ অনা

*(মথি ২৬:৫৭–৫৮; মাৰ্ক ১৪:৫৩–৫৪; লূক ২২:৫৪)*

১২তেতিয়া সৈন্য দলটি তেওঁলোকৰ সেনাপতি আৰু যিহুদী ৰখীয়া চিপাহী সকলে আহি যীচুক বন্দী কৰিলে। তেওঁক বান্ধিলে ১৩আৰু প্ৰথমে হাননৰ ওচৰলৈ লৈ গল। তেওঁ কায়ফাৰ শহুৰেক আছিল যিজন সেই বছৰৰ বাবে মহাপুৰোহিত হৈছিল। ১৪এইজন কায়ফাই যিহুদী নেতাসকলক পৰামৰ্শ দিছিল যে সকলো লোকৰ বাবে এজন ব্যক্তি মৰাই ভাল।

## পিতৰে যীচুক অস্বীকাৰ কৰা

*(মথি ২৬:৬৯–৭০; মাৰ্ক ১৪:৬৬–৬৮; লূক ২২:৫৫–৫৭)*

১৫চিমোন পিতৰ আৰু এজন শিষ্য যীচুৰ পাচে পাচে গৈ আছিল। আনজন শিষ্যক মহাপুৰোহিতে ভালকৈ চিনি পাইছিল সেয়ে তেওঁ যীচুৰ লগত মহাপুৰোহিতৰ চোতাললৈকে সোমাই গৈছিল। ১৬কিন্তু পিতৰে বাহিৰৰ দুৱাৰ মুখতে থাকিল। তেতিয়া আনজন শিষ্যই যিজনে মহাপুৰোহিতক জানিছিল বাহিৰলৈ ওলাই আহি দুৱাৰ ৰখীয়াৰ লগত কথা পাতিলে আৰু পিতৰক ভিতৰলৈ নিলে।[b] ১৭তেতিয়া দাসী ছোৱালী জনীয়ে যিজনী দুৱৰী আছিল পিতৰক কলে, "তুমিও সেই মানুহজনৰ শিষ্য বিলাকৰ এজন নোহোৱানে?"

পিতৰে কলে, "নহয় মই নহওঁ!"

১৮তেতিয়া জাৰকাল আছিল সেয়ে দাস আৰু ৰখীয়াসকলে এঙাঁৰৰ জুই জ্বলাই তাৰ চাৰিওফালে থিয় হৈ জুই পুৱাই আছিল আৰু পিতৰেও তাত থিয় হৈ জুই পুৱাই আছিল।

## মহাপুৰোহিতে যীচুক প্ৰশ্ন কৰা

*(মথি ২৬:৫৯–৬৬; মাৰ্ক ১৪:৫৫–৬৪; লূক ২২:৬৬–৭১)*

১৯তেতিয়া মহাপুৰোহিতে[c] যীচুক তেওঁৰ শিষ্যসকলৰ বিষয়ে আৰু শিক্ষাৰ বিষয়ে প্ৰশ্ন সুধি আছিল। ২০যীচুৱে তেওঁক উত্তৰ দিলে, "মই সদায় সকলো লোকৰ আগত

[a] **১৮:৫ মইয়েই যীচু** আক্ষৰিকভাবে 'মই'। যোহন ৮:২৪, ২৮:৫৮, ১৩:১৯

[b] **১৮:১৬** আঁকো ৬ আৰু ৮ পদত চাওক।

[c] **১৮:১৯ মহাপুৰোহিত** ১৯–২৩ পদত মহাপুৰোহিত আগৰ মহাপুৰোহিতৰ উদ্ধৃত কৰিছে হাননক, কিন্তু কাযাফাক নহয়। যীচুক ২৪ পদ কাযাফাৰ ওচৰলৈ পঠিওৱা হোৱা নাই।

মুকলিভাৱে কথা কৈছিলো। নাম-ঘৰবোৰত আৰু মন্দিৰত
আৰু সকলো যিহুদীলোক গোট খোৱা ঠাইত শিক্ষা
দিছিলো, আৰু গোপন ভাৱে কেতিয়াও কোনো কথা কোৱা
নাছিলো। ২১তুমি কিয় মোক প্ৰশ্ন কৰিছা? যিবিলাকে মোৰ
শিক্ষা শুনিছিল, তেওঁলোককে সুধা: মই কি কি কৈছিলো
তেওঁলোকে নিশ্চয় জানে!”
২২যেতিয়া যীচুৱে এই কথা কলে, এজন ওচৰতে থিয়
হৈ থকা মন্দিৰৰ ৰখীয়াই, যীচুক চৰ মাৰি কলে, “তই কি
সাহসত মহাপুৰোহিতক এনেকৈ উত্তৰ দিছ!”
২৩যীচুৱে তেওঁক কলে, “মই যদি ভূল কৈছোঁ তেন্তে
কি ভুল হৈছে তাৰ প্ৰমাণ দিয়া, কিন্তু যদি মই উচিত কথা
কৈছো তেনেহলে মোক কিয় মাৰিছা?”
২৪তেতিয়া হাননে তেওঁক বন্ধা অবস্থাতে মহাপুৰোহিত
কায়ফাৰ ওচৰলৈ পঠিয়াই দিলে।

## পিতৰে পুনৰ অস্বীকাৰ কৰা

*(মথি ২৬:৭১–৭৫; মাৰ্ক ১৪:৬৯–৭২; লূক ২২:৫৮–৬২)*

২৫তেতিয়া চিমোন পিতৰে থিয় হৈ জুই পুৱাই আছিল।
লোকসমূহে তেওঁক সুধিলে, “তুমিও তেওঁৰ এজন শিষ্য
হোৱা নহয় জানো?”
কিন্তু পিতৰে অস্বীকাৰ কৰি কলে, “নাই মই নহয়।”
২৬তেতিয়া মহাপুৰোহিতৰ এজন দাস যিজনৰ কাণ খন
পিতৰে কাটি দিছিল তেওঁৰে সম্পৰ্কীয় জনে পিতৰক কলে,
“মই তোমাক বাৰীত দেখা নাছিলো জানো?”
২৭পিতৰে পুনৰ অস্বীকাৰ কলে, “নহয়, মই তেওঁৰ লগত
নাছিলো।” আৰু তেতিয়াই কুকুৰাই ডাক দিলে।

## যীচুক পীলাতৰ ওচৰলৈ অনা

*(মথি ২৭:১–২, ১১–৩১; মাৰ্ক ১৫:১–২০; লূক ২৩:১–২৫)*

২৮তেতিয়া অতি ৰাতিপুৱাই যীচুক কায়ফাৰ ঘৰৰ পৰা
ৰোমীয় ৰাজ্যপালৰ ৰাজভৱনলৈ লৈ গল, নিস্তাৰ পৰ্ব্বৰ
ভোজ খোৱাৰ উদ্দেশ্যে নিজকে অশুচি[a] নকৰিবলৈ যিহুদী
বিলাকে ৰাজভৱনত নোসোমালে। ২৯সেয়ে পীলাতে নিজে
বাহিৰলৈ ওলাই তেওঁলোকক সুধিলে, “তোমালোকে এই
মানুহজনৰ বিৰুদ্ধে কি অভিযোগ আনিছা?”
৩০তেওঁলোকে উত্তৰ দিলে, “এই মানুহজনে
অপৰাধ নকৰা হলে আমি এওঁক আপোনাৰ ওচৰলৈ
নানিলোহেতেঁন।”
৩১পীলাতে তেওঁলোকক কলে, “তেওঁক তোমালোকে
লৈ যোৱা আৰু তোমালোকৰ বিধান অনুসৰি বিচাৰ কৰা।”
যিহুদী নেতাসকলে উত্তৰ দিলে, “আপোনাৰ আইনে
আমাক কাৰোৱাক প্ৰাণদণ্ড দিবৰ অধিকাৰ নিদিয়ে।”
৩২(তেওঁ কি ধৰণে কষ্টৰে মৃত্যু বৰণ কৰিব, সেই উক্তি পূৰ্ণ
হবলৈ এইদৰে ঘটিল।)

[a] **১৮:২৮ অশুচি** অযিহুদী ঠাইত প্ৰৱেশ কৰিলে যিহুদী বিলাকৰ ৰীতিমতে শুচি হৈ আৰাধনাৰ কাৰণে উপযোগী হোৱা বিষয় নষ্ট হৈ যায়।

৩৩তেতিয়া পীলাতে বিচাৰ কক্ষলৈ সোমাই গৈ যীচুক
মাতি সুধিলে, “তুমি যিহুদী বিলাকৰ ৰজা হোৱানে?”
৩৪যীচুৱে উত্তৰ দিলে, “আপুনি নিজৰ পৰা এইবোৰ
কৈছেনে, আপোনাক কোনোবাই মোৰ বিষয়ে কৈছে?”
৩৫পীলাতে উত্তৰ দিলে, “তুমি মোক যিহুদী বুলি
ভৱিছানে? তোমাৰ লোকবিলাকে আৰু নেতৃত্ব দিয়া
পুৰোহিত সকলেই তোমাক মোৰ হাতত শোধাই দিছে।
তুমিনো কি ভূল কৰিলা?”
৩৬যীচুৱে উত্তৰ দিলে, “মোৰ ৰাজ্য এই জগতৰ নহয়
মোৰ ৰাজ্য এই জগতৰ হোৱা হলে, যিহুদী সকলৰ হাতত
শোধাই নিদিবলৈ মোৰ দাস সকলেই যুদ্ধ কৰিলেহেতেঁন,
কিন্তু মই এই জগতৰ নহয়।”
৩৭তেতিয়া পীলাতে তেওঁক সুধিলে, “তেন্তে তুমি ৰজা
নেকি?”
উত্তৰত যীচুৱে কলে, “আপুনিয়েই কৈছে মই ৰজা বুলি।
সত্যৰ বিষয়ে সকলো জনাবলৈ মই জন্ম লৈ জগতলৈ
আহিলো। যিজন সত্যত থাকে তেওঁ মোৰ মাত শুনা পাব।”
৩৮পীলাতে তেওঁক সুধিলে, “সত্যনো কি?” এইখিনি
কোৱাৰ পিছত তেওঁ পুনৰ যিহুদী সকলক কলে, “মই
তেওঁক দোষী সাব্যস্থ কৰিবলৈ কোনো কাৰণ পোৱা নাই।
৩৯কিন্তু তোমালোকৰ নিয়ম অনুসৰি নিস্তাৰ পৰ্ব্বৰ সময়ত
মই কাৰোবাক মুকলি কৰি দিওঁ। সেয়ে যিহুদী বিলাকৰ
ৰজাক তোমালোকৰ বাবে মুকলি কৰি দিমনে?”
৪০ততক্ষনাত তেওঁলোকে চিঞঁৰি উঠিল, “তেওঁক নহয়
কিন্তু বাৰাব্বাকহে (বাৰাব্বা এজন ডকাইত) মুকলি কৰক।”

**১৯** ১তেতিয়া পীলাতে যীচুক চাবোকেৰে কোবাৱলৈ
আদেশ দিলে। ২সৈন্যবিলাকে কাইঁটৰ কিৰিটি
সাজি তেওঁৰ মূৰত পিন্ধাই দিলে, আৰু তেওঁক বেঙ্গুনীয়া বস্ত্ৰ
পিন্ধালে। ৩আৰু বাৰে বাৰে তেওঁৰ ওচৰলৈ আহি কবলৈ
ধৰিলে, “যিহুদী বিলাকৰ ৰজা দীৰ্ঘজীৱি হওঁক!” আৰু
তেঁওলোকে উপৰ্য্যপৰি তেওঁৰ গালত চৰিয়ালে।
৪পীলাতে পুনৰ এবাৰ বাহিৰলৈ ওলাই তেওঁলোকক
কলে, “শুনা মই তেওঁক তোমালোকৰ ওচৰলৈ আনিছোঁ
যাতে তোমালোকে জানিব পাৰা যে মই তেওঁত কোনো
ধৰণৰ দোষ বিচাৰি পোৱা নাই।” ৫যীচুৱে কাইঁটৰ কিৰিটি
আৰু বেঙ্গুনীয়া বস্ত্ৰ পিন্ধি ওলাই আহিল। আৰু পীলাতে
কলে, “এই মানুহজনলৈ চোৱা!”
৬সেয়ে যেতিয়া নেতৃত্ব দিয়া পুৰোহিত আৰু মন্দিৰৰ
ৰখীয়া সকলে তেওঁক দেখিলে তেওঁলোকে চিঞঁৰি কলে,
“তাক ক্ৰুচত দিয়ক, তাক ক্ৰুচত দিয়ক।”
পীলাতে তেওঁলোকক কলে, “তোমালোকেই তেওঁক
নিয়া আৰু ক্ৰুচত দিয়া। মই তেওঁত কোনো ধৰণৰ অপৰাধ
বিচাৰি পোৱা নাই।”
৭যিহুদী বিলাকে তেওঁক উত্তৰ দিলে, “আমাৰ এক
বিধানৰ মতে, ঈশ্বৰৰ পুত্ৰ বুলি দাবী কৰা বাবে সি মৰিবই
লাগিব।”
৮যেতিয়া পীলাতে এই কথা শুনিলে তেওঁ অতিশয় ভয়

খালে। ৯সেয়ে তেওঁ ৰাজভৱনৰ ভিতৰলৈ পুনৰ সোমাই গ'ল, তেওঁ (পীলাতে) যীচুক সুধিলে, "তুমি ক'ৰ পৰা আহিছা?" কিন্তু যীচুৱে তেওঁক একো উত্তৰ নিদিলে। ১০তেতিয়া পীলাতে তেওঁক কলে, "তুমি মোৰ লগত কথা পাতিবলৈ অমান্তি হৈছানে? তুমি নাজানা নে যে তোমাক মুক্তি দিবলৈ আৰু ক্ৰুচত দিবলৈকো মোৰ অধিকাৰ আছে?"

১১যীচুৱে তেওঁক উত্তৰ দিলে, "ঈশ্বৰে আপোনাক অধিকাৰ নিদিয়া হলে মোৰ ওপৰত আপোনাৰ কোনো অধিকাৰ নাথাকিলেহেতেঁন। সেয়ে যি জনে মোক আপোনাৰ হাতত শোধাই দিলে, তেঁও আপোনাতকৈয়ো গুৰুত্বৰ পাপৰ বাবে দোষী।"

১২এই কথা শুনি পীলাতে তেওঁক মুক্তি দিবলৈ চেষ্টা কৰিলে, কিন্তু যিহুদী বিলাকে চিঞঁৰি কলে, "আপুনি যদি তেওঁক মুক্তি দিয়ে তেন্তে আপুনি কৈচৰৰ বন্ধু নহয়। যদি কোনোৱে নিজকে ৰজা বুলি দাবী কৰে তেওঁ কৈচৰৰ বিপক্ষ।"

১৩যেতিয়া পীলাতে এইবোৰ কথা শুনিলে তেওঁ যীচুক বাহিৰলৈ উলিয়াই আনিলে আৰু "শিল পতা" (ইব্ৰী ভাষাত *গববথা* বোলে) বোলা ঠাইত সোধৰ আসনত বহিলে। ১৪সেইদিনা নিস্তাৰ পৰ্ববৰ বাবে যুগুত হোৱাৰ দিন[a] আছিল, তেতিয়া প্ৰায় দুপৰীয়াৰ সময় হৈছিল, পীলাতে যিহুদী বিলাকক কলে, "এইয়া তোমালোকৰ ৰজা।"

১৫"তাক মৃত্যুদণ্ড দিয়ক, তাক মৃত্যুদণ্ড দিয়ক, তাক ক্ৰুচত দিয়ক!"

পীলাতে তেওঁলোকক কলে, "মই তোমালোকৰ ৰজাক ক্ৰুচত দিমনে?"

নেতৃত্ব দিয়া পুৰোহিত সকলে উত্তৰ দিলে, "কৈচৰৰ বাহিৰে আমাৰ আন কোনো ৰজা নাই।"

১৬তেতিয়া পীলাতে যীচুক ক্ৰুচত দিবলৈ তেওঁলোকৰ হাতত এৰি দিলে।

## যীচুক ক্ৰুচবিদ্ধ কৰা

*(মথি ২৭:৩২–৪৪; মাৰ্ক ১৫:২১–৩২; লূক ২৩:২৬–৩৯)*

সেয়ে সৈন্যসকলে যীচুৰ দায়িত্ব ললে। ১৭তেওঁৰ নিজৰ ক্ৰুচৰ ভাৰ বৈ, "মূৰৰ লাওখোলা (ইব্ৰী ভাষাত গলগথা) নামে ঠাইলৈ ওলাই গ'ল। ১৮সেই ঠাইতে তেওঁলোকে আৰু দুজন লোকক তেওঁৰ সৈতে ক্ৰুচত দিলে। এজনক সোঁফালে, আনজনক বাওঁফালে আৰু মাজত যীচুক ক্ৰুচবিদ্ধ কৰিলে।

১৯পীলাতে "নাচৰতীয়া যীচু যিহুদী বিলাকৰ ৰজা" এইবুলি লিখি এখন জাননী যীচুৰ ক্ৰুচৰ ওপৰত লগাই দিলে। ২০যীচুক ক্ৰুচত দিয়া ঠাইখন নগৰৰ ওচৰতে আছিল সেয়ে অনেক যিহুদী লোকে জাননী খন পঢ়িলে, এই জাননী খন, ইব্ৰী, গ্ৰীক, আৰু লেটিন ভাষাত লিখা আছিল।

২১নেতৃত্ব দিয়া যিহুদী পুৰোহিত সকলে পীলাতক কলে, "যিহুদী বিলাকৰ ৰজা নিলিখি এই মানুহজনে কৈছে মই যিহুদী বিলাকৰ ৰজা বুলি লিখক।"

২২পীলাতে উত্তৰ দিলে, "মই যি লিখিলো সেয়া সলনি নকৰো।"

২৩তেতিয়া সৈন্যবিলাকে যীচুক ক্ৰুচবিদ্ধ কৰাৰ পিচত তেওঁৰ কাপোৰ লৈ তাক চাৰিভাগ কৰিলে আৰু প্ৰত্যেকেই এভাগকৈ ললে। তেওঁলোকে তেওঁৰ বৰ চোলাখনো ললে, বৰ চোলা খন সিয়ন বিহীন ওপৰৰ পৰা তললৈকে বোৱা আছিল। ২৪সেয়ে তেওঁলোকে পৰস্পৰে কলে, "আমি ইয়াক নাফালি চিঠি খেলৰ দ্বাৰা চাওঁ কাৰ ভাগত পৰে।" শাস্ত্ৰৰ বচন পূৰ্ণ হবলৈ এইদৰে ঘটিল:

"সিহঁতে নিজৰ মাজতে মোৰ কাপোৰ বাটি ললে,
আৰু মোৰ বস্ত্ৰৰ বাবে চিঠি খেলালে।"

*গীতমালা ২২:১৮*

সেয়ে সৈন্য বিলাকে তাকেই কৰিলে।

২৫যীচুৰ ক্ৰুচৰ ওচৰতে তেওঁৰ মাক, মাকৰ ভনীয়েক, ক্লোপাৰ ভাৰ্য্যা মৰিয়ম আৰু মগ্দলীনী মৰিয়ম থিয় হৈ আছিল। ২৬যেতিয়া যীচুৱে তেওঁৰ মাক আৰু তেওঁ মৰম কৰা শিষ্যক ওচৰতে থিয় হৈ থকা দেখিলে, তেওঁ তেওঁৰ মাকক কলে, "প্ৰিয় নাৰী, এইয়া তোমাৰ পুত্ৰ।" ২৭তাৰ পিচত তেওঁ শিষ্য জনক কলে, "এওঁ তোমাৰ মাতৃ।" আৰু সেই সময়ৰ পৰাই শিষ্য জনে যীচুৰ মাতৃক নিজৰ ঘৰত থাকিবলৈ লৈ গল।

## যীচুৰ মৃত্যু

*(মথি ২৭:৪৫–৫৬; মাৰ্ক ১৫:৩৩–৪১; লূক ২৩:৪৪–৪৯)*

২৮ইয়াৰ পাছত যীচুৱে জানিলে যে সকলো পূৰ্ণ হল, সেয়ে শাস্ত্ৰৰ বাক্য পূৰ্ণ হবলৈ তেওঁ কলে, "মোৰ পিয়াহ লাগিছে।" ২৯চিৰিকাৰে পূৰ্ণ পাত্ৰ এটা তাতে আছিল, সেয়ে তেওঁলোকে চিৰিকাৰে পূৰ্ণ এচোব, নল এডালৰ মূৰত লগায় ওপৰলৈ তুলি তেওঁৰ মুখত দিলে। ৩০যেতিয়া তেওঁ তাক মুখত ললে, যীচুৱে কলে, "পূৰ্ণ হল" তাৰ পাছত তেওঁ মুৰ দোৱাই প্ৰাণ ত্যাগ কৰিলে।

৩১সেই দিনা শুকুৰবাৰ[b] আছিল আৰু পাচদিনা গুৰুত্বপূৰ্ণ বিশ্ৰামবাৰ। বিশ্ৰামবাৰে যাতে তেওঁলোকৰ দেহাবোৰ ক্ৰুচত নাথাকে, সেয়ে তেওঁলোকৰ ভৰি বোৰ ভাঙি দি ক্ৰুচৰ পৰা দেহাবোৰ আঁতৰাই দিবলৈ যিহুদী বিলাকে পীলাতক অনুৰূধ কৰিলে। ৩২সেয়ে সৈন্য বিলাকে আহি যীচুৰ লগত ক্ৰুচবিদ্ধ কৰা প্ৰথম জন আৰু আনজনৰ ভৰি ভাঙি দিলে।[c] ৩৩কিন্তু তেওঁলোকে যেতিয়া যীচুৰ ওচৰলৈ আহিলে তেওঁলোকে দেখিলে যে ইতিমধ্যেই তেওঁৰ মৃত্যু হৈছে সেয়ে তেওঁলোকে তেওঁৰ ভৰি নাভাঙিলে।

[a] **১৯:১৪ যুগুত হোৱাৰ দিন** শুকুৰ বাৰ, চাব্বাথ দিনৰ আগৰ দিন।

[b] **১৯:৩১ শুকুৰবাৰ** আক্ষৰিকভাবে প্ৰস্তুততাৰ দিন।

[c] **১৯:৩২ ভৰি ভাঙি দিলে** শীঘ্ৰে মৃত্যু হবলৈ ভৰি ভাঙি দিয়া হয়।

৩৪তাৰ পৰিবৰ্তে সৈন্য এজনে নিজৰ যাঠিৰে তেওঁক
খোচ মাৰি চোৱাত, লগে লগে তেজ আৰু পানী বৈ আহিল।
৩৫(যি জনে দেখিলে তেঁৱেই সাক্ষ্য দিছে আৰু তেওঁৰ
সাক্ষ্য সত্য। তোমালোকে যেন বিশ্বাস কৰা, তেওঁ জানে
যে তেওঁ সত্য কৈছে।) ৩৬“তেওঁৰ এডাল হাড়ো ভঙা
নহব” শাস্ত্ৰৰ এই কথা পূৰ্ণ হবলৈ এইদৰে ঘটিল।[a] ৩৭আকৌ
শাস্ত্ৰৰ আন এটা অংশত কৈছে, তেওঁলোকে যিজনাক
বিন্ধিলে তেওঁলৈ চাব।[b]

### যীচুক কবৰ দিয়া

*(মথি ২৭:৫৭–৬১; মাৰ্ক ১৫:৪২–৪৭; লূক ২৩:৫০–৫৬)*

৩৮ইয়াৰ পাছত অৰিমিথিয়াৰ যোচেফে, যীচুৰ দেহটো
নিবলৈ পীলাতক অনুমতি বিচাৰিলে। যিহুদী নেতাসকলৰ
ভয়ত তেওঁ গোপনে যীচুৰ শিষ্য হৈছিল। পীলাতে তেওঁক
অনুমতি দিয়াত তেওঁ আহি যীচুৰ মৃত দেহটো ক্ৰুচৰ পৰা
নমাই লৈ গল।

৩৯নীকদিম যি জনে প্ৰথম ৰাতি যীচুৰ ওচৰলৈ আহিছিল
তেৰোঁ প্ৰায় ত্ৰিশ কেজি ওজনৰ গন্ধৰস মিহিলোৱা অগৰু
লগত লৈ আহিল, ৪০আৰু তেওঁলোকে যোচেফৰ সৈতে্য
মৃতদেহটো আনি যিহুদী সকলে মৈদাম দিয়া অনুসৰি সুগন্ধি
দ্ৰব্যৰে সৈতে শন সূতাৰ মিহি কাপোৰেৰে মেৰিযালে,
৪১যীচুক ক্ৰুচত দিয়া ঠাইখনৰ ওচৰতে এখন বাৰী আছিল
আৰু সেই বাৰীখনত আগেয়ে কাকো মৈদাম নিদিয়া
এটা মৈদাম আছিল, ৪২সেয়ে যিহুদী সকলৰ বিশ্ৰামবাৰৰ
আয়োজন হোৱা বাবে আৰু মৈদামটো ওচৰ হোৱা বাবে
তেওঁলোকে যীচুৰ মৃতদেহটো নি তাতে শোৱাই দিলে।

### যীচু মৃত্যুৰ পৰা জী উঠা

*(মথি ২৮:১–১০; মাৰ্ক ১৬:১–৮; লূক ২৪:১–১২)*

**২০** ১দেওবাৰে[c] আন্ধাৰ থাকোতেই অতি
ৰাতিপুৱাতে মগদলীনী মৰিয়মে মৈদামৰ
ওচৰলৈ গৈ মৈদামৰ মুখৰ পৰা শিলচটা আঁতৰাই থোৱা
দেখিলে। ২তেতিয়া তেওঁ দৌৰি গৈ চিমোন পিতৰ আৰু
যীচুৰ মৰমৰ শিষ্য সকলৰ ওচৰলৈ গৈ তেওঁলোকক কলে,
“তেওঁলোকে প্ৰভুক মৈদামৰ পৰা উলিয়াই নিছে আৰু আমি
নাজনো তেওঁলোকে তেওঁক ক’ত ৰাখিছে?”

৩সেয়ে পিতৰ আৰু আনজন শিষ্য মৈদামলৈ গ’ল।
৪তেওঁলোক দুয়ো ল’ৰি যাওঁতে আনজন শিষ্যই পিতৰক
পাচ পেলাই আগতেই মৈদাম পালেগৈ। ৫তেওঁ থমকি ৰৈ
চাপৰি চাই শণ সূতাৰ মিহি কাপোৰখন পৰি থকা দেখিলে;
কিন্তু তেওঁ ভিতৰলৈ নোসোমাল।

৬তেতিয়া পাচে পাচে আহি থকা চিমোন পিতৰে আহি
মৈদামৰ ভিতৰলৈ গল। তেওঁ তাতে শণ সূতাৰ মিহি
কাপোৰখন পৰি থকা দেখিলে। ৭মূৰত বন্ধা শণ সূতাৰ
কাপোৰখনও লগত দেখা পালে, সেইখন সুকিয়াকৈ
মেৰিযাই থোৱা আছিল। ৮তেতিয়া আন শিষ্য জনেও যিজন
আগতেই মৈদামলৈ গৈছিল, তেওঁ ভিতৰলৈ গৈ দেখা পাই
বিশ্বাস কৰিলে, ৯(কিয়নো তেওঁলোকে তেতিয়ালৈকে খ্ৰীষ্ট
যে মৃত বিলাকৰ মাজৰ পৰা উঠিবই লাগিব, শাস্ত্ৰৰ এই কথা
বিশ্বাস কৰা নাছিল।)

### যীচুৱে মগদলীনী মৰিয়মক দেখা দিয়া

*(মাৰ্ক ১৬:৯–১১)*

১০তেতিয়া শিষ্য সকলে জেৰুচালেমত য’ত আছিল
তালৈকে উভতি গল। ১১কিন্তু মৰিয়ম মৈদামৰ বাহিৰত
থিয় হৈ কান্দি আছিল, কান্দি কান্দিয়েই তেওঁ মৈদামৰ
ভিতৰলৈ জুমি চালে। ১২আৰু দুগৰাকী স্বৰ্গদূতক বহি থকা
দেখিলে। এজন যীচুৰ মৃতদেহ ৰখা ঠাইৰ মূৰৰ ওচৰত আৰু
আনজন ভৰিৰ ওচৰত আছিল।

১৩তেওঁলোকে তাইক সুধিলে, “হে নাৰী তুমি কিয়
কান্দিছা?”

তাই তেওঁলোকক কলে, “তেওঁলোকে মোৰ প্ৰভুৰ
দেহ লৈ গৈছে। মই নাজানো তেওঁলোকে তেওঁক ক’ত
ৰাখিছে।” ১৪এইখিনি কোৱাৰ পাছত, তাই আনফালে
ঘূৰি চোৱাত তাত যীচুক থিয় হৈ থকা দেখিলে। অৱশ্যে
যীচুৱেই যে হয় তাক তাই নাজানিলে।

১৫যীচুৱে তাইক সুধিলে, “নাৰী, তুমি কিয় কান্দি আছা?”
তুমি কাক বিচাৰিছা?”

মৰিয়মে তেওঁক বাৰীৰখীয়া বুলি ভাবি কলে, “মহাশয়
আপুনি যীচুৰ মৃতদেহটো নিছে নেকি? ক’ত ৰাখিছে কওঁক
মই তেওঁক তাৰ পৰা লৈ যাম।”

১৬যীচুৱে তাইক কলে, “মৰিয়ম” তাই ঘূৰি ইব্ৰী ভাষাত
কলে, *“ৰব্বুনি”* ইয়াৰ অৰ্থ হে গুৰু।

১৭যীচুৱে তাইক কলে, “মোক নুচুবা কাৰণ মই
এতিয়ালৈকে পিতৃৰ ওচৰলৈ উঠি যোৱা নাই। কিন্তু তুমি
মোৰ শিষ্য বিলাকৰ ওচৰলৈ যোৱা আৰু তেওঁলোকক
কোৱা, “মই মোৰ আৰু তোমালোকৰ পিতৃৰ আৰু মোৰ
আৰু তোমালোকৰ প্ৰভুৰ ওচৰলৈ উঠি গৈ আছোঁ।”

১৮মগদলীনী মৰিয়মে গৈ শিষ্যসকলক কলে, “মই প্ৰভুক
দেখা পালো।” আৰু তাই তেওঁ কোৱা সকলো কথা বিৱৰি
ক’লে।”

### যীচুৱে শিষ্যসকলক দেখা দিয়া

*(মথি ২৮:১৬–২০; মাৰ্ক ১৬:১৪–১৮; লূক ২৪:৩৬–৪৯)*

১৯সেই দিনা দেওবাৰ আছিল, সন্ধিয়া সময়ত শিষ্যসকলে
যিহুদী নেতাবিলাকৰ ভয়ত দুৱাৰ বন্ধ কৰি থৈছিল, যীচুৱে
তেওঁলোকৰ আগত থিয় হল আৰু তেওঁলোকক কলে,
“তোমালোকলৈ শান্তি হওঁক।” ২০এইদৰে কোৱাৰ পাছত
তেওঁ নিজৰ হাত আৰু কোষ দেখুৱালে। শিষ্য সকলে
প্ৰভুক দেখা পাই অতি আনন্দিত হল।

২১তেতিয়া যীচুৱে তেওঁলোকক পুনৰ কলে,

[a] **১৯:৩৭** উদ্ধৃত–গীতমালা ৩৪:২০; যাত্ৰা–১২:৪৬; গণনা ৯:১২
[b] **১৯:৩৭** উদ্ধৃত জখৰীয়া ১২:১০
[c] **২০:১ দেওবাৰ** সপ্তাহৰ প্ৰথম দিন।

“তোমালোকলৈ শান্তি হওঁক, পিতৃয়ে যেনেদৰে মোক পঠালে, মইও তোমালোকক পঠাই আছো।” ২২এইদৰে কোৱাৰ পাছত তেওঁ তেওঁলোকলৈ ফু দি কলে, “পবিত্ৰ আত্মা গ্ৰহণ কৰা।” ২৩তোমালোকে কোনোবাৰ পাপ ক্ষমা কৰিলে তেওঁলোক ক্ষমা প্ৰাপ্ত হব। আৰু কোনোবাৰ পাপ যদি তোমালোকে ক্ষমা নকৰা, তেওঁলোক পাপ ক্ষমা নোপোৱাকৈয়ে থাকিব।”

## যীচুৱে থোমাক দেখা দিয়া

২৪কিন্তু যীচু অহাৰ সময়ত বাৰজনৰ মাজৰ থোমা যাক দিদোমো বোলা হয়, তাত উপস্থিত নাছিল। ২৫আন শিষ্য সকলে তেওঁক কলে, “আমি প্ৰভুক দেখিলো।” কিন্তু তেওঁ তেওঁলোকক কলে, “মই যেতিয়ালৈকে তেওঁৰ হাতত গজালৰ দাগ দেখা নাপাওঁ আৰু তাত মোৰ হাত সুমুৱাই নিদিওঁ, তেতিয়ালৈকে মই এই কথা বিশ্বাস নকৰিম।”

২৬এসপ্তাহৰ পাছত, যীচুৰ শিষ্যসকলে ঘৰৰ ভিতৰত থাকোতে থোমাও তেওঁলোকৰ লগত আছিল, দৰ্জাবোৰ বন্ধ আছিল। যীচু ভিতৰলৈ সোমাই আহিল আৰু তেওঁলোকৰ আগত থিয় হৈ কলে, “তোমালোকলৈ শান্তি হওঁক।’” ২৭তেতিয়া তেওঁ থোমাক কলে, “তোমাৰ আঙুলি ইয়াত সোমোৱা আৰু মোৰ হাতবোৰ চোৱা। তোমাৰ হাত মেলি মোৰ কোষত সুমুৱাই চোৱা। সন্দেহ নকৰি বিশ্বাসকাৰী হোৱা।”

২৮উত্তৰত থোমাই তেওঁক কলে, “মোৰ প্ৰভু মোৰ ঈশ্বৰ!”

২৯যীচুৱে তেওঁক কলে, “মোক দেখাৰ কাৰণে বিশ্বাস কৰিছানে? যিসকলে নেদেখাকৈ বিশ্বাস কৰে তেওঁলোক ধন্য।”[a]

## যোহনৰ পুস্তকৰ উদ্দেশ্য

৩০এই পুস্তকখন লিখাৰ কাৰণ যীচুৱে তেওঁৰ শিষ্যসকলৰ আগত বহুতো আচৰিত কৰ্ম্ম কৰিছিল, যিবোৰ এই পুস্তকত বৰ্ণনা কৰা হোৱা নাই। ৩১কিন্তু এইবোৰ এইকাৰণেই লিখা হৈছে যাতে তোমালোকে বিশ্বাস কৰিব পাৰা যে যীচু সেই অভিষিক্ত মচীহ, ঈশ্বৰৰ পুত্ৰ আৰু তেওঁত থকা সেই বিশ্বাসৰ[b] যোগে তোমালোকে যেন তেওঁৰ নামৰ দ্বাৰায় জীৱন পোৱা।

## যীচুৱে সাত জন শিষ্যক দেখা দিয়া

২১ ১ইয়াৰ পাছত যীচুৱে পুনৰ গালীল সৰোবৰৰ[c] উপকূলত শিষ্য সকলৰ আগত দেখা দিলে। তেওঁ এইটো এনেদৰে কৰিলে; ২চিমোন পিতৰ, থোমা (যাক দিদুমো বোলে) নথনেল (গালীলৰ কান্না নগৰৰ), চিবিদিয়ৰ পুতেক দুজন আৰু দুজন শিষ্য একে লগে আছিল। ৩চিমোন পিতৰে তেওঁলোকক কলে, “মই মাছ মাৰিবলৈ যাওঁ।”

তেওঁলোকে তেওঁক কলে, “আমিও তোমাৰ সৈতে আহি আছোঁ!” সেয়ে তেওঁলোকে ওলাই নাৱত উঠিল, কিন্তু তেওঁলোকে সেই নিশা একোকে নাপালে।

৪ৰাতিপুৱা যীচু উপকূলৰ দাঁতিত থিয় হৈ আছিল, তেওঁ যে যীচু তাক শিষ্যবোৰে নাজানিলে। ৫তেতিয়া যীচুৱে তেওঁলোকক কলে, “বোপাহঁত তোমালোকে মাছ পালানে?”

উত্তৰত তেওঁলোকে কলে, “নাই।”

৬তেওঁ তেওঁলোকক কলে, “নাৱৰ সোঁ ফালে জালখন পেলোৱা তাত তোমালোকে অলপ মাছ পাবা।” সেয়ে তেওঁলোকে জালখন পেলালে, কিন্তু জালখনত ইমানেই মাছ লাগিল যে তেওঁলোকে জালখন টানি আনিব নোৱাৰা হল।

৭তেতিয়া যীচুৱে যি জন শিষ্যক মৰম কৰিছিল তেওঁ পিতৰক কলে, “এইজন প্ৰভু” চিমোনে এইজন প্ৰভু বুলি শুনিলে তেওঁ গাত লোৱা কাপোৰ খন ভালকৈ মেৰিয়াই লৈ (কাৰণ কাপোৰখন খুলি থোৱা আছিল) পানীত জাপ মাৰি দিলে। ৮কিন্তু আন শিষ্য সকলে মাছেৰে ভৰা জালখন টানি নাৱেৰে সৈতে পাৰলৈ আনিলে। কাৰণ তেওঁলোকে পাৰৰ পৰা মাত্ৰ এশ মিটাৰ মানহে দূৰত আছিল। ৯যেতিয়া তেওঁলোকে পাৰলৈ আহিলে, এঙাঁৰৰ জুইৰ ওপৰত মাছ দি থোৱা আৰু কেইটামান পিঠা দেখিবলৈ পালে। ১০যীচুৱে তেওঁলোকক কলে, “এতিয়া যিবোৰ মাছ ধৰিলা তাৰ পৰাও কেইটামান আনাগৈ।”

১১চিমোন পিতৰে নাৱলৈ গৈ মাছেৰে ভৰি থকা জালখন টানি আনিলে। জালখনত এশ তেপন্ন টা মাছ আছিল, কিন্তু ইমান মাছ থকা স্বত্তেও জালখন নাফাটিল। ১২যীচুৱে তেওঁলোকক কলে, “আহাঁ ইয়ালৈ আৰু জলপান কৰাহি।” কোনো এজন শিষ্যই, “আপুনিয়েই প্ৰভু নেকি?” এইবুলি সুধিবলৈ সাহ নকৰিলে কাৰণ তেওঁলোকে ইতিমধ্যে গম পাইছিল যে তেওঁৱেই প্ৰভু। ১৩যীচুৱে উঠি গৈ পিঠা লৈ তেওঁলোকক দিলে আৰু মাছো দিলে।

১৪মৃত সকলৰ মাজৰ পৰা জীৱিত হৈ এয়া তৃতীয় বাৰৰ বাবে যীচুৱে শিষ্য সকলক দেখা দিলে।

## যীচুৱে পিতৰৰ সৈতে কথা কোৱা

১৫যেতিয়া জলপান খোৱা হল, যীচুৱে চিমোন পিতৰক কলে, “যোহনৰ পুতেক চিমোন, এওঁবিলাকতকৈ তুমি মোক অধিক প্ৰেম কৰানে?”

পিতৰে তেওঁক কলে, “হয় প্ৰভু; আপুনি জানে যে মই আপোনাক প্ৰেম কৰো।”

যীচুৱে তেওঁক ক’লে, “মোৰ মেৰবিলাকৰ[d] প্ৰতি পালন কৰিবা।”

[a] **২০:২৯ ধন্য** বিষেশ সম্মানৰ যোগ্য।
[b] **২০:৩১ বিশ্বাস** বিশ্বাস কৰিব ধৰিলে।
[c] **২১:১ গালীল সৰোবৰ** তিবিৰীয়াচৰ সৰোবৰ-গালীল সৰোবৰ আন এটা নাম। যোহন ৬:১
[d] **২১:১৫ মেৰবিলাকৰ** যীচু ‘মেৰ’ শব্দ ব্যৱহাৰ কৰিছে ১৬–১৭ পদত তেওঁৰ শিষ্যবিলাকক বুজাইছে। যোহন ১০ অধ্যায়।

১৬তেওঁ (যীচুৱে) দ্বিতীয়বাৰ পিতৰক কলে, "যোহনৰ পুতেক চিমোন, তুমি মোক প্ৰেম কৰানে?"

পিতৰে কলে, "হয় প্ৰভু আপুনি জানেই যে মই আপোনাক প্ৰেম কৰোঁ।"

তেওঁ পিতৰক কলে, "মোৰ মেৰ বিলাকক প্ৰতিপালন কৰিবা।"

১৭যীচুৱে তৃতীয় বাৰ পিতৰক, "যোহনৰ পুতেক চিমোন, তুমি মোক প্ৰেম কৰানে?"

সোধাত পিতৰে বেজাৰ পালে, সেয়ে পিতৰে কলে, "আপুনি সকলো জানেই।" আপুনি জানে য়ে মই আপোনাক প্ৰেম কৰো।"

যীচুৱে তেওঁক কলে, "মোৰ মেৰ বিলাকক চৰোৱা।"
১৮মই সঁচাকৈ কওঁ, "তুমি ডেকা কালত ককাঁলত টঙালি বান্ধি য'ত যাবলৈ ইচ্ছা কৰিছিলা গৈছিলা; কিন্তু যেতিয়া তুমি বুঢ়া হবা তুমি হাত মেলিবা আৰু তোমাৰ ককাঁল বান্ধি যলৈকে তোমাৰ ইচ্ছা নাই তলৈকে তোমাক লৈ যাব।"
১৯(পিতৰে কেনে মৰণেৰে ঈশ্বৰক গৌৰৱান্বিত কৰিব তাক বুজাবলৈ তেওঁ এই কথা কৈছিল।) এইষাৰ কথা কোৱাৰ পাছত যীচুৱে কলে, "মোক অনুসৰণ কৰা।"

২০পিতৰে ঘূৰি চাই যীচুৰ প্ৰিয় শিষ্যক (যিজনে ৰাতি ভোজনৰ সময়ত যীচুৰ বুকুলৈ হালি গৈ হে প্ৰভু কোনে আপোনাক শত্ৰুৰ হাতত শোধাই দিব' বুলি সুধিছিল) তেওঁৰ পাছত অহা দেখিলে। ২১পিতৰে যেতিয়া তেওঁক
দেখিলে, তেওঁ যীচুক কলে, "প্ৰভু এওঁৰনো কি হব?"

২২যীচুৱে তেওঁক কলে, "মই যদি ইচ্ছা কৰো, মই নহালৈকে তেওঁ থকাটো তেন্তে তোমাৰ কি? তুমি মোক অনুসৰণ কৰা।"

২৩তেতিয়া সেই জন শিষ্য নমৰিব বুলি বিশ্বাসী ভাই সকলৰ মাজত প্ৰচাৰ হৈ গল, কিন্তু যীচুৱে নমৰিব বুলি কোৱা নাছিল, মাত্ৰ 'মই নহালৈকে তেওঁ থকাটো যদি মই ইচ্ছা কৰো, তাত তোমাৰ কি?' অকল ইয়াকেহে কৈছিল।

২৪সেই জন শিষ্যই এইবোৰৰ বিষয়ে সাক্ষ্য দিছে আৰু এইবোৰ লিখিলে, আমি জানো যে তেওঁৰ সকলো সাক্ষ্য সত্য।

২৫ইয়াৰ বাহিৰেও যীচুৱে আৰু বহুতো কৰ্ম্ম কৰিছিল, সেইবোৰ এটি এটিকৈ লিখা হলে, মোৰ বোধেৰে সিমানবোৰ পুস্তক, পৃথিৱীয়ে ধাৰন কৰিব নোৱাৰিলেহেঁতেন।